DP817

सत्यमेव जयते

# OFFICIAL REPORT

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

### VOLUME—I

### NO. 10—15

The 3rd April, 1989

Price, Rs. 23·00

CONTENTS

## BUDGET SESSION

### Volume–I

### No, 10

### Dated, The 3rd April 1989


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1—45 |
| 2: | Miscellaneous discussion during zero hours | 46—50 |
| 3. | Call attention notice | 50 |
| 4. | Matter under Rule 301 | 50—53 |
| 5. | General Discussion on the Budget | 53—96 |
| 6. | Adjournmet | 96 |
| 7. | Annexure I to IV | 97 –116 |

DEBTES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1989

The House met at 9 of the Clock in the Assembly Chamber, Dispur, on Monday the 3rd April, 1989. with Mr. Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

(To Which oral answers were given)

### বিষয়ঃ অনাকাৰবিৰ কাৰ্বি আংলং ত্যাগ।

শ্ৰীভৰত চন্দ্ৰ নৰহে: সুধিছে

*১৬১। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কাৰ্বি আংলং জিলাৰ বসবাস কৰা অনা কাৰবি সকলক কাৰ্বি আংলং ত্যাগ কৰিবলৈ peoples guard নামৰ এটা সংগঠনে আদেশ দিয়া বিষয়টো জিলা পৰিষদে ৰাজ্য চৰকাৰক অবগত কৰিছেনে ?

(খ) যদি অবগত কৰিছে অনাকাৰবি সকলক নিৰাপত্তা দিবলৈ জিলা পৰিষদে কি কি ব্যৱস্থা লৈছে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( মুখ্য মন্ত্ৰীৰ ) হৈ (পাৰ্ব্বত্য অঞ্চলৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) বিষয়টো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে।

(খ) ৰাজ্য চৰকাৰে নিৰাপত্তা, আইন-শৃঙখলা আদিৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব।

শ্ৰীদেবেশ্বৰ বৰা: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে যে ৰাজ্য চৰকাৰৰ দৃষ্টি গোচৰ হৈছে আৰু নিৰাপত্তা মূলক ব্যৱস্থা গ্ৰহণ কৰিব। আমি জনা মতে অনা কাৰ্ব্বি সকলৰ ওপৰত জোৰ জুলুম চলাইছে আৰু বিভিন্ন প্ৰকাৰে পুজি সংগ্ৰহ কৰিছে। বিভিন্ন ঠাইত অনা কাৰ্ব্বি সকলৰ ওপৰত অত্যাচাৰ উৎপীড়ণ চলি আছে। এনেকুৱা কিমান কেচ চৰকাৰৰ হাতত আছে জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী): এই সম্পৰ্কত চৰকাৰ অবগত। কাৰ্ব্বি আংলং জিলাত বসবাস কৰা কিছুমান লোকলৈ (পিপুলচ্ গাৰ্ড) সংগঠনৰ নামত দিয়া সতৰ্কবানী সম্পৰ্কে চৰকাৰ অবগত। উক্ত বিষয়ৰ ওপৰত অনুসন্ধান কৰি জনা যায় যে উপায়ুক্ত, অতিৰিক্ত উপায়ুক্ত, আৰক্ষী অধীক্ষকক লৈ ৬ জন চৰকাৰী

বিষয়া, মাৰোৱাৰী, শিখ, বিহাৰী, অসমীয়া ভাষাকে ধৰি ১৩ জন ব্যৱসায়ী, এজন ৰাজনৈতিক নেতা আৰু কাৰ্বি সমাজ সেৱকক কৰি মুঠ ২১ জন লোকলৈ এই সতৰ্কবানী প্ৰেৰণ কৰা হৈছিল। উংথাপিত প্ৰশ্নটোত উনুকিয়াও মতে এই সতৰ্ক-ৱানী কেৱল অনা কাৰ্বি লোক সকলৈকে পঠোৱা হোৱা নাছিল। তুজন কাৰ্বি লোকেও এই সতৰ্কবানী পাইছিল। জিলা পৰিষদৰ ক্ষমতাত অধিস্থিত দলে ৰাজহুৱা ভাবে এই সতৰ্কবানী অস্বীকাৰ কৰিছে আৰু উক্ত সংগঠনৰ ভাৰ প্ৰাপ্ত বিষয়া ৰবিন্দ্ৰ ৰংপীয়ে সংগঠনটোক কলংকিত কৰিব খোজা দুস্কৃতিকাৰীৰ ওপৰত কঠোৰ ব্যৱস্থা লবলৈ অনুৰোধ কৰি আৰক্ষী অধীক্ষকলৈ এখন চিঠিও প্ৰেৰণ কৰিছে। এই সম্পৰ্কত অনুসন্ধান অব্যাহত আছে আৰু জিলা উপায়ুক্তই পুলিচ অধীক্ষকক আৱশ্যকীয় নিৰাপত্তা দিবলৈ নিৰ্দ্দেশ দিছে।

শ্ৰীহলিৰাম টেৰাং: মাননীয় অধ্যক্ষ মহোদয়, অনা কাৰ্বিৰ ওপৰত অত্যাচাৰ, জুলুমৰ যি অভিযোগ উঠিছে সেই সম্পৰ্কত কাৰোবাক এৰেষ্ট কৰা হৈছে নেকি? যদি কৰা হৈছে নাম কেইটা দিব নেকি?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী): এই সম্পৰ্কত কাৰ্বি আংলং জিলাৰ অধীক্ষকলৈ এখন চিঠিও প্ৰেৰণ কৰা হৈছে আৰু এই সম্পৰ্কত তদন্ত কৰিবলৈ দিয়া হৈছে।

শ্ৰীহলিৰাম টেৰাং: প্ৰশ্নটোৰ সম্পৰ্কত এটা কথা উঠিছিল যে পৰিষদে কি কি ব্যৱস্থা লৈছে। জিলা পৰিষদে 'ল' এণ্ড অৰ্ডাৰ চাব পাৰে নে নোৱাৰে?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে এই সম্পৰ্কত ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

## বিষয়: নগাঁও আৱৰ্ত্ত ভৱনৰ ঘৰ নিৰ্ম্মাণ

শ্ৰীশ্বহীতুল ইছলামে সুধিছে

*১৬২ মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসমৰ ভিতৰত অতি ব্যস্ত নগাঁও আবৰ্ত্ত ভৱনৰ ওপৰঞ্চি নতুনকৈ ঘৰ নিৰ্ম্মাণৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা কৰিছেনে?

(খ) উক্ত আবৰ্ত্ত ভৱনৰ পুৰণা ঘৰটোত থকা আচবাব-পত্ৰ বিলাক সলনি কৰি নতুনকৈ দিয়াৰ কাৰণে চৰকাৰে কিবা মঞ্জুৰী দিছে নে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) নাই কৰা।

(খ) দিয়া হৈছে।

শ্ৰীশ্বহীদুল ইছলাম ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো কথা মাননীয় মূখ্য মন্ত্ৰী মহোদয়ে কৈছে সেই সম্পৰ্কত মই কব বিচাৰিছো যে, অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ সেইদৰে কাৰ্বি আংলংলৈ আৰু উত্তৰপাৰে তেজপুৰলৈ যাওতে নগাওঁখনেই মধ্যস্থল হয়। কিন্তু তাত গলে মন্ত্ৰী বিধায়কৰ কাৰণে বহিবলৈ চকী নাই। মুখ্যমন্ত্ৰী মহোদয়ে হয়তো গম নাপাব পাৰে কিয়নো তেওঁ আহিলে ভি, আই, পি, ৰুমতেই থাকে। গতিকে তেওঁ এইটো উপলব্ধি কৰিব নোৱাৰে। কিন্তু বাকী বিধায়ক আৰু মন্ত্ৰী সকলৰ কি অৱস্থা হৈছে সেইটো বুজাব নোৱাৰি। প্ৰাক্তন মন্ত্ৰী মতিৰাম বৰাৰ দিনতেই এই গৃহটো নিৰ্মাণ কৰা হৈছিল। তেতিয়াৰ পৰা এই পূৰণা ঘৰটো মেৰামতি কৰা হোৱা নাই। তাৰোপৰি ইয়াত থকা আচবাব পত্ৰ বিলাক আওপুৰণি হৈ গৈছে আৰু কালাৰ কি ধৰণৰ হৈছে কব নোৱাৰি আৰু বৰষুণৰ দিনত ভিতৰত পানী পৰে আৰু কাপোৰ আদি বস্তু বিলাক নষ্ট হৈ যায়। মাননীয় মুখ্যমন্ত্ৰী মহোদয় আশা কৰো এই সদনতেই ইয়াৰ স্পষ্টীকৰণ দিব আৰু নতুন ঘৰ নিৰ্মাণ কৰাৰ কাৰণে কিবা ব্যৱস্থা লবনেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া ইতিমধ্যে মেৰামতি কৰিবৰ কাৰণে টকা দিয়া হৈছে কিন্তু তাত কিছুমান আসোঁৱাহ ওলোৱাৰ কাৰণে বিচাৰমিট কৰিবলৈ কোৱা হৈছে। সেইটো আসোৱা থকাৰ কাৰণে ঘূৰাই পঠোৱা হৈছে। সেইটো আহিলে ব্যৱস্থা লোৱা হব। বাকী কথাটো বিবেচনা কৰা হব।

তৰাঙ্কিত প্ৰশ্ন নং ঃ ১৬৩　　প্ৰশ্নকৰ্ত্তা অনুপস্থিত

তৰাঙ্কিত প্ৰশ্ন নং ঃ ১৬৪　　প্ৰশ্নকৰ্ত্তা অনুপস্থিত

Starred Questons No. 163, 164 were not Called for. However, witten answers were deemed to have been laid on the table as folows :

## বিষয় ঃ তিনিচুকীয়া মহকুমাত বেদখল।

শ্ৰীভবেন বৰুৱাই উত্তৰ দিছে

*১৬৩ মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ?

(ক ডিব্ৰুগড় জিলাৰ তিনিচুকীয়া মহকুমাত সৰ্ব্বমুঠ কিমান মাটি বেদখলত আছে ?

(খ) কোন কোন লোক চাহ খেতি আৰু চিত্ৰ নলা খেতি কৰি বেদখল কৰি আছে ? (উক্ত লোক সকলৰ নাম আৰু ঠিকনা সদনৰ মেজত দাখিল কৰিব)

(গ) বেদখলকাৰীৰ উচ্ছেদৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

শ্ৰীচন্দ্ৰ আৱানধৰা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ডিব্ৰুগড় জিলাৰ তিনিচুকীয়া মহকুমাত সৰ্ব্বমুঠ ২,৯৩,৭৯৭ বিঘা মাটি বেদখলত আছে ।

(খ) উক্ত বেদখলি মাটিৰ ভিতৰত মু`তে ৯১ জন লোকে আৰু প্ৰতিষ্ঠানে মুঠ ১৩,০৪৯৬ লোচা চৰকাৰী মাটি চাহ আৰু চিত্ৰ নলা খেতিৰ দ্বাৰা বেদখল কৰিছে। এই বেদখলকাৰী সকলৰ নাম আৰু ঠিকনাসহ তালিকা লগতে দাখিল কৰা হৈছে।

(See Annexure 1)

(গ) বেদখলকাৰী সকলৰ বিৰুদ্ধে বেদখলী গোচৰ মহকুমাধিপতীয়ে আৰম্ভ কৰিছে । উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ত আৰু অসম ৰাজহ বৰ্ড'ত ক্ৰমে ৬টা আৰু ১৩ টা বেদখলী গোচৰৰ সম্পৰ্কত বেদখলকাৰীয়ে আপিল কৰাত সেই কেইটা গোচৰৰ মাটিৰ পৰা বেদখল উচ্ছেদ কাৰ্য্য স্থগিত ৰখা হৈ আছে।

## Re: Amalgamation of A.C.S' Officers-

Shri Silvious Condpan, asked

*164। Will the Chief Minister be pleased to state:

The steps so far taken by the Government for amalgamation of ACS (I) and ACS (II) officers service in view of the earlier assurance made by the Government ?

Shri Prafulla Kumar Mahanta, ( Chief Minister )replied:

1) Government have been taking necessary steps for amalgamation of ACS-I and ACS-II. A total of 195 ACS-II officers have already been promoted to ACS-I in a phased manner.

## Ref : Agricultural Income Tax

Shri Sheikh Abdul Hamid asked.

*165। Will the Chief Minister be pleased to State:

(a) What are sources of Agricultural Income Taxes in the state

(b) What ars the assessment and collection of Agricultural

Income Tax during the financial year 1984-85, 1985-86, 1986-87, 1987-88 and 1988-89

Shri P.K.Mahanta, Chief Minister replied

(a) Tea may be said the main source of Agricultural Income in Assam. With the enforcement of ceiling Act, the income from other sources, namely, paddy, citronella etc. has become quite in significant.

(b) The financial year-wise assessment and collection figures are as follows

| Financial year | Assessment ( in crores ) | Collection ( in crores ) |
|---|---|---|
| 1984-85 | Rs. 35.63 | Rs. 36.28 |
| 1985-86 | Rs. 59.51 | Rs. 60.61 |
| 1986-87 | Rs. 62.50 | Rs. 62.00 |
| 1987-88 | Rs. 29.88 | Rs. 25.88 |
| 1988 89 up to 20.3·89 ) | Rs. 24.44 | Rs. 25.57 |

N.B.-Collection includes arrears and current dues.

শ্ৰীশ্বেথ আব্দুল হামিদ ঃ— মাননীয় অধ্যক্ষ মহোদয়, ফাইনেনচিয়েল ইয়াৰ এচেচ্‌মেণ্টটো বছৰি বছৰি কিয় ইমান চেঞ্জ হৈ আছে। ১৯৮৭-৮৮ চনত ইমান কম কালেকচন কেনেকৈ হ'ল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী):- মাননীয় অধ্যক্ষ ডাঙৰীয়া কাৰণটো ইয়াত দেখুওৱা হৈছেই। এই এচেচ্‌মেণ্টটো চেণ্ট্ৰেল গভৰ্ণমেণ্টে কৰে। শতকৰা ৬০ ভাগ ৰাজ্য চৰকাৰে পায় আৰু শতকৰা ৪০ ভাগ কেন্দ্ৰীয় চৰকাৰে পায়।

শ্ৰীদেবেশ্বৰ বৰা ঃ- মাননীয় অধ্যক্ষ মহোদয়, এগ্ৰিকালচাৰ ইনকাম টেক্সৰ ওপৰত অডিটৰ জেনেৰেল এটা ৰিকমেণ্ডেচন দিছে। এই ৰিকমেণ্ডেচনৰ ওপৰত ৰাজ্য চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

শ্রীপ্রফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী):- এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিম।

শ্ৰীশ্বেখ আব্দুল হামিদঃ- আমাৰ ষ্টেট ইনকামৰ কাৰণে এইটো এটা ডাঙৰ চোৰ্চ। ইতিমধ্যে কাগজেপত্ৰেই ওলাইছে বানপানী আৰু খৰাং বতৰ হোৱাৰ কাৰণে৷ সেই কেইটা বছৰত এচেচ্‌মেণ্ট কম হৈছিল। মুখ্যমন্ত্ৰী মহোদয়ে চেণ্ট্ৰল গভৰ্ণমেণ্ট এচেচ কৰাৰ কাৰণেহে হৈছে বুলি কৈছে। কিন্তু কথা হৈছে ইমান কম হোৱাৰ কাৰণ কি ? আমাৰ কথা হৈছে ৰাজ্যিক চৰকাৰৰ ইয়াত কোনো হাত নাই নেকি ? হঠাৎ ইমান টকা কম হোৱাৰ কাৰণ কি

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী):- কাৰণ কি উত্তৰ সেইটোৱেই দিব লাগিব। বিষয়টো চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ লগত টেকআপ কৰা হব

শ্ৰীআব্দুল ৰোব লস্কৰয়েঃ সুধিছে

## বিষয়ঃ খালি পদ পূৰণ।

*১৬৬। মাননীয় মুখ্যমন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে ?

(a) Is it a fact that the Govt, by issuing circulars to the district authorities stopped the recruitment in the vacant posts ?

(b) Is it also a fact that Govt. has not yet formulated the recuitment policy in the State ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে : উত্তৰ দিছে

(ক) হয়, নতুন নিয়োগ নীতি প্ৰস্তুত কৰি থকাৰ পৰিপ্ৰেক্ষিতত সাময়িক ভাৱে বন্ধ ৰখা হৈছিল।

(খ) হয়।

Shri Abdul Rob Laskar : Mr. Speaker, Sir, from the answer of the Hon'ble Chief Minister in respect of a & b it appears that the answers are contradictory.........In Assamese ......... So, Sir, may I get a clarification from the Hon'ble Chief Minister regarding the contradiction to the answer (a) anp (b) ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ পৰিপূৰক প্ৰশ্নৰ উত্তৰটো 'খ' প্ৰশ্নৰ উত্তৰত কোৱা হৈছে।

Shri Abdul Rob Laskar: Mr Speaker, Sir, may I know from the Hon. Chief Minister when the fecruitment policy will be formulated and since when the recruitment has been stopped by circular?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই বিষয়ত এতিয়াও চূড়ান্ত সিদ্ধান্ত হোৱা নাই। চূড়ান্ত সিদ্ধান্ত হোৱাৰ লগে লগে বিভাগীয় ভাবে ব্যৱস্থা লোৱা হব।

শ্ৰীআব্দুল হামিদ: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে জনাব নে যে বৰ্ত্তমান অৱস্থাত এনে নিয়োগ বন্ধ কৰি থোৱা স্বত্বেও কিছুমান জিলাত হাই স্কুলৰ শিক্ষক নিযুক্তি দিয়া হৈছে আৰু কিছুমানত দিয়া হোৱা নাই। কিছুমান জিলাত শিক্ষক নিযুক্তিৰ বাবে চূড়ান্ত তালিকা তৈয়াৰ কৰি থোৱা স্বত্বেও তাত নিযুক্তি দিয়া হোৱা নাই। কোনো কোনো জিলাৰ ক্ষেত্ৰত এনে তাৰতম্য কিয়?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মখ্য মন্ত্ৰী): অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে সেই বিষয়ে চৰকাৰ দৃষ্টি গোচৰ হোৱা নাই, তেখেতৰ পৰাহে এই বিষয়ে জানিব পৰা হৈছে। যদি তেনে ঘটনা কোনোবা খন জিলাত হৈছে তেনেহলে সেই সম্পৰ্কে ব্যৱস্থা লোৱা হব।

## বিষয়ঃ বিজনী মহকুমা গঠন।

(প্ৰশ্নৰ নম্বৰ)

শ্ৰীগণেশ বড়োয়ে সুধিছে

*১৬৭। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কোকৰাঝাৰ জিলাৰ বিজনী চহৰক সদৰ স্থান হিচাবে লৈ বিজনী মহকুমা গঠন কৰাৰ আঁচনিতো চৰকাৰৰ হাতত আছেনে?

(খ) যদি আছে উক্ত আঁচনিটো বৰ্ত্তমান কি অৱস্থাত আছে?

(গ) যদি নাই তেনেহলে ৰাজহুৱা আৰু প্ৰশাসনৰ স্বাৰ্থৰ খাটিৰত অতি সোনকালে বিজনীক মহকুমা হিচাবে গঠন অথবা ঘোষণা কৰাৰ ব্যৱস্থা কৰিবনে

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মৃখ্য মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) কোকৰাঝাৰ জিলাত নতুন মহকুমা গঠন কৰা সম্পৰ্কে পৰামৰ্শ দিবলৈ নামনি অসমৰ আয়ুক্তক সভাপতি ৰূপে লৈ এখন কমিটি গঠন কৰা হৈছে।

শ্ৰীগনেশ বড়োঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে বিজনীত মহকুমা স্থাপন কৰা সম্পৰ্কে যিটো উত্তৰ দিলে সেই ক্ষেত্ৰত মই সুখী হোৱা নাই। বিজনী চহৰ কোকৰাঝাৰৰ পৰা প্ৰায় ৯০ কিঃ মিঃ দূৰত অৱস্থিত হোৱা কাৰণে আৰু বিজনী চহৰৰ পৰা ভিতৰুৱা গাওঁ বোৰৰ দূৰত্ব ৪০-৫০ কিঃ মিঃ হোৱা কাৰণে আইন শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত বিজনীক সদৰ হিচাবে লৈ এটা মহকুমা গঠন কৰাটো বিশেষ গুৰুত্বপূৰ্ণ আৰু সেই কাৰণেই এই অঞ্চলৰ ৰাইজে তাত এটা মহকুমা স্থাপনৰ কাৰণে দাবী জনায় আহিছে। সেই কাৰণে বিষয়টো পুনৰ বিবেচনা কৰি তাত এটা মহকুমা গঠনৰ কাৰণে সোনকালে ব্যৱস্থা গ্ৰহন কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই সম্পৰ্কত নামনি অসমৰ আয়ুক্তক সভাপতি হিচাবে লৈ এখন কমিটি গঠন কৰি দিয়া হৈছে আৰু তেখেতৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি ব্যৱস্থা লোৱা হব।

শ্ৰীগনেশ বড়োঃ অধ্যক্ষ মহোদয়, নামনি অসমৰ আয়ুক্তক এই সম্পৰ্কত প্ৰতিবেদন দিয়াৰ কথা যোৱা বছৰেই কোৱা হৈছিল। তেওঁক কেনে ধৰণে নিৰ্দ্দেশ দিয়া হৈছে আৰু কিমান দিনৰ ভিতৰত সেই প্ৰতিবেদন প্ৰস্তুত হৈ উঠিব সেই বিষয়ে জনাব নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, নামনি অসমৰ আয়ুক্তক কোন ঠাইত মহকুমা আৰু ইয়াৰ সদৰ স্থান স্থাপন কৰিব লাগিব সেই বিষয়ে এখন প্ৰতিবেদন যুগুত কৰিবলৈ কোৱা হৈছে আৰু যিমান পাৰি সোনকালে ইয়াক কৰিবলৈ কোৱা হৈছে। গতিকে তেখেতৰ পৰা প্ৰতিবেদন পালেই ব্যৱস্থা লোৱা হব।

## Subject List of Beneficiaries who got financial aid from Lottery Fund.

Shri Golok Raj Bongshi asked

*168 Will the Chief Minister be pleased to state :

(a) Will the Government submit the List of beneficiaries

on the table of the House who got financial aid from the lottery fund during 1988-89?

(b) On what principles these aids are granted.?

Shri P.K. Mahanta ( Chief Minister ) replied

(a) The list of beneficiaries who got the financial aid from the Stat Lottery fund during the year 1988-89 is placed on the table of the House. ( see Annexure—II )

(b) These aids are granted as per the Assam State Lotteries ( Distribution of net profits ) Rules 1973 as amended.

শ্ৰীগোলোক ৰাজবংশী : অধ্যক্ষ মহোদয়, এই প্ৰশ্নৰ উত্তৰত সদনৰ মেজত যি খন তালিকা ৰখা হৈছে তাত কিছুমানক ৮০ হাজাৰ, কিছুমানক ৫০ হাজাৰ, কিছুমানক ২০ হাজাৰকৈ দিয়া হৈছে বুলি দেখুউৱা হৈছে। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব খোজো যে এই টকাবোৰ কোনো আৱশ্যকতাৰ ওপৰত ভিত্তি কৰি দিয়া হৈছে নে কেৱল দৰখাস্ত ওপৰততহে ভিতি কৰি দিয়া হৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই সাহায্য সেই অনুস্থানৰ কামকাজৰ ওপৰত ভিত্তি কৰি দিয়া হৈছে।

শ্ৰীগোলোক ৰাজবংশী : অধ্যক্ষ মহোদয় তেওঁলোকে এই সাহায্য পোৱাৰ আৱশ্যকতা আছেনে নাই সেই বিষয়ে তদন্ত কৰি চোৱা হৈছিল নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মূখ্য মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, তেওঁলোকক আৱশ্যক অনুযায়ীয়েই দিয়া হৈছে।

শ্ৰীগোলোক ৰাজবংশী : অধ্যক্ষ মহোদয়, মই মূখ্য মন্ত্ৰী ডাঙৰীয়াক পুনৰ প্ৰশ্ন কৰিবলৈ বাধ্য হলো যে এই অনুস্থান সমূহে তেনে সাহায্য পোৱা যোগা আছিল নে নাই সেই বিষয়ে পুংখানুপুংখে তদন্ত কৰি এই সাহায্য দিয়া হৈছিলনে নাই ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মূখ্য মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই সাহায্য অসম ৰাজ্যিক লটাৰী ১৯৭৩ চনৰ সংশোধিত বিধি অনুযায়ী দিয়া হৈছে।

## বিষয় : অসম আন্দোলনৰ শ্বহীদ সকলৰ জীৱনী আৰু ফটোৰ এখনি গ্ৰন্থ প্ৰকাশ।

শ্ৰীমহেন্দ্ৰ মোহন ৰাইচৌধুৰীয়ে সুধিছে :—

* ১৬৯ মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চুক্তি ৰূপায়ণ দপ্তৰে অসম আন্দোলনৰ শ্বহীদ সকলৰ জীৱনী আৰু ফটোৰ এখনি গ্ৰন্থ প্ৰকাশ কৰিবলৈ লোৱা কথাটো সঁচানে ?

শ্ৰীজয়নাথ শৰ্ম্মাই (আসম চুক্তি ৰূপায়ন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সদৌ অসম ছাত্ৰ সন্থাৰ পৰা পোৱা জিলা ভিত্তিত সকলো শ্বহীদৰ নাম গুলী খোৱা লোকসকলৰ নাম, অসম আন্দোলনত ধৰ্ষিতা নাৰী সকলৰ নাম তথা আন্দোলনত অংশ গ্ৰহন কৰি নিখোজ হৈ থকা লোকৰ নামেৰে সৈতে এখন তালিকাহে ছপা কৰি উলিয়াবলৈ ব্যৱস্থা কৰা হৈছে।

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী :- অধ্যক্ষ মহোদয়, ঐতিহাসিক অসম চুক্তিৰ ওপৰত এখন গ্ৰন্থ উন্মোচন কৰিবলৈ যোৱা বাবে আমি অতি সুখ পাইছো। কিন্তু মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই গ্ৰন্থ খনৰ বাবদ অনুমানিক কিমান ব্যয় হব আৰু ইয়াৰ উদ্দেশ্য কি ?

শ্ৰীজয়নাথ শৰ্ম্মা (অসম চুক্তি ৰূপায়ন মন্ত্ৰী) :- অধ্যক্ষ, মহোদয় এই গ্ৰন্থ খন প্ৰস্তুত কৰি উলিয়াওতে কিমান টকা খৰচ হব সেই সম্পৰ্কে এতিয়াও নিস্পত্তি কৰিব পৰা হোৱা নাই। এই গ্ৰন্থ খনৰ উদ্দেশ্য হল ঐতিহাসিক অসম আন্দলোনত যি সকল লোক স্বহীদ হল, যি সকল লোক নিৰ্য্যাতিত হল আৰু যি সকল অসমীয়া নাৰী সেই সময়ৰ ভাৰতীয় সৈন্য বাহিনীৰ হাতত লাঞ্চিতা হব লগা হল সেই সকলো বোৰ ঘটনাৰ বুৰঞ্জী সংৰক্ষিত কৰা উচিত বুলি ভাবিয়েই এই ব্যৱস্থা হাতত লোৱা হৈছে।

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী :- গ্ৰন্থ খনৰ নাম কি হব জনাব নেকি ?

শ্ৰীজয়নাথ শৰ্ম্মা (মন্ত্ৰী) :- গ্ৰন্থ খনৰ নাম সম্পৰ্কে এতিয়ালৈ সিদ্ধান্ত হোৱা নাই।

আব্দুল জব্বৰ : অধ্যক্ষ মহোদয়, অসম আন্দোলনৰ সময়ত যি সকল লোক স্বহীদ হল তাৰ কিছুমানৰ নাম সদৌ অসম ছাত্ৰ সন্থাই ঘোষণা কৰিছে। আৰু কিছুমানৰ নাম সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থাই ঘোষণা কৰিছে। এতিয়া এই গ্ৰন্থ খনত কেৱল আচুই দিয়া তালিকাহে ভিত্তি কৰা হব নে আমুচুৱে দিয়া তালিকাকো গ্ৰাহ্য কৰা হব সেইটো মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীজয়নাথ শৰ্ম্মা (মন্ত্ৰী) :- অধ্যক্ষ মহোদয়, আচুৰ বাহিৰে বেলেগ কোনেও তেনে ধৰণৰ তালিকা দাখিল কৰা নাই।

আব্দুল জব্বৰ : তেনে ধৰণৰ তালিকা দিলে ব্যৱস্থা লোৱা হব নে নহয়।

শ্ৰীজয়নাথ শৰ্ম্মা (মন্ত্ৰী) তেওঁলোকে যদি কাৰোবাক আক্ৰমন কৰিবলৈ আহি মৃত্যু

ৰৰণ কৰিব লগীয়া হৈছিল তেনেহলে সেই বিষয়ে তদন্ত কৰিহে ব্যৱস্থা লোৱা প্ৰয়োজন হব।

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ) য়ে সুধিছে :

*১৭০। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্ত্তমান অসমত কিমানজন জীৱিত পেঞ্চনধাৰী মুক্তি যুজাৰু আছে ?

(খ) বৰ্ত্তমান অসমৰ কিমানজন মুক্তি যুজাৰুৱে কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰু কিমানজন ৰাজ্যিক চৰকাৰৰ পৰা পেঞ্চন পাই আছে ?

(গ) বৰ্ত্তমান অসম চৰকাৰে মুক্তি যুজাৰু লৈ আগবঢ়োৱা মাহিলী পেঞ্চনৰ পৰিমান কিমান ?

(ঘ) বৰ্ত্তমান কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা আৰু ৰাজ্যিক চৰকাৰৰ দ্বাৰা পেঞ্চনৰ পৰিমানৰ মাজত বৈষম্য আছে নেকি ?

(ঙ) মুক্তি যুজাৰু সকললৈ দিয়া কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ পেঞ্চনৰ পৰিমান কিমান ?

(চ) ১৯৮৮ চনৰ ১৪ আগষ্ট তাৰিখে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অতিৰিক্ত ২০০ (দুশ) টকাকৈ পেঞ্চন দিয়াৰ কথা ঘোষনা কৰাটো সঁচানে ?

(ছ) যদি সঁচা উক্ত ঘোষনা কেতিয়াৰ পৰা বলবত কৰা হব ?

(জ) কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা পেঞ্চনাৰ সকলে ৰেলৰ ভাৰা ৰেহাই পোৱাৰ দৰে অসমৰ পেঞ্চনাৰ সকলক চৰকাৰী বাছৰ ৰেহাই দিয়াতো চৰকাৰে বিবেছনা কৰিব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে : উত্তৰ দিছে

(ক) মুঠ ৩১৭০ জন।

(খ) কেন্দ্ৰীয় চৰকাৰৰ পৰা মুঠ ২০৮৩ জনে আৰু ৰাজ্যিক চৰকাৰৰ পৰা মুঠ ২১৫৭ জনে মুক্তি যুজাৰু পেঞ্চন পাই আছে।

(গ) কেৱল ৰাজিক পেঞ্চন পোৱা সকলৰ বাবে মাহিলী ৩০০ টকা আৰু কেন্দ্ৰীয় পেঞ্চনো পোৱা সকলৰ বাবে ৰাজ্যিক পেঞ্চনৰ মাহিলী হাৰ ৬০ টকা।

(ঘ) আছে।

(ঙ) মেন্দ্ৰীয় পেঞ্চনৰ মাহিলী হাৰ ৫০০ টকা। ৰাজ্যিক পেঞ্চনৰ মাহিলী হাৰ ৩০০ টকা।

(চ) ১৯৮৮ ছনৰ ১৫ আগষ্ট তাৰিখে কেৱল ৰাজ্যিক পেঞ্চন পোৱা সকলৰ

পেঞ্চন মাহিলী ২০০ টকাৰ পৰা ৩০০ টকালে বৰ্দ্ধিত কৰাৰ কথা ঘোষনা কৰা হৈছিল ।

(ছ) (চ) ত উল্লেখ কৰা ঘোষনা মতে উক্ত পেঞ্চন যোৱা ১/১/৮৮ তাৰিখৰ পৰা বলৱত কৰা হৈছে।

(জ) এই বিষয়ে চৰকাৰৰ হাতত বৰ্ত্তমান কোনো প্ৰস্তাৱ নাই।

শ্ৰীকুসুম্বৰ টাইৰাই গগৈ : অধ্যক্ষ মহোদয়, মই এটা পৰিপূৰক প্ৰশ্ন কৰিব বিচাৰিছো- দেখা যায় যে কিছুমান নামধাৰী আৰু ভূৱা পেন্চন আদায় কৰি আছে। তেনেকুৱা ক্ষেত্ৰত আমাৰ চৰকাৰৰ তৰফৰ পৰা বিচাৰি উলিওৱাৰ ব্যৱস্থা আছে নেকী ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো খুউব জটিল প্ৰশ্ন। এই সম্পৰ্কে এখন কমিটি গঠন কৰি দিয়া হৈছিল। ১৯৮৪-৮৫ চনৰ ভিতৰত যি সকল মানুহক পেন্চন দিছে তাৰ কিছুমান দৰখাস্ত বিচাৰি পোৱা নাই। এই সংক্ৰান্তত ব্যৱস্থা লোৱা হৈছে।

## বিষয় : গুৱাহাটী পৌৰ নিগমৰ আৰ্থিক অৱস্থা।

শ্ৰীদেবেশ্বৰ বৰাই : সুধিছে

*নং ১৭১। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ?

ক) গুৱাহাটী পৌৰ নিগৰ আৰ্থিক সংকট পৰিপ্ৰেক্ষিতৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে নিজা ৰবীয়াকৈ অধিক আৰ্থিক অনুদানৰ কিবা ব্যৱস্থা কৰিবনে ?

খ) ফাঁচী বজাৰকে ধৰি গুৱাহাটী পৌৰ নিগমৰ যি সকল কৰ দাতাই উচ্চ ন্যায়ালয়ক কৰ বৃদ্ধিৰ বিপৰীতে গোচৰবোৰ ৰুজু কৰিছিল তাৰ নিস্পত্তি নোহোৱা কথাটো সঁচানে ?

গ) এই সম্পৰ্কত যোৱা ৭/৮ বছৰেও এই গোচৰ বোৰৰ শুনানীৰ বাবে তালিকা ভুক্ত কৰিবৰ বাবে কোনো ব্যৱস্থা পৌৰ নিগমে নিয়োগ কৰা উকীলে লোৱা নাই কথাটো সঁচানে ?

ঘ) যদি সঁচা এই সম্পৰ্কত কি ব্যৱস্থা চৰকাৰে বৰ্ত্তমান গ্ৰহন কৰিছে ?

ঙ) ৰিক্সা, ঠেলা আদিৰ অনুজ্ঞা পত্ৰ দিয়াৰ অধিকাৰটো চৰকাৰে গুৱাহাটী পৌৰ নিগমৰ পৰা কাঢ়ি অনা কথাটো সঁচানে ?

চ) যদি সঁচা ইয়াৰ কাৰণ কি ?

শ্ৰীচহুল আলম চৌধুৰী ( পৌৰ প্ৰশাসন মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) গুৱাহাটী পৌৰ নিগমে অতিৰিক্ত আৰ্থিক অনুদান বিচাৰি কোনো প্ৰস্তাৱ দিলে চৰকাৰে বিবেচনা কৰি চাব।

খ) সঁচা নহয়।

গ) সঁচা নহয়।

ঘ) প্ৰশ্ন নুঠে।

ঘ) সঁচা নহয়।

চ) প্ৰশ্ন নুঠে।

শ্ৰীদেৱেশ্বৰ বৰা: অধ্যক্ষ মহোদয়, মানানীয় মন্ত্ৰী মহোদয়ে (ক) প্ৰশ্নৰ উত্তৰত কৈছে যে গুৱাহাটী পৌৰ নিগমে অতিৰিক্ত আৰ্থিক অনুদান বিচাৰি কোনো প্ৰস্তাৱ দিলে চৰকাৰে বিবেচনা কৰি চাব। এই ক্ষেত্ৰত পৌৰ নিগমে বিশেষ ভাবে আঁচনি গ্ৰহণ কৰিব পৰা নাই। বিষয়টো মন্ত্ৰী মহোদয়ে চাব নে?

শ্ৰীচহিদুল আলম চৌধুৰী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, ইতিমধ্যে মই কৈছোঁৱেই যে আৰ্থিক অনুদান বিচাৰি কোনো প্ৰস্তাৱ দিলে আমি বিবেচনা কৰি চাম।

শ্ৰীদেৱেশ্বৰ বৰা: অধ্যক্ষ মহোদয়, গুৱাহাটী চেকেণ্ড ক্লাছ ছিটি হব লাগে বুলি সকলো ৰাইজে বিচাৰে। এই সম্পৰ্কে চৰকাৰে ভাৰত চৰকাৰৰ ওচৰত কিবা যোগাযোগ কৰিছে নেকি?

শ্ৰীচহিদুল আলম চৌধুৰী (মন্ত্ৰী)। অধ্যক্ষ মহোদয়, এইটো এটা সুকীয়া প্ৰশ্ন হব লাগিব।

Shri Binai Khuagur Basumatari- Is the Minister aware that to extract higher rate of rent from their tenants the land owners of Fancy Bazar market burnt down their shops?

শ্ৰীচহিদুল আলম চৌধুৰী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এইটো সঁচা নহয়।

## Re : Formation of Haj Committee.

Shri Aminul Islam asked.

*১৭২। Will the Minister, Haj Committee be pleased to State

(a) How the Haj Committee is formed?

(b) How many intending Muslims can go to Haj pilgrimage every year from Assam?

শ্ৰীচহিদুল আলম চৌধুৰী ( হজ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যিক হজ কমিটিখন উত্তৰ পূৰ্ব ভাৰতৰ হজ যাত্ৰী সকলৰ সা সুবিধা আৰু কাম কাজ বিলাক চোৰা চিতা আৰু সুচাৰু ৰূপে পৰিচালনা কৰিবলৈ ৰাজ্য চৰকাৰে মুছলিম সভ্যেৰে গঠন কৰি দিয়ে। এই কমিটিখন লোকসভাৰ সভ্য, ৰাজ্য বিধান সভাৰ বিধায়ক, মন্ত্ৰী, স্থানীয়ে নিকায়, আৰু সমাজ কৰ্ম্মী সকলৰ পৰা বাচনি কৰি গঠন কৰি দিয়া হয়।

(খ) কেন্দ্ৰীয় হজ কমিটিয়ে প্ৰতি বছৰে নিৰ্দ্ধাৰন কৰি দিয়া সংখ্যামতেহে এই ৰাজ্যৰ হজ যাত্ৰীয়ে হজ কৰিবলৈ যোৱাৰ সুবিধা লাভ কৰে।

Shri Aminul Islam : Sir, who are the Members of the present Haj Committee ?

শ্ৰীচহিদুল আলম চৌধুৰী ( মন্ত্ৰী ) : সৰ্ব্বমুঠ ২৫০ জন মেম্বাৰ আছে।

Shri A F Golam Osmani : Sir the quota that is being sought for, for this purpose, how it is determined ? When the quota for the state of Assam is fixed whether there is any arrangement for fixing this quota in relation to the districts ? Secondly whether the Minister is aware that some people in the habit of going to Haj for other purposes are utilizing this quota :

শ্ৰীচহিদুল আলম চৌধুৰী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, কোটা আছে, হজ যাত্ৰী সকলে হজ কৰিবলৈহে যায়, অন্য কাৰণত নাযায়।

Shri A.F. Golam Osmani : My point is whether they have got any system of check to see that those who have gone once earlier should not get prefererce over a person who has not gone at all ?

আগতে যিবিলাক গৈছে সেই বিলাকৰ কেচ বিবেচনা কৰাৰ আগতে যি বিলাক যোৱা নাই সেই বিলাকক সুবিধা দিব লাগে। ইয়াৰ ব্যৱস্থা আছে নেকি ?

শ্ৰীচহিদুল আলম চৌধুৰী ( মন্ত্ৰী ) অধ্যক্ষ মহোদয় ব্যৱস্থা আছে।

শ্ৰীআমিনুল ইসলাম : স্যার, আমার প্রশ্ন সেটা ছিল না। আমাৰ প্রশ্ন ছিল- এই যে হজ কমিটি রয়েছে তাৰ মেম্বার কে কে এবং তাদের নাম কি ?

শ্ৰীচিদূল আলম চৌধুৰী ( মন্ত্ৰী ): অধ্যক্ষ মাহোদয়, অসম ৰাজ্যিক হজ কমিটিখন এনে ধৰণৰ :

১। শ্ৰী এচ, এ চৌধুৰী. (মন্ত্ৰী) পৌৰ প্ৰশাসন ইত্যাদি,

২। আটাউৰ ৰহমান, এম, পি,-বৰপেটা

৩. ছইফুদ্দিন আহমেদ, এম, পি,-দৰং

৪। চিৰাজুল হক চৌধুৰী, এল, এল, এ,-কৰিমগঞ্জ

৫। মইদূল ইছলাম বৰা, এম, এল, এ,-কামৰূপ

৬। ৰিয়াজুদ্দিন আখান্দ-শোনিতপুৰ

৭। হৰিবুৰ ৰহামান, এডভোকেট, গুৱাহাটী

৮ ফিৰুজছাহ-গুৱাহাটী

৯। ইমায়াতুল্লা নিজামি-গুৱাহাটী

১০। মইদূল ইছলাম কিছমট-গুৱাহাটী

১১। এচ, এম, ৰহমান ( পাল ) গুৱাহাটী

১২। এম, ফামান-গুৱাহাটী

১৩। মহম্মদ আলি, -গুৱাহাটী

১৪। মৌলানা ছৈয়দ আব্দুল বাছিট-গুৱাহাটী

১৫। প্ৰফেচৰ ওৱাই, টামিজি-গুৱাহাটী

১৬। মৌলানা আহমেদ আলি-বানস্কান্দি

১৭। মিচেচ আনোৱাৰা মনচুল-নগাও

১৮। এইচ, ৰহমান হাজৰিকা-নৰ্থ লক্ষীমপুৰ

১৯ চইফুদ্দিন আহমেদ-ডিব্ৰুগড়

২০। ছয়দ চয়দৰ ৰহমান-শিৱসাগৰ

২১। ইনামল মজিদ বৰা-যোৰহাট

২২। হাৰ্জি আনফাৰ আলি -নগাও

২৩। আবুচামা, এডভকেট-নগাও বাৰ এছোছিয়েশ্বন

২৪। আব্দুল ওৱাহেব আথান্দ ধুবুৰী

২৫। আখিৰুল ইছলাম-গোৱালপাৰা

২৬ নজৰুল হক মজাৰভ-হাইলাকান্দি

২৭। মুছলিম উদ্দিন বৰলস্কৰ-কাছাৰ

২৮। এচ, এ, মজুমদাৰ, মেম্বাৰ-চেক্ৰেটাৰী

ডাঃ অদ্ধেন্দু কুমাৰ দেঃ স্যার, মন্ত্রী মহোদয় দয়া করে জানাবেন কি যে হজ কমিটিয়ে যে সব মেম্বার রয়েছে তারা কোন হাজী উপাধী পেয়েছেন কি না?

অধ্যক্ষ ঃ নট নেসেসাৰী'

## ৰিষয় ঃ প্ৰপীড়িত লোকক পুণৰ সংস্থাপন।

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে

*১৭৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ডিব্ৰুগড় মহকুমাৰ অন্তৰ্গত কিমান জন যোৱা বছৰৰ বানত বান প্ৰপীড়িত লোকক পুণৰ সংস্থাপন দিয়া হ'ল।

(খ) তেওঁলোকৰ সকলোৰে প্ৰকৃততে বান প্ৰপীড়িত লোক হয়নে?

(গ) বান প্ৰপীড়িত লোকসকলৰ তালিকা কোনে প্ৰস্তুত কৰিছিল আৰু চিনাক্ত কৰণৰ প্ৰমান পত্ৰ কোনে দিছিল?

(ঘ) সংস্থাপন পোৱা লোকসকল কোন কোন সম্প্ৰদায়ৰ

( তেওঁলোকৰ তালিকা আৰু ঠিকনা সদনৰ মেজত দিব )

শ্ৰীচন্দ্ৰ আৰানধৰা ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

এই সম্পৰ্কত ডিব্ৰুগড় জিলাৰ উপায়ুক্তৰ পৰা তথ্য বিচৰা হৈছে। এতিয়ালৈকে তথ্য পোৱা হোৱা নাই। পিচত জনাব পৰা হব।

শ্ৰীচন্দ্ৰ আৰক্কৰা ( ৰাজহ মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, 'ক' প্ৰশ্নৰ উত্তৰ হৈছে ঃ বিয়াল্লিশটা পৰিয়ালক এবিঘাকৈ মাটি আৰু টকা এহেজাৰকৈ পুনৰ সংস্থাপন মঞ্জুৰী দি পুনৰ সংস্থাগন দিয়া দিয়া হৈছে। 'খ' হয়। 'গ' ৰাজহ বিভাগৰ লাটমণ্ডল প্ৰমুখ্যে কৰ্ম্মচাৰীসকলে আৰু সংশ্লিষ্ট চক্ৰ বিষয়া সকলে স্থানীয় গাওঁ-বুঢ়াৰ লগত তদন্ত কৰি তালিকা প্ৰস্তুত কৰিছিল। এইদৰে তালিকা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত কোনো প্ৰমাণ পত্ৰ লব নালাগে। 'ঘ' সবিশেষ তথ্য পিচত উত্থাপন কৰা হব।

শ্ৰীকিৰণ কুমাৰ গগৈ ঃ অধ্যক্ষ মহোদয়, ঘৰ-দুৱাৰ বান্ধিবলৈ এহাজাৰ টকা দিয়া বুলি মন্ত্ৰী মহোদয়ে উত্তৰ কৈছে কিন্তু কি ধৰণে দিয়া হৈছে অনুসন্ধান কৰিবনে? অন্য বিলাক মহকুমাত অনুষ্ঠানিক ভাবে দিয়া হয় কিন্তু এই ক্ষেত্ৰতে মনে মনে দিয়া হৈছে কাৰণে অসুবিধা হৈছে। দ্বিতীয় কথা হৈছে যি মহকুমা উপদেষ্টা বোৰ্ড আছে সেই বোৰ্ডৰ অনুমোদন জনাব লাগে নে নালাগে সেইটো জানিব বিচাৰিছে।

শ্ৰীচন্দ্ৰ আৰান্ধৰা (ৰাজহ মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ পৰা সাহায্য দিয়াৰ যি নিৰ্দ্ধাৰিত পন্থা চলি আছে সেই মতে দিয়া হৈছে। পুনৰ সংস্থাপনৰ ক্ষেত্ৰত ভূমি উপদেষ্টা সমিতিৰ লগত আলোচনা কৰাৰ কোনো কথা নাই।

শ্ৰীকুসুম্বৰ টাইৰাই গগৈঃ অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো বানপানীত ক্ষতিগ্ৰস্ত লোকক কি প্ৰক্ৰিয়াৰে পুনৰ সংস্থাপন সাহায্য দিয়া হয়?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (ৰাজহ মন্ত্ৰী) অধ্যক্ষ মহোদয়, আমাৰ সাহায্য আৰু পুনৰ সংস্থাপনৰ যিটো নীতি আছে সেই অনুসৰি দিয়া হয়।

শ্ৰীকিৰণ কুমাৰ গগৈঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে তালিকা গাওঁবুঢ়া আৰু লাট-মণ্ডল সকলৰ তদন্ত ক্ৰমে কৰা হয়। কিন্তু মই জানিব বিচাৰিছো লাট মণ্ডলৰ তদন্তই প্ৰকৃত তদন্ত হয় নে? এই যে বিয়াল্লিশটা পৰিয়ালক দিয়া হৈছে বুলি মন্ত্ৰী মহোদয়ে কৈছে সেই ক্ষেত্ৰত বিধায়ক সকলৰ পৰাও জানিব লাগে প্ৰকৃত বানপানীত ক্ষতিগ্ৰস্ত হয় নে নহয় কিয়নে কিছুমান তালিকা আমি মুখ্যমন্ত্ৰী বা ৰাজহমন্ত্ৰীৰ ওচৰত দাখিল কৰিছিলো আৰু সেই বিলাক উপায়ুক্তৰ লগত আলোচনাৰ কাৰণে পঠাইছিল সেই তালিকাত দিয়া সকলৰ নাম এই তালিকাত নাই। সেই তালিকাখন কিয় এপ্ৰোভ কৰা হোৱা নাই, কিয় কাৰ্য্যকৰী কৰা হোৱা নাই আৰু অন্যান্য সংগঠনৰ পৰা দিয়া তালিকা কাৰ্য্যকৰী কৰা হৈছে কিয় এইটো জনাব লাগে।

শ্ৰীচন্দ্ৰ আৰান্ধৰা (ৰাজহ মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো অভিযোগ উত্থাপন কৰিছে সেই সম্পৰ্কে আমি চাম।

শ্ৰীৰামেশ্বৰ ধানোৱাৰঃ অধ্যক্ষ মহোদয়, বানপীড়িত লোক সকলক এক দুই বিঘা যি মাটি দিয়া বুলি কৈছে সেইটো ক্ষেত্ৰত সেই মাটিৰ বেদখলকাৰী সকলক উচ্ছেদ নকৰাকৈ মাটি দিয়া কথাটো সত্যনে?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (ৰাজহমন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন উত্থাপন কৰিছে এই সম্পৰ্কে বেলেগ প্ৰশ্নৰ জাননী দিব লাগিব।

শ্ৰীমোক্তাব হুচেইনঃ মাননীয় সদস্য কিৰণ কুমাৰ গগৈ ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত চাম বুলি কৈছে এইটো আচলতে তদন্ত কৰি ব্যৱস্থা লব লাগে যে মণ্ডল আৰু লাটমণ্ডল সকলে তৈয়াৰ কৰা তালিকাখন যাতে স্থানীয় বিধায়কৰ দ্বাৰা কাউণ্টাৰ-চাইন কৰাব পৰা হয়।

শ্ৰীচন্দ্ৰ আৰান্ধৰা (ৰাজহ মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, যিটো ব্যৱস্থাৰ কথা কৈছে সেইটো আমাৰ প্ৰশাসনীয় ব্যৱস্থাত সন্নিবিষ্ট হৈ থকা নাই। আমাৰ উপায়ুক্ত বা

কলেক্টৰ জনক বিশ্বাসত লৈ তেওঁৰ তলতীয়া কৰ্ম্মচাৰীজনে দিয়া ৰিপোৰ্টটো বিশ্বাসত লব লাগিব। কিন্তু এইটো আশ্বাস দিব পাৰো যে যদি এই বিষয়ত কিবা আসোঁৱাহ থাকে সেই সম্পৰ্কে জনালে মই নিশ্চয় চাম।

শ্ৰীভবেন ভৰালী : যি বিলাক প্ৰস্তুত হোৱা নাই সেই বিলাক ৰিলিফ কমিটিত দিলে হয়। সেইটো ব্যৱস্থা কৰিব নেকি?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (ৰাজহ মন্ত্ৰী): অধ্যক্ষ মহোদয়, মই আগেয়েও কৈছো যে লেণ্ড এডভাইচাৰি কমিটিৰ কাম হৈছে চৰকাৰী মাটি অন্যান্য অনুষ্ঠান প্ৰতিষ্ঠান আদিক দিয়াৰ ক্ষেত্ৰতহে কিন্তু বানপানীৰ কাৰণে সাহায্য দিয়াৰ ক্ষেত্ৰত ৰিলিফ কমিটিহে আছে।

শ্ৰীভবেন ভৰালী : অধ্যক্ষ মহোদয়, এই সদনতে যিহেতু নিয়ম হয় গতিকে এতিয়াপৰা এই নিয়ম কৰিব পাৰি নেকি?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে এতিয়া কৈছে যদিও এই কথা বিলাক লিখিত ভাবে মোলৈ আগবঢ়োৱা নাই। কোনো আপত্তি দৰ্শোৱা নাই।

শ্ৰীমোক্তাব হুচেইন : অধ্যক্ষ মহোদয়, সদনত এইটো আপত্তি কৰা হৈছে যে পুনৰ সংস্থাপনৰ তালিকাখন মহকুমা ৰিলিফ কমিটিত এপ্ৰোভকৰি লৈ কিয় দিব নোৱাৰে? ইমান সহজ কাম এটা কিয় দিব নোৱাৰে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ৰিলিক কমিটি পুনৰ সংস্থাপন কমিটি নহয়।

Shri Chandra Arandhara ( Minister ): That Committee is formed a for specific purpose to provide relief to the affected people.

শ্ৰীকিৰণ কুমাৰ গগৈ : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে এচ-ডি-চি আৰু অন্যান্য বিষয়া সকলক বিশ্বাস কৰে কিন্তু আমাৰ প্ৰশ্ন হৈছে বিধায়ক সকলক বিশ্বাস নকৰে নেকি?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (ৰাজহ মন্ত্ৰী ): অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত বিশ্বাস নকৰো এই কথাটো কেতিয়াও বুজুৱা নাই।

Shri A.F. Goolam Osmani : I want to point out the efficacy of the system. Where the Minister finds objection if the list prepared by the Mandal and Gaonburahs is

checked by the M.L.A. concerned? Rather it is a double safety if the popular representative of the area concerned is involved in the matter without vouchsafing the cent percent honesty of the lower ranking staff of the Department. If thh suggestion is accepted there will not be any harm, rather will benefit the people. Whether the Minister will accept the suggestion which is the consensus of the House?

Shri Chandra Arandhara, ( Minsster ): I believe that the M.L.A. s, the popular representatives, for the interest of the people if they approach the Deputy Commissioners and put forward their suggestions he will accept them.

ডঃ অৰ্দ্ধেন্দু কুমাৰ দে: অধ্যক্ষ মহোদয়, আমি কিয় যাম জিলাপ্ৰশাসনৰ ওচৰলৈ

শ্ৰীদেবেশ্বৰ বৰা: অধ্যক্ষ মহোদয়, বিষয়টো সকলো মাননীয় সদস্যই কৈছে গতিকে এই বানপানীত সাহায্য দিয়া বিষয়টো অনুসন্ধান কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু বিধায়ক সকলক আস্থাত লব লাগে। ডি-চিৰ ৰিপোৰ্ট দিয়াৰ পিচত আমাৰ বিধায়কৰ যদি কিবা ৰিপোৰ্ট পায় সেইটোও মিছা নহয় কিন্তু কথা হ'ল গোটেই বস্তুটো ঠিক মতে প্ৰস্তুত কৰিব লাগে।

শ্ৰীচন্দ্ৰ আৰান্ধৰা ( ৰাজহ মন্ত্ৰী ): অধ্যক্ষ মহোদয় ৰাজহুৱা স্বাৰ্থতে নিশ্চয় মাননীয় সদস্য সকলে কথাখিনি কৈছে। সেই সম্পৰ্কে আমি বিবেচনা কৰি চাম।

শ্ৰীভবেন নাৰ্জি: অধ্যক্ষ মহোদয়, চৰকাৰে চৰকাৰী বিষয়াকো বিশ্বাস কৰে আৰু বিধায়ককো বিশ্বাস কৰে নকৰে এইটো দোমোজাৰ মাজত এটা কথা কব বিচাৰিছো। কামৰূপ জিলাত ভূমিহীনক মাটি দিয়াৰ তালিকাত মণ্ডল আৰু এচ-ডি-চিয়ে চেত্ৰী মানুহৰ নামো আই-টি-ডি-পিলৈ পঠাইছিল। মই আকৌ তাৰে চেয়াৰমেন। কথা হ'ল যদি মণ্ডল কাননগুৱে চেক কৰিলে আৰু তাৰ পিচত এচ-ডি-চিয়ে চেক কৰিলে, ডি-চিয়েও চেক কৰিলে তাৰ পিচত আকৌ এই নাম কেনেকৈ সোমাল সেইটোহে কথা।

শ্ৰীচন্দ্ৰ আৰান্ধৰা ( ৰাজহ মন্ত্ৰী ): অধ্যক্ষ মহোদয়, মাননীয় সদস্য কেইবা গৰাকীয়েও কৈছে যেতিয়া এইটো সম্পৰ্কে আমি বিবেচনা কৰিম।

## বিষয়: কাৰ্ঢ়ি আৰু গৰ্জন বিলৰ চৰকাৰী মাটি।

শ্ৰীকামাখ্যাচৰণ চৌধুৰীয়ে সুধিছে:

*১৭৪ মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ?

(ক) হাজো সমষ্টিৰ হাজো মৌজাত কড়ি আৰু গৰ্জন বিলত কিমান বিঘা চৰকাৰী মাটি আছে ?

(খ) উক্ত বিলৰ কিমান বিঘা মাটি মীন পালনৰ বাবে অনুপযোগী ?

(গ) উক্ত বিলৰ মাটি বেদখলকাৰীৰ কবলত থকাটো সচানে ?

(ঘ) যদি সঁচা হয়, তেন্তে বেদখলমুক্ত কৰি নিকটবৰ্ত্তী অনুসুচীত জাতিৰ মাছমৰীয়া সকলৰ কৃষিৰ বাবে সংস্থাপন কৰাৰ ব্যৱস্থা লবনে ?

শ্ৰীচন্দ্ৰ আৰাংধৰা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে

(ক) হাজো সমষ্টিৰ হাজো হীৰাজনি গাৱৰ কোৰিজনি বিলৰ চৰকাৰী ১নং দাগে ১৬৯ বিঘা ২ কঠা ৩ লেচা আৰু ৪৫ নং দাগে ১২ বিঘা ৪ লেচা মুঠ ১৮৯ বিঘা ২ কঠা ৭ লেচা মাটি আছে। আনহাতে গৰ্জন বিলৰ মুঠ চৰকাৰী ৪৬৫১ বিঘা ১০ লেচা মাটি আছে।

(খ) উক্ত কোৰিজান বিলৰ সমূদায় মাটি গৰ্জন বিলৰ ২৬৬০ বিঘা ৪ কঠা মাটি পলশ পৰি মীন পালনৰ অনুপযোগী হৈছে আৰু খেতিৰ উপযোগী হৈছে।

(গ) উক্ত খেতিৰ উপযোগী হোৱা বিলৰ মাটিত বেদখলকাৰী সকলে খেতি বাতি কৰি বেদখল কৰিছে। বাকী গৰ্জন বিলৰ পানী থকা মীন পালনৰ উপযোগী ১৯৯০ বিঘা ১কঠা ১০ লেচা মাটি আছে।

(ঘ) উক্ত মাটি বেদখলমুক্ত কৰিবৰ বাবে উপায়ুক্তই উপপ্ৰতি সমাহৰ্ত্তাৰ পৰা বেদখলী প্ৰতিবেদন বিচাৰিছে আৰু প্ৰতিবেদন পালেই উচ্ছেদৰ বাৱস্থা লোৱা হব। নিকটবৰ্ত্তী অনুসুচীত জাতিৰ মাছমৰীয়া সকলৰ ভিতৰত যদি খেতিৰ মাটিহীন পৰিয়াল সকলে মাটি পট্ৰনৰ বাবে দৰ্খাস্ত কৰে, তেনেহলে চৰকাৰৰ চলিত ভূমিনীতিমতে অনুসন্ধান কৰি মাটিৰ পট্ৰন সম্পৰ্কে বিহিত ব্যৱস্থা হাতত লোৱা হব।

শ্ৰীকামাখ্যা চৰণ চৌধুৰী : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনেকি যে এই বেদখলকাৰী সকলৰ কেতিয়া বেদখল উচ্ছেদ কৰিবলৈ ব্যৱস্থা লৈছে।

শ্ৰীচন্দ্ৰ আৰাদ্ধৰা (মন্ত্ৰী) : মই প্ৰশ্নোত্তৰত কৈ গৈছো যে উপায়ুক্তৰ পৰা এচ,দি,চিসকলক সেই সম্পৰ্কত নিৰ্দ্দেশ দিছে আৰু সদনে জানে যে মাৰ্চৰ ৯ তাৰিখলৈ মণ্ডল, কনানগুসকলে আন্দোলন কৰি আছিল। গতিকে সেইখিনি তদন্ত কৰি সোনকালে বেদখল মুক্ত কৰা হব।

শ্ৰীকামাখ্যা চৰণ চৌধুৰী : এইটো বেদখল আজি হোৱা নাই। গণ পৰিষদ চৰকাৰৰ দিনত এই কথাটোৰ প্ৰশ্ন উঠা নাই। বহু দিন ধৰি বেদখল হৈ আছে।

সেই বেদখলকাৰীসকল উচ্ছেদ কৰি খেতি কৰিবৰ কাৰণে উপযুক্ত মাটিত সেই অঞ্চলৰ মাছমৰীয়া বা ভূমিহীন লোকক দিয়াৰ ব্যৱস্থা কৰা নাই। গতিকে কেতিয়া এই উচ্ছেদ কৰিবৰ কাৰণে ব্যৱস্থা লব ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী) : এই কথাটো আমি উপলব্ধি কৰিছো। কাৰণ যিসকল মাছমৰীয়া লোক আছে তেওঁলোকৰ বাবে সংবিধানিক সা-সুবিধা দিয়া আছে। মাটি দিবৰ কাৰণে যিমান সোনকালে পৰা যায় মই ব্যক্তিগত ভাৱে ব্যৱস্থা লম।

শ্ৰীকামাখ্যা চৰণ চৌধুৰী : গৰ্জন বিলৰ মাটি কিছু পানী হৈ আছে। ১ হাজাৰ ৯৯০ বিঘা মাটিত ফিছাৰী কৰপৰেচনে মাছৰ ব্যৱসায় নকৰি অন্যান্য খেতি কৰাৰ ব্যৱস্থা কৰিছে। এই মাছমৰীয়া মানুহখিনিৰ সংস্থাপনৰ ব্যৱস্থা হোৱা নাই। গতিকে সেইসকলক মাটি দিয়াৰ ব্যৱস্থা কৰিব পাৰি নে নোৱাৰি ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী) : ফিছাৰী কৰপৰেচনে মাটিখিনি লৈ মাছমৰীয়া খিনিক নিগমে মৰাৰ ব্যৱস্থা কৰিছে যদি এই সম্পৰ্কত মাটিখিনি চৰকাৰে আনি মাছমৰীয়া সকলক দিব পৰা যায়নেকি চোৱা হব।

ডাঃ কমলা কলিতা : প্ৰশ্নটোত বেদখল মুক্ত কৰা কথা আছে। কামৰূপ জিলাৰ বহুতো বিল আৰু ৰিজাৰ্ভত বহুতো বেদখল কেচ উচ্ছেদৰ কাৰণে উপ প্ৰতিসমাহৰ্ত্তাৰ পৰা প্ৰস্তাৱ আহিছে, কিন্তু যোৱা তিনি মাহ ধৰি কামৰূপ জিলাত কোনো এটা বেদখল মুক্ত কৰিবৰ ব্যৱস্থা লোৱা হোৱা নাই। মন্ত্ৰী গৰাকীয়ে এই সম্পৰ্কত ব্যৱস্থা লবনে !

শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী) : প্ৰশ্নটোত হোজা সমষ্টিৰ কথা আছিল। শ্ৰীকলিতাই গোটেই জিলাখন সাঙুৰিছে। এই সম্পৰ্কত আলোচনা কৰি চাম।

Stared Question No. 175 was not Colled for.
However, written answers deemed to have
been laid on the table as follows :

**Subject : Construction of Border Road.**

Shri Mosiruddin Sheikh : asked :

*175 Will the Minister, Implementation of Assam Accord be pleased to state :

(a) At what distance from the Zero point of the Indo-Bangladesh Border, the Govt. proposed to construct the Border Road ?

(b) Is it a fact that the P.W.D (Border) is constructing the road about 400 metres inside the India from Zero point in Binnachara area of Dhubri Division ?

(c) If so what was cause ?

Shri Zoii Nath Sharma, (Minister, Implementation of Assam Accord) replied :

(a) At a distance not less then 150 Yards.

(b) Yes.

(c) Because of non feasibility on technical ground.

**Sub : Number of Sufferers during the Assam Agitation.**

Shri Naren Tanti asked :

*176 Will the Minister, Implementation of Assam Accord be pleased to state :-

a) The number of sufferers during the Assam Agitation ?

b) Whether they were suitably rehabilated ?

c) The number of suffered youths that are not yet provided with any employment ?

(Districtwise breakup suffered youths may be furnished)

Shri Zoii Nath Sharma, (Minister Implementation of Assam Accord) replied :

a)
b) The replies being lengthy these are placed in the Assembly's Table.
c)

(a) The number of sufferers during the Assam agitation categoriwise are :-

i) Martyrs .......................... 820 Nos.

ii) Injured/imprisoned ......... 4707 Nos.

iii) Killed .......................... 3651 Nos.

iv) Missing .......................... 453 Nos.

v) Invalidated .................. 4 Nos.

vi) Molested women ........... 18 Nos.

vii) Persons whose house/ property damaged ........... 55,572 Nos.

viii) Injured persons to whom. financial assistnce sanctioned for medical treatment outside Assam ...120 Nos.

(b) Ex-gratia financial grant/ Rehabilitation grants have been sanctioned to the next of kin of martyrs/killed/missing person, injured/ imprisoned /invalidated /molested women/ persons whose house/property damaged and financial sanction for medical treatment are :

i) Martyrs ..............Rs. 30,000/-each.

ii) Injured/imprisoned.................Rs. 1000/-to Rs. 5000-each

iii) Killed ............................. Rs. 5000/- each.

iv) Missing ............................ Rs. 5000/- eaeh.

v) Invalidated ....................... Rs. 10,000/- each.

vi) M lested women ............. Rs. 5000/- each.

vii) Person whose house/ property damaged ............ Rs. 2500/- to Rs. 5000/-each.

viii) Financial assistance for medical treatment outside State. ................ Total Rs. 14,29,368/-

(c) All Administrative Deptt./Heads of Deptt./ D.C's were requested from time to time to give preferential Treatment within the relevant rules in respect of appointment to the youths who suffered in connection with the Assam agitation. Besides, individual applications reeived from

such youths have also been forwarded from time to time to the concerned Departments for taking necessary action. The information with regard to the number of such youths so far appointed by various Deptts. is however not available off hand.

Districtwise breakup of persons including suffered youths are :

| | | | |
|---|---|---|---|
| 1) | Kamrup | — | 565 Nos. |
| 2) | Barpeta | — | 306 Nos. |
| 3) | Nalbari | — | 309 Nos. |
| | ( after bifurcation ) | | |
| 4) | Sibsager | — | 49 Nos. |
| 5) | Jorhat | — | 207 Nos. |
| 6) | Dibrugarh | — | 237 Nos. |
| 7) | Lakhimpur | — | 1158 Nos. |
| 8) | Goalpara | — | 121 Nos. |
| 9) | Karbi-Anglong | — | 45 Nos. |
| 10) | Darrang | — | 149 Nos. |
| 11) | Sonitpur | — | 576 Nos, |
| 12) | Nagaon | — | 931 Nos. |
| 13) | Kokrajhar | — | 37 Nos. |
| 14) | Dhubri | — | 17 Nos. |

শ্ৰীনৰেণ তাতী ঃ এইটো গুৰুত্বপূৰ্ণ প্ৰশ্ন। প্ৰশ্ন হল চাফাৰৰ কোনে চাৰ্টিফেকেট দিব আৰু দ্বিতীয় প্ৰশ্ন হল কি বেচিচত এই চাৰ্টিফিকেট দিব ?

শ্ৰীজয় নাথ শৰ্ম্মা ( মন্ত্ৰী ) ঃ নিৰ্য্যাতিত চাৰ্টিফিকেট দিয়াৰ ব্যৱস্থা কৰিবৰ কাৰণে জিলাৰ উপায়ুক্ত আৰু মহকুমাধিপতিক কতৃত্ব দিয়া হৈছে। কিন্তু সদৌ অসম ছাত্ৰ সন্থাই যিবিলাক লোকৰ নাম ইতিমধ্যে আমাক দিছে সেই সকলৰ ওপৰত ভিত্তি কৰি সেই তালিকাত অনুমোদন দিছো।

শ্ৰীনৰেণ তাতী ঃ যিটো উত্তৰ দিছে সেইটো গণ্ডগোলীয়া। প্ৰথম কথা হল

জিলা প্ৰশাসনে কোন চাফাৰৰ নাজানিব পাৰে কিন্তু সামাজিকভাৱে ছাত্ৰসন্থাৰ গাত দায়িত্ব আছে। গতিকে জিলা প্ৰশাসনৰ গাত গোটেই দায়িত্ব জাপি দিলে ভাল কাম কৰা নহবনেকি ? বৰ্ত্তমানৰ কৰ্ম্মীসকলে নিৰ্য্যাতিত সকলক নিচিনে। কাৰণ সেই সময়ৰ ছাত্ৰ সন্থাৰ বেছিভাগ এতিয়া মন্ত্ৰী, বিধায়ক। গতিকে আঞ্চলিক ছাত্ৰ সন্থাই চিনি নাপায় কিন্তু চাৰ্টিফিকেট লিখি আছে। এই চাৰ্টিফিকেট মতে কাম কৰিলে মুক্তি যুজাৰুৰ নিচিনা হব। প্ৰকৃত চাফাৰাৰ সকলে চাৰ্টিফিকেট পাব লাগে। এই সম্পৰ্কত চুক্তি মন্ত্ৰীয়ে মডেলিটি বনাই লবনেকি ?

শ্ৰীজয়নাথ শৰ্ম্মা ( মন্ত্ৰী ): আন্দোলনত নিৰ্য্যাতিত লোকক বিধায়ক সকলে চাৰ্টিফিকেট দিয়া ব্যৱস্থা যদি ৰাখিব পৰা যায় তেন্তে ভাল হলেহেতেন। এবাৰ বিধায়কসকলক চাৰ্টিফিকেট দিবলৈ দিয়া যায় তেনেহলে মুক্তি যুজাৰুক যি ধৰণে চাৰ্টিফিকেট দি আছে তেনে ধৰণৰ চাৰ্টিফিকেট দিয়াৰ ধাৰাবাহিক ব্যৱস্থা হৈ যাব। গতিকে এই চাৰ্টিফিকেট দিয়া সময়ত আচু বা অন্য সংগঠনে নিৰ্য্যাতিত চাৰ্টি-ফিকেট শ্বহীদ বুলি দিছে। প্ৰশাসনিকভাৱে নিৰ্য্যাতিত হয় নে নহয়চ চৰকাৰীভাৱে ৰেকৰ্ড পৰীক্ষা কৰি চাব পৰা ব্যৱস্থা হলে ভাল হব।

শ্ৰীদেবেশ্বৰ বৰা: মাননীয় অধ্যক্ষ মহোদয়, অসম আন্দোলনৰ সময়ত যি সকল নিৰ্জাতিত হৈছিল সেই সকলক নিযুক্তি দিয়াৰ কাৰণে কিবা একজিকিউটিভ চাবকুলাৰ আছেনেকি ? যি সকলে চাফাৰ কৰিছিল সেই সকলক নিযুক্তি দিয়াৰ বাবে কিবা বিশেষ ব্যৱস্থা কৰিবনে ?

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়,নিৰ্জাতিত সকলৰ নিকটৱৰ্ত্তী সকলক অগ্ৰাধিকাৰ ভিত্তিত নিযুক্তি দি অহা হৈছে। তেনেকুৱা এখন চাৰকুলাৰ আছে। কিন্তু যি সকলে এতিয়াও নিযুক্তি পোৱা নাই সেই সকলক বিবেচনা কৰিবৰ কাৰণে এটা সিদ্ধান্ত এতিয়াও মন্ত্ৰী সভাৰ বিবেচনাধীন হৈ আছে।

## Re : Publication of Republic Day Programme.

Shri Binai Khungur Basumatary asked :

* 177 Will the Chief Minister be pleased to state :

(a) Whether it is a fact that the Independence and Republic Day Programmes are printed and published in Assamese

language by the local administration in Kokrajhar Dist, and in Udalguri Sub-Division ?

(b) If so, does it not violate the provisions of Assam official language act, because Bodo language is also the official language in these areas ?

(c) If so, what are the remedial steps proposed by the Government ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মূখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) ভাষা আইনৰ উলঙ্ঘা নহয়, কিয়নো সেই কাৰ্য্যসূচী উক্ত অঞ্চলৰ সহযোগী চৰকাৰী ভাষা বড়ো ভাষাতো ঘোষণা কৰা হয়।

(গ) প্ৰশ্ন নুঠে।

Shri Binai Khunguri Basumatari : Mr Speaker, Sir will the Chief Minister enquire, if I substantiate that his reply under Q.177 (b) is not correct ? Will he take measures to conduct an enquiry, if I substantiate against this reply ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মূখ্যমন্ত্ৰী ) : মই উত্তৰত কৈছোয়েই যে কাৰ্য্যসূচীত অসমীয়া লগতে বড়ো ভাষাকো সহযোগী ভাষা হিচাবে ঘোষণা কৰা হৈছে।

Shri Binai Khungur Basumatari : No, Sir, it is not correct. If I submit and substantiate that it is not true, will he consider to take necessary steps to rectify it ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : এই সম্পৰ্কত মাননীয় সদস্য গৰাকীয়ে কিবা ভাবিলে স্পষ্ট ভাবে দিলে আমি পৰীক্ষা কৰি চাব পাৰো।

## বিষয় : ৰাজ্যিক লটাৰীৰ আয়।

শ্ৰীগোপী নাথ দাসে সুধিছে :

*১৭৮ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনৰ বছৰ দুটাত অসম ৰাজ্যিক লটাৰীৰ পৰা চৰকাৰে মুঠ কিমান টকা লাভ কৰিছে ?

(খ) মুঠলাভৰ টকাখিনি চৰকাৰে অসমৰ কোন কোন জিলাত আৰু কি কি কামৰ বাবে খৰছ কৰিছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ১৯৮৬-৮৭—৬৭,৫১,৩৭৯'০০ টকা

১৯৮৭-৮৮—৫১,২২,১১২'০০ টকা

মুঠঃ১,১৮,৭৩,৪৯১'০০লাভ হৈছে।

(খ) জিলা ভিত্তিত কোনো টকা খৰছ কৰা নহয়। চৰকাৰে উক্ত লাভৰ টকা অসমৰ বিভিন্ন শিক্ষানুষ্ঠান, সাংস্কৃতিক অনুষ্ঠান আদিৰ উন্নতিৰ কাৰনে খৰছ কৰা হয়

শ্ৰীগোপীনাথ দাস : মানীয় অধ্যক্ষ মহোদয়, মোৰ (খ) প্ৰশ্নত দিয়া হৈছে যে কোন কোন জিলাত আৰু কি কি কামৰ ৰাবে খৰচ কৰিছে ? মোৰ প্ৰশ্নটো স্পষ্ট আছিল যে কোন কোন জিলাত আৰু কি কি কামৰ কৰেণে খৰচ কৰা হৈছে। তেখেতৰ উত্তৰত কোন কোন জিলাত দিয়া হৈছে সেইটো কোৱা হোৱা নাই। সেই কাৰণে মুখ্য মন্ত্ৰী মহোদয়ে কোন কোন জিলাত কি কি কামৰ কাৰণে দিয়া হৈছে এই সম্পৰ্কত এখন প্ৰতিবেদন এই অধিবেশনতে দাখিল কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মই কৈছোয়েই যে জিলা ভিত্তিত টকা খৰচ কৰা নহয়। যি বিলাক অনুষ্ঠানে বিচাৰিছে সেই বিলাকক অনুষ্ঠানক সেই অনুপাতে টকা দিয়া হৈছে।

শ্ৰীগোপীনাথ দাস : মাননীয় অধ্যক্ষ মহোদয়, কোন কোন অনুষ্ঠানক দিয়া হৈছে তাৰ যিহেতুকে তালিকা আছেই সেই মতে কোন কোন জিলাত দিয়া হৈছে সেইটো বাহিৰ কৰিবলৈ বিশেষ একো টান নহব। গতিকে পিচত হলেও কোন কোন জিলাত কিমান পৰিমানে দিয়া হৈছে তাৰ এটা প্ৰতিবেদন দাঙি ধৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : কোন কোন অনুষ্ঠানক দিয়া হৈছে তাৰ তালিকা সদনত দিয়া হৈছে। জিলা হিচাবে টকা কোনো অনুষ্ঠানকে দিয়া হোৱা নাই।

শ্ৰীগোলোক ৰাজবংশী : মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে একেখন কীৰ্ত্তন পুথিকে এবাৰ সত্ৰসংঘ অনুষ্ঠান আৰু এবাৰ এখন হাইস্কুলৰ এজন প্ৰধান শিক্ষকক দিয়া হৈছেনেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : আমি এই খিনি ইংৰাজী কৰিবলৈ দিছো।

শ্ৰীগোলোক ৰাজবংশী : গতিকে মই জানিব বিচৰিছো যে এখন কীৰ্ত্তন পুথিকে এঠাইত এক লাখ আৰু এঠাইত ২০ হাজাৰ কেনেকৈ হল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : (মুখ্যমন্ত্ৰী) এইটো চাইহে কব পৰা হব।

শ্ৰীগোলোক ৰাজবংশী : ৪১ত আছে লামকটীয়া হাইস্কুল

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) আপুনি ১৯৮৭-৮৮ চনৰ তালিকাৰ পৰা কৈছেনেকি ?

Sub : Construction of Multistoried building

Shri Ardhendu Kumar Dey, asked :

179 Will the Minister, Municipal Administration be pleased to state :

a) Whether it is a fact that Government has proposed to construct a Multistoried building in the recent devastating fire affected area at Fancy Bazar Guwahati ?

(b) If so, whether Government has any proposal for construction of such a multistoried building at Machkhowa Bazar area of Guwahati'.

Shri Sahidul Alam Cooudhury. Minister, Municipal Administration ) replied ;

a) & b) Guwahati Municipal Corporation has proposed to construct a multistoryed building for market complex at the same place where Fancy Bazar market (since devastated by fire ) funetioned, but not at Machkowa.

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : স্যাৰ, মন্ত্ৰী মহোদয় উত্তৰে বলেছেন যে মাছখোয়াতে মাল্টি ষ্টৰীড্ মাৰ্কেট বিল্ডিঙ বানানোৰ কোন প্ৰস্তাৱ নেই। আমি মন্ত্ৰী মহোদয়েৰ নিকট থেকে জানতে চাই ফেন্সী বাজাৰে যে মাল্টি ষ্টৰীড বিল্ডিং ( মাৰ্কেট ) তৈৰী হবে সেখানে যাদেৰ দোকান আগুণে জ্বলেছে তাদেৰে দোকান দেবাৰ ব্যৱস্থা কৰা হবে কি না ?

শ্ৰীশ্বহিদুল আলম চৌধুৰী (মন্ত্ৰী) : অগ্ৰাধিকাৰ দিয়া হব।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় বলেছেন যে মাছখোয়াতে কোন মাল্টি ষ্টৰীড্ বিল্ডিং বানানোৰ প্ৰস্তাৱ সৰকাৰেৰ নেই। কিন্তু সৰকাৰেৰ তৰফ থেকে ওখানে মাল্টি ষ্টৰীড বিল্ডিং বানানোৰ জন্য কোন টাকা সংগ্ৰহ কৰা হয়েছিল কি ? যদি হয়ে থাকে তাহলে কেন মাৰ্কেট বিল্ডিং বানানো হবে না ?

শ্ৰীশ্বহিদুল আলম চৌধুৰী : (মন্ত্ৰী) এই সম্পৰ্কত ব্যৱস্থা লোৱা হৈ আছে।

শ্ৰীবিৰাজ কুমাৰ শৰ্মা ঃ ফাচি বজাৰৰ দোকান বিলাক জলি যোৱাৰ পিচত তাৰ যি বিলাক দোকানি ক্ষতিগ্ৰস্থ হল সেই বিলাকক পুনৰ সংস্থাপনৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে।

শ্ৰীখ্বহিদুল আলম চৌধুৰী মন্ত্ৰী : এই সকলক পুনৰ সংস্থাপন কৰিবৰ কাৰণে ব্যৱস্থা লোৱা হৈ আছে।

Stared Question No. 180 was not Called for However. the written answers deemed to have been laid on the table as follows

**Sub : Appeai and other cases pending in the Gauhati High Court for more than 3 years**

Shri Abdul Muqtadir Choudhury, asked :

* 180 Will the Minister, Law be pleased to state :

(a) Number of appeal and other cases pending before the Hon'ble High Court of Assam for more than 3 ( three ) years ?

(b) How many posts of Judges are lying vacant in he High Court of Assam, Meghalaya etc. and since when these are lying vacant at present ?

Shri S.N. Medhi, ( Minister, Law & Judicial ) replied :

(a) 1869 appeals and 4062 other cases numbering together 5931 cases are pending in the High Court for more than 3 ( three ) years as on 31.12.88

(b) One post of Hon'ble Judge is lying vacant in the High Court with effect from 1.2.89.

## UNSTARRED QUESTIONS AND ANSWERS.

### বিষয় ঃ লেংটিচিঙা মেবেৰ চ'ৰ মাথাউৰি।

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে

২২৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) উত্তৰ শালমাৰা মহকুমা লেংটিচিঙা মেবেৰ চৰ মথাউৰিটো বন্ধাৰ বাবে

১৯৭৯-৮০ চনত কোন কোন মানুহৰ পৰা কিমান বিঘা মাটি অধিগ্ৰহণ কৰিছিল ?

(খ) উক্ত অধিগ্ৰহণ কৰা মাটিৰ তথ্য পাতিবোৰ বান নিয়ন্ত্ৰণ বিভাগক দিয়া হৈছিলনে ?

(গ) যদি দিয়া হৈছিল কোন তাৰিখৰ কিমান মেমো নম্বৰ অনুসৰি দিয়া হৈছিল ?

(ঘ) উক্ত অধিগ্ৰহণ কৰা মাটিৰ মূল্য কিমানকৈ নিৰ্দ্ধাৰণ কৰা হৈছিল ?

শ্ৰীচন্দ্ৰ আৱানধৰা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে

(ক) ১৯৭৯-৮০ চনত উত্তৰ শালমাৰা মহকুমাৰ লেংটিচিঙা মেবেৰ চ'ৰ মথাউৰিটো বন্ধাৰ বাবে ঝাৰপাৰা ১ম আৰু ২য় খন্দ, ভড়ালীপাৰা ১ম খন্দ, বালাৰগুদাম আৰু মেবেৰ চৰৰ পৰা মুঠ ১৮৮/১৭ লোছা মাটি ৮২ (বিৰাশী) জন পট্টাদাৰৰ পৰা অধিগ্ৰহণ কৰা হৈছিল। ( পট্টদাৰৰ লিষ্ট উপায়ুক্তই দিয়া নাই )

(খ) হয়, ১৯৮০ চনত গোৱালপাৰাৰ সমাহৰ্ত্তাই বান নিয়ন্ত্ৰণ বিভাগলৈ প্ৰেৰণ কৰিছিল।

(গ) গোৱালপাৰাৰ সমাহৰ্ত্তাই ৬।৬।৮০ তাৰিখৰ জি আৰ কিউ ১০।৭৯।৬৭ নং চিঠিযোগে তথ্যপাতিবোৰ বান নিয়ন্ত্ৰণ বিভাগৰ কাৰ্য্যবাহী অভিযন্তালৈ প্ৰেৰণ কৰিছিল আৰু কাৰ্য্যবাহী অভিযন্তাই ২১।১০।৮২ ইং তাৰিখৰ ৬১।৬৯ ৭১ চিঠি যোগে বান নিয়ন্ত্ৰণ সচিবালয়লৈ প্ৰেৰণ কৰিছিল।

(ঘ) অধিগৃহীত মাটিৰ মূল্য ঝাৰপাৰা ১ম আৰু ২য় খন্দৰ বাবে বিঘা প্ৰতি ২০০০ ( দুই হাজাৰ ) টকা আৰু অন্যান্য গাওঁ বোৰৰ বাবে বিঘা প্ৰতি ১৮০০ (এক হাজাৰ আঠশ) টকা ধাৰ্য্য কৰা হৈছিল।

## বিষয়: Pay Commission ৰ কামৰ অগ্ৰসৰ।

শ্ৰীমকবুল হুচেইনে সুধিছে

২২৮। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Pay Commission কিমান তাৰিখত গঠন কৰা হৈছে ?

(খ) উক্ত Pay Commission বৰ্ত্তমান পৰ্য্যন্ত কামত কিমান অগ্ৰসৰ হৈছে ?

(গ) বৰ্ত্তমানলৈ Pay Commission ৰ সদস্য সকলে ক'ত ক'ত ভ্ৰমণ কৰিলে আৰু আগন্তুক ক'ত ক'ত ভ্ৰমণৰ কাৰ্য্যসূচী লৈছে।

(ঘ) উক্ত ভ্ৰমণৰ কাৰণ সমূহ কি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম দৰমহা আয়োগখন গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰ প্ৰাপ্ত ন্যায়াধীশ

শ্ৰী বি, এন শৰ্ম্মাক সভাপতি হিচাবে লৈ চৰকাৰৰ ২-৫-৮৮ তাৰিখৰ জা... এফ, পি, চি, ১৭।৮৭।২৯ অনুসৰি গঠন কৰা হয়। কিন্তু পাচত ন্যায়াধীশ শ্ৰী শৰ্ম্মাই সভাপতি পদৰ পৰা পদত্যাগ কৰাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰ প্ৰাপ্ত মুখ্য ন্যায়াধীশ শ্ৰী এচ, কে, দত্তক সভাপতি হিচাবে লৈ চৰকাৰৰ ২৩-৬-৮৮ তাৰিখৰ জাননী নং এফ, পি, চি, ১৭।৮৭।৩৮ অনুসৰি দৰমহা আয়োগখন পুনৰ গঠন কৰা হয়।

(খ) আয়োগৰ পৰা কোনো প্ৰতিবেদন নোপোৱালৈকে আয়োগৰ কামৰ অগ্ৰগতিৰ বিষয়ে একো জনা নাযায়।

(গ) দৰমহা আয়োগে কলিকতা আৰু ভূৱনেশ্বৰ ভ্ৰমণ কৰিছিল। আয়োগে তেখেত সকলৰ ভৱিষ্যত ভ্ৰমণ সূচীৰ বিষয়ে চৰকাৰক এতিয়াও অৱগত কৰা নাই।

(ঘ) কলিকতাত দৰমহা আয়োগে কলিকতাত থকা অসম ভৱনৰ কৰ্ম্মচাৰী সকলৰ সৈতে তেওঁলোকে আয়োগৰ ওচৰত দাখিল কৰা স্মাৰক পত্ৰ সম্পৰ্কে বুজ লয়। আয়োগে পশ্চিমবঙ্গ আৰু উৰিষ্যা চৰকাৰে তেখেত সকলৰ কৰ্ম্মচাৰী সকললৈ মঞ্জুৰ কৰা দৰমহাৰ মান, দৰমহাৰ গাঠনি আৰু সা-সুবিধাৰ ধৰণ সম্পৰ্কে অধ্যয়ণ কৰিবলৈ উক্ত চৰকাৰ দুখনৰ বিষয়া সকলৰ লগত বিতং আলোচনা কৰে।

## Re: Suspension of developmental works.

Shri Amritlal Basumatary asked :

229. Will the Chief Minister be Present to state :

(a) Whether all the development works have been suspended in Kokrajhar district ?

(b) If so the reasons there of.

Shri Prafulla Kumar Mahanta (Chief Minister ): replied :

(a) No.

(b) Does not arise.

## বিষয় : অসম অৰুনাচল প্ৰদেশ সীমা - নামদাং চাহ বাগিছা।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) তিনিচুকীয়া মহকুমাৰ অন্তৰ্গত নামদাং চাহ বাগিছাৰ নামটক ডিভিজনৰ মাটিৰ সীমাটো অসমৰ নে অৰুনাচল প্ৰদেশৰ হয় ?

(খ) নামটক ডিভিজনত অৰুনাচল প্ৰদেশে কৰ কাটল আদায় কৰাৰ বিষয়ে চৰকাৰ অৱগত নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক)অৰুনাচলত ।

(খ) প্ৰশ্ন নুঠে ।

বিষয় : ২৪০ নং তৰা চিহ্নিত প্ৰশ্ন ।

শ্ৰীমুকতাৰ হুছেইনে সুধিছে

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক)যোৱা বাজেট অধিবেশনৰ ৪।৪।৮৮ ইং: তাৰিখে ২৪০ নং তৰা চিহ্নিত প্ৰশ্নৰ উত্তৰত অসম সচিবালয়ৰ চাকৰিয়াল জনৈক শ্ৰীশশাংক শেখৰ ৰায় কাহিলিপাৰা বিনোৱা নগৰ প্ৰাথমিক বিদ্যালয়ৰ নামত সমাজ কল্যাণ বিভাগৰ পৰা অনা ২৩০০ টকা আত্মসাৎ কৰাৰ অভিযোগত বিভাগীয় গোচৰ ৰুজু কৰাৰ কথা জনাইছিলনে ?

(খ) উক্ত গোচৰ ৰুজু কৰা হৈছেনে ?

(গ) উক্ত গোচৰ মতে অভিযুক্ত ব্যক্তিৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে

(ক) হয় ।

(খ) বিভাগীয় গোচৰ ৰুজু কৰাৰ উদ্দেশ্যে প্ৰয়োজনীয় নথি পত্ৰ অসম সচিবালয় কৰ্ম্মচাৰী (সংস্থাপন) বিভাগলৈ পঠোৱা হৈছে ।

(গ) গোচৰ নিস্পত্তি হোৱাৰ পিচত অভিযুক্ত ব্যক্তিজনৰ বিৰুদ্ধে যথাযথ ব্যৱস্থা লোৱা হব।

Sub : Eviction by armed gang.

Shri Abdul Jabbar, asked :

232. Will the Minister, Revenue be pleased to state.

(a) Whether the Government is aware that the minority families of Muamali Chapari under Mangaldoi Sud-Division had been forcibly evicted by some armed gangs recently ?

(b) Whether steps have been taken by Government to rehabilitate. these families.

Shri Chandra Arandhara replied :

(a) It is not a fact that minority families of Muamali Chapari had been forcibly evicted by armed gangs recently.
(b) Does not arise.

## বিষয় ঃ বিদেশী বহিষ্কাৰৰ সংখ্যা

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাই সুধিছে ঃ

২৩৩*। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ পৰা প্ৰতিজন বিদেশীক বহিস্কাৰ কৰোঁতে (প্ৰতিজনৰ ক্ষেত্ৰত) কিমান টকা খৰচ পৰে ?

শ্ৰীজয়নাথ শৰ্ম্মা অসম চুক্তি (ৰূপায়ণ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ পৰা প্ৰতিজন বিদেশীক বহিস্কাৰ কৰোঁতে খৰচৰ পৰিমান ব্যক্তিজনৰ চিনাক্তকৰণ স্থানৰ পৰা বহিস্কাৰ কৰণৰ নিৰ্দ্দিষ্ট আৰক্ষী তালাচী চকীৰ দূৰত্বৰ ওপৰত নিৰ্ভৰ কৰে উদাহৰণস্বৰূপে গুৱাহাটীৰপৰা এজন বিদেশীক গোলকগঞ্জ আৰক্ষী তালাচী চকীলৈ বহিস্কাৰৰ বাবে পঠালে, প্ৰতিজন বিদেশীৰ বাবদ ২০২'০০ টকা খৰচ পৰে।

## বিষয় ঃ ঘৰৰ নম্বৰ।

শ্ৰীময়িহুল ইচলাম বৰাই সুধিছে

২৩৪। মাননীয় মূখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ঘৰে ঘৰে নম্বৰ দিয়া কামটো কেতিয়াৰ পৰা আৰম্ভ কৰিছে আৰু কিমান তাৰিখে সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা অছে ?

(খ) কেতিয়া আৰু কি ভিত্তিত কৰা হব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মাননীয় মূখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) ঘৰে ঘৰে নম্বৰ দিয়া কামটো নিৰ্ব্বাচন আয়োগৰ নিৰ্দ্দেশ মৰ্ম্মে যোৱা ১৯.৮।১৯৮৮ চনৰ পৰা আৰম্ভ হৈ যোৱা ১৮।১।১৯৮৯ তাৰিখত শেষ হৈছে।

(খ) প্ৰশ্ন নুঠে।

## বিষয় ঃ করিমগঞ্জ শহরে পুলিশের গুলি চালনা।

শ্ৰীরামেন্দ্র দেই সুধিছে :

২৩৫। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জনাবেন কি ঃ-

(ক) ১৯৮৬ ইংরেজির ২১ শে জুলাই কবিমগঞ্জ শহরে পুলিশের গুলি চালনার প্রশাসনীক তদন্ত হয়েছে কি ?

(খ) যদি হয়ে থাকে তা প্ৰকাশ কৰা হবে কি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) হয়।

(খ) প্ৰশাসনিক তদন্তৰ প্ৰতিবেদন প্ৰকাশ কৰাৰ কথা চৰকাৰে চিন্তা কৰা নাই।

**Subject : Kind of wakf Properties.**

Shri Aminul Islam, asked, :

236. Will the Minister, Wakf properties be pleased to state :

(a) What kind of wakf properties are in existence in Assam where are they located ?

(b) How are the Wakf properties managed ?

Shri Shahidul Alam Choudhury, ( Minister-In-charge, Wakf ) replied :

(a) In Assam there are two kinds of Sunni Wakf properties only i.e. (1) Fi-Sabi-lillah, purely religious and charitable purposes and (2) Wakf alal aulad.

The above two kinds of wakf properties are located as follows :

| Name of district | Public Wakfs | Wakf alal-Aulad |
|---|---|---|
| Jorhat | 3 | x |
| Golaghat | 1 | x |
| Sonitpur | 2 | x |
| Kamrup | 7 | 4 |
| Barpeta | 2 | x |
| Nalbari | 1 | x |
| Goalpara | 9 | 1 |
| Dhubri | 3 | 1 |
| Dibrugarh | 3 | 2 |
| Nagaon | 8 | 3 |
| Cachar | 42 | 7 |

| | | |
|---|---|---|
| Karimganj | 5 | 5 |
| Nort Cachar Hills | 1 | x |
| | 87 | 23 |

(b) The Wakf properties are managed by the Motowallis of the Estates.

### বিষয় : মথলা চাহ বাগিছাৰ মাটি আৱণ্টন।

শ্ৰীভবেন বৰুৱাই সুধিছে :

২৩৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :-

(ক) তিনিচুকীয়া মহকুমাৰ ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত মথলা চাহ বাগিছাক কিমান মাটি আবন্টন দিয়া হৈছিল ?

(খ) উক্ত মাটিখিনি ৰাজহ বিভাগৰ নে বন বিভাগৰ ?

শ্ৰীচন্দ্ৰ আবান্ধৰা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) তিনিচুকীয়া মহকুমাৰ মাৰ্ঘেৰিটা ৰাজহ চক্ৰৰ (ডুমডুমা ৰাজহ চক্ৰ নহয়) অন্তৰ্গত বুঢ়ীদিহিং মৌজাৰ ছুৱাবমাৰা ডব্লিউ এল এ ২৫৯ নং গ্ৰান্তৰ মেপৰ ৩ নং দাগৰ অংশ ১০৪৪ বিঘা ( ৩৪৫ একৰ ) চৰকাৰী মাটি নিৰ্দ্ধাৰিত প্ৰিমিয়াম আদায়ক্ৰমে পট্টন দিয়াৰ বাবে (আবন্টন নহয়) ২৭।১।৮৮ তাৰিখে হুকুম দিয়া হৈছিল।

(খ) এই মাটি ৰাজহ চক্ৰৰ মেপ-ৰেৰ্কড মতে কেডেষ্ট্ৰেল গাওঁৰ মাটি আৰু ৰাজহ বিভাগৰ মাটি। এই মাটি পূৰ্ব্বতে ওচৰতে থকা ছুবাবমাৰা চাহ বাগিছাৰ ম্যাদী পট্টাৰ মাটি আছিল, কিন্তু পিচত চৰকাৰী হয়। বনবিভাগে এই মাটিৰ ওচৰতে থকা সংৰক্ষিত নলনী বনাঞ্চলৰ ভিতৰত উক্ত মাটি সোমাই বুলি দাবী কৰিছে। বনবিভাগৰ আপত্তিৰ পৰিপ্ৰেক্ষিতত উক্ত মাটিৰ পট্টনৰ হুকুম ২০৮৮৮ তাৰিখে নাকচ কৰা হয় আৰু উক্ত মাটিৰ অৱস্থান নিৰ্ণয় কৰাৰ কাৰণে অসম জৰীপ বিভাগক নিৰ্দ্দেশ দিয়া হয়। আনহাতে মাননীয় মুখ্য মন্ত্ৰীয়ে উক্ত মাটিৰ সম্পৰ্কত নামনি অসমৰ আয়ুক্তকো তদন্ত কৰাৰ কাৰণে নিৰ্দ্দেশ দিয়ে আৰু বিষয়টো বৰ্ত্তমান তদন্তাধীন অৱস্থাত আছে।

উক্ত মাটিৰ পট্টনৰ হুকুম পিচত নাকচ কৰা হোৱাত চাহ বাগিছাৰ মালিকে উচ্চ ন্যায়ালয়ত এটি গোচৰ ( চিভিল ৰুল ) তৰে আৰু উচ্চ ন্যায়ালয়ে ৭।৯।৮৮ তাৰিখে হুকুম দি আবেদনকাৰী পক্ষক শুনানীৰ সুবিধা দি মাটি বন্দবস্তী সম্পৰ্কে

সিদ্ধান্ত লবলৈ চৰকাৰক নির্দ্দেশ দিয়ে। এই মৰ্মে আবেদনকাৰী পক্ষৰ শুনানী মাননীয় প্ৰাক্তন ৰাজহ মন্ত্ৰীয়ে লৈছে আৰু অসম জৰীপ বিভাগৰ পৰা জৰীপৰ প্ৰতিবেদন নোপোৱাত উক্ত বিষয়ত চৰকাৰৰ চূড়ান্ত সিদ্ধান্ত আৰু হুকুম স্থগিত ৰখা হৈ আছে।

## বিষয়ঃ বেদখল উচ্ছেদ নীতি।

শ্ৰীভবেন বৰুৱাই সুধিছে

২৩৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবে?

(ক) চৰকাৰৰ বেদখলৰ উচ্ছেদ নীতি কি?

(খ) এই নীতি অনুসৰি তিনিচুকীয়া মহকুমাত কোন কোন ৰাজহ চক্ৰত কিমান মাটি উচ্ছেদ কৰিলে?

(গ) উচ্ছেদ কৰা মাটিৰ পৰিমান কিমান হব?

শ্ৰীচন্দ্ৰ আৰানধৰা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) অসম চৰকাৰৰ ১৮৮৬ চনৰ ভূমি আৰু ৰাজহ অধিনিয়মৰ ২ য় অধ্যায়ত আৰু ১০ম অধ্যায়ত সন্নিবিষ্ট বিধি অনুযায়ী বেদখল উচ্ছেদ কাৰ্য্য কৰা হয়।

(খ) ১৯৮৮-৮৯ চনত তিনিচুকীয়া মহকুমাৰ মাৰ্ঘেৰিটা ৰাজহ চক্ৰত ২৬৪০ বিঘা ৪ কঠা ১১ লেচা, ডুমডুমা ৰাজহ চক্ৰত ৭ বিঘা ২ কঠা ৬ লেচা মাটিৰ বেদখল-মুক্ত কৰা হৈছে। তিনিচুকীয়া ৰাজহ চক্ৰত এই বছৰত মাটিৰ বেদখল উচ্ছেদ কৰা হোৱা নাই যদিও উচ্ছেদ গোচৰৰ সম্পৰ্কত বিধিগত কাৰ্য্য কৰি থকা হৈছে।

(গ) সৰ্ব্বমুঠ ২৬৪৮ বিঘা ১ কঠা ১৭ লেচা মাটিৰ বেদখল মহকুমাৰ ভিতৰত মুক্ত কৰা হৈছে।

## বিষয়ঃ তিনিচুকীয়া মহকুমাৰ বেদখল।

শ্ৰীভবেন বৰুৱাই সুধিছে

২৩৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে --

(ক) তিনিচুকীয়া মহকুমাৰ তিনিচুকীয়া চক্ৰৰ বৰগুৰি পথুমনি অঞ্চলত কিমান মাটি বেদখলত আছে?

(খ বেদখলকাৰী নাম কি আৰু তেওঁৰ ওপৰত বেদখলী গোচৰ তৰা হৈছিল নেকি?

(গ) যদি হৈছিল গোচৰৰ শেষত কি ৰায় দান দিলে?

শ্ৰীচন্দ্ৰ আৰানধৰা (ৰাজহ মন্ত্ৰী) য়ে

(ক) তিনিচুকীয়া মহকুমাৰ তিনিচুকীয়া চক্ৰৰ বৰগুৰি পহুমনি অঞ্চলত মুঠ ৬২ বিঘা ১ কঠা ৬ লোচা চৰকাৰী মাটিত বেদখল আছে।

(খ) বেদখলকাৰীৰ নাম সমূহ লগত গাঠি দিয়া হল। বেদখলকাৰীৰ বিৰুদ্ধে বেদখলী গোচৰ আৰম্ভ কৰাৰ ব্যৱস্থা কৰা হৈছে বুলি তিনিচুকীয়াৰ মহকুমাধিপতিয়ে জনাইছে।

See Annexure III

(গ) প্ৰশ্ন নুঠে।

### Sub : Conversion of Tauji land.

Shri Silvius Condped, asked :

240. Will the Minister, Revenue be pleased to state :

What is the policy of the Government for conver ion of Tauji Bahira land to Annual Patta land and from Annual Patta lind to Periodic Patta land ?

Shri Chandra Arandhara. ( Minister, Revenue ) replied :

(i) Government land is known as Tauzi Bahira land when Tauzi Bahira Land Revenue is realised in respect of such land for occupation/use of the land. All Tauzi Bahira lands that is, all Government lands may not be fit and available for settlement. When such land is found to be fit for settlement, Government may settle such land with the users, if they are found to be landless deserving under the Settlement Rules and the existing Land Policy of Government

(ii Annual Patta land may be converted into Periodic Patta under rule 105 of the Assam Land Records Mannual if the land is not illegally transferred to other person, and subject to the Land Ceiling limit. The land ceiling limit in rural area is 50 bighas including the land already held in the joint, family, and the ceiling limit for periodic Patta in Towns.is 3 bighas including the land already held in the join family.

Subject : Collection of Revenue,

Shri Silvius Condpan asked :

241. Will the Minister, Revenue be pleased to state :

(a) What are the other revenue earning sources of Revenue Department and what are the revenue collections from those sources during 1986-87 and 1987-88 ?

(b) How much land revenue from rural areas cultivable land and urban Area land Grvernment has collected during 1986 87 and 1987-88 ?

Shri Chandra Arandhara ( Minister of Revenue ) replied Minister replied :

(a) The other revenue earning sources of Revenue Department are premiums on land settled, conversion fees of land, Touzi Bahira Land Revenue, Grazing fees, the cost of contingency and cost of establishment charges for land acquisition and the cost of transfer of Government land to Central Government Departments and Corporation etc. of Central Government.

Information regarding revenue collections from those sources during 1986-87 are not readily available in the Department and hare been called for from respective Deputy Commissioners and Sub Divisional Officers.

(b) Information are not readily available in the Department, Deputy Commissioners and Sub Divisional Officers concerned have been requested to furnish the information

Sub : Completion of terms by APSC members.

Shri Silvius Condpan asked :

242. Will the Chief Minister be pleased to state :

(a) How many members of Assam Public Service Commission are completing their terms shortly and who are they ?

(b) Will the Government consider to nominate member belonging to Tea and Ex-tea garden tribes of Assam to Assam Public Service Commission as its member against resultant vacancy ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে।

(ক) ১৯৮৯ চনৰ ভিতৰতে অসমৰ লোক সেৱা আয়োগৰ অধ্যক্ষ শ্ৰীআৰিফ আলি আৰু সদস্য ডা: পি, কে, চৌধুৰীয়ে তেখেত সকলৰ কাৰ্য্যকাল সম্পূৰ্ণ কৰি অৱসৰ গ্ৰহণ কৰিব।

(খ) লোক সেৱা আয়োগৰ সদস্যৰ নিযুক্তি সংবিধানৰ ৩১৬(১) অনুচ্ছেদ অনুযায়ী হে কৰা হয়।

## বিষয় ঃ চেংগা উন্নয়ন খন্দত নলী-নাদ মঞ্জুৰী ঃ

শ্ৰীগোপী নাথ দাসে সুধিছে

২৪৩ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৯৮৭-৮৮ চনত বৰপেটা জিলাৰ চেংগা উন্নয়ন খন্দ এলেকাত অসম ৰাজ্যিক চৰ উন্নয়ন কৰ্তৃপক্ষৰ পৰা মুঠ কিমানটা নলী-নাদ মঞ্জুৰী দিয়া হৈছে ?

(খ) উক্ত নলী নাদবোৰৰ প্ৰত্যেকটোতে চৰকাৰে কিমানটাকৈ পাইপ দিছে ?

(গ) এইটো কথা সচাঁনে যে, উক্ত নলী নাদবোৰ বহুৱাৰ সময়ত ঠিকাদাৰে মাত্ৰ দুটাকৈ পাইপ দি নলী নাদবোৰ বহুৱাই দিছে ?

(ঘ) যদি সচাঁ তেন্তে চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০ টা।

(খ) ৩ টাকৈ।

(গ) কেইটামানৰ ক্ষেত্ৰত দুটাকৈ পাইপ বহুৱাৰ খবৰ পোৱা গৈছে।

(ঘ) তদন্ত ক্ৰমে যিবোৰ ঠাইত দুটাকৈ পাইপ দি নলীনাদ বহুৱা বুলি জানিব পৰা গৈছে, সেইবোৰ ঠাইত ঠিকাদাৰক তিনিটাকৈ পাইপ দি নলীনাদ বহুৱাৰ কাম সম্পূৰ্ণ কৰিবলৈ ইতিমধ্যে নিৰ্দ্দেশ দিয়া হৈছে। এই সংক্ৰান্তত আদায় দিবলৈ থকা পইচা পাটি সাময়িক ভাবে বন্ধ ৰাখিবলৈ নিৰ্দ্দেশ দিয়া হৈছে আৰু বিষয়টো সম্পৰ্কে সঞ্চালকক তদন্ত কৰিবলৈ দিয়া হৈছে।

Sub - Site for Permanent Capital.

Shri Abdul Muptadir Choudhury: asked

244 Will the Chief Minister be pleased to state.

(a) Whether the site for establishment of permanent Capital of Assam has been finalised?

(b) If not, the reason thereof?

Shri Prafulla Kumar Mahanta, (Chief Ministsr) replied

(a) No.

(b) Government have not as yet taken a decision on the permanent site of the Capital.

Subject : Unrealised Revenue.

Shri Abdul Muqtadir Choudhury asked.

245. Will the Minister, Revenue be pleased to State.

(a) The amount lying unrealised in the hands of diff.rent Mauzadars in Assam.

Shri Chandra Arandhora (Minister of Revenue) replied.

(a) The amount lying unrealised in the hands of different Mauzadars is Rs. 1,16,32,232'40 (Rupees One crore sixteen lakhs thirty two thousand two hundred thirty two and paise forty) only.

(A list showing the unrealised amount against each Mauzadar is furnished on the table of the house.)

(See Annexure-iv)

Sub : Starting of dialogue with agitationists for their demand on Udayachal. Bodoland and Homeland.

Shri Amritlal Basumatry. asked

24. Will the Chief Mini ter be pleased to state.

(a)Whether any Steps hove been taken to start dialouge

with the sponsors of current agitations on Udayachal, Bodoland and Homeland ?

(b) If so, what are the steps ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ।

(ক) স্বকীয়া ৰাজ্যৰ দাবীত আন্দোলন চলাই থকা সংগঠন কেইটাৰ সৈতে চৰকাৰে কেইবাবাৰো আলোচনাত বহিছে। যোৱা ২৮।২।৮৯ তাৰিখেও আবচু (উপেন ব্ৰহ্মা গোট) ৰ দাবী সম্পৰ্কে আলোচনাত বহাৰ কথা আছিল যদিও তেওঁলোকে আলোচনাত নবহিল ।

(খ) বিভিন্ন জনজাতীয় সংগঠনে উত্থাপন কৰা দাবীবোৰৰ বিষয়ে সংগঠন সমূহৰ লগত প্ৰয়োজন অনুসাৰে স্বকীয়া স্বকীয়াকৈ অথবা একে লগে আলোচনা কৰি সমাধান উলিওৱাৰ বাট চৰকাৰে মুকলি ৰাখিছে । জনজাতীয় ৰাইজৰ আৰ্থ সামাজিক উন্নয়নৰ লগত জড়িত যিবোৰ সমস্যা প্ৰশাসনীয় ব্যৱস্থাৰে সমাধান কৰা সম্ভৱ সেই বোৰৰ ক্ষেত্ৰত কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হৈ আছে ।

## বিষয়ঃ লাচিত বৰফুকনৰ প্ৰতিমূৰ্ত্তি ।

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ)য়ে সুধিছে

২৪৭। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মহাবীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্ত্তি আৰ্হি কোনে প্ৰস্তুত কৰিছিল ?

(খ) লাচিতৰ লগত থকা বাকী কেইজন কোন কোন ?

(গ) এজন বীৰৰ লগত পালি পহৰীয়াৰ মূৰ্ত্তি স্থাপিত কৰাৰ কাৰণ কি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে

(ক) প্ৰতিমূৰ্ত্তি নিৰ্ম্মানৰ উচ্চ পৰ্য্যয়ৰ সমিতিৰ সহায়ত বোম্বাইৰ ভাস্কৰ শ্ৰীসদাশিৱ শ্বথেই লাচিত বৰফুকনৰ প্ৰতিমূৰ্ত্তি প্ৰদৰ্শিত ভনীমাত প্ৰস্তুত কৰিছে ।

(খ) মহাবীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্ত্তিৰ লগত থকা কেইজন এনেধৰণৰ - লাচিতৰ সোঁফালে এজন ধ্বজাবাহৰ আৰু ৰণ শিঙা বাদৰ আৰু বাওঁফালে এজন ব্যক্তিগত গা-ৰক্ষী আৰু এজন হিলৈধাৰী ।

(গ) ভাস্কৰ শ্ৰীসাথেই এই অনুসাঙ্গক প্ৰতিমূৰ্ত্তি কেইটা মহাবীৰ লাচিত বৰফুকনৰ ৰণলৈ ওলাই যোৱা মুহুৰ্ত্ত এটি স্পষ্টভাৱে প্ৰতিফলিত কৰাৰ বাবে ৰাজ্যিক প্ৰতিমূৰ্ত্তি স্থাপন সমিতিৰ অনুমোদন লৈ সংযোজন কৰি দিছে ।

## ৰিষয় ঃ নামৰূপ সাৰকাৰখানা

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ) সুধিছে ঃ

২৪৮। মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নামৰূপ সাৰকাৰখানাই দূষিত কৰা দিচাং নৈৰ পানী ৰাইজে ব্যৱহাৰৰ অনুপযোগী হোৱা বহু বছৰ হ'ল, চৰকাৰে ইয়াৰ কি বিকল্প ব্যৱস্থা হাতত লৈছে ?

(খ) উক্ত সাৰকাৰখানাৰ পানী আৰু বায়ু দুয়োটাকে দূষিত কৰা কথা চৰকাৰে জানেনে ?

(গ) যদি জানে চৰকাৰে কেতিয়া এই কাষৰীয়া মানুহ বিলাকক উক্ত দূষিত বায়ু আৰু পানীৰ পৰা ৰক্ষা কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব ?

শ্ৰীবৃন্দাবন গোস্বামী (বিজ্ঞান, প্ৰযুক্তি আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে

(ক) দিচাং নৈৰ পানী দূষিত কৰণ ৰোধ কৰিবৰ বাবে নামৰূপ সাৰকাখানাক প্ৰদূষণ নিয়ন্ত্ৰণৰ ব্যৱস্থা গ্ৰহণ কৰি নিৰ্দ্দিষ্ট সীমাৰেখাত ৰাখিহে মলয়াপানী দিল্লী ( দিচাং ) নদীত নিৰ্গত কৰিবৰ বাবে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে দিৰ্দ্দেশ দিছে।

(খ) নামৰূপ সাৰকাৰখানাৰ পৰা হোৱা প্ৰদূষণৰ বিষয়ে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অৱগত।

(গ) নামৰূপ সাৰকাৰখানাই ইতিমধ্যেই প্ৰদূষণ নিয়ন্ত্ৰণ কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰে ভিতৰত পকী পুখুৰীৰ ব্যৱস্থা কৰা ষ্টিম stripper বহুৱা অতিৰিক্ত পাম্প স্থাপন, গাঢ় ময়লাপানী কাৰখানাত পুনৰায় ব্যৱহাৰ কৰা, আৰ্চেনি পৰিশোধন গেটি, স্থাপন, ক্ৰমিয়াম পৰিশোধন গোট স্থাপন, তেল পৰিশোধন গোট, বিদ্যুত যোগান স্থাৱৰ কৰিবৰ বাবে Captive Power plant স্থাপন আদিৰ কাম সম্পূৰ্ণ হৈছে। ইয়াৰোপৰি Rationalisation of Steam Stripping system, Urea Hydrolyser Biological Urea Hydro lizer, DC DA আদি স্থাপনৰ কাম হাতত লৈছে আৰু এই অতিৰিক্ত প্ৰদূষণ নিয়ন্ত্ৰণৰ আহিলাসমূহ ১৯৮৯ চনৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব।

## ৰিষয় ঃ আৰৱৰ্ত্ত ভৱনৰ সম্পসাৰণ

শ্ৰীদেবেশ্বৰ বৰাই উত্তৰ দিছে ঃ

২৪৯। মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে গোলাঘাট জিলা হোৱাৰ পিছত গোলাঘাটত থকা বৰ্ত্তমানৰ আৰৱৰ্ত্ত ভৱন সম্প্ৰসাৰণৰ বাবে কিবা আঁচনি গ্ৰহন কৰিছে নেকি ?

(খ) যদি কৰিছে ইয়াৰ বাবে কিমান ধন মঞ্জুৰী দিছে ?

(গ) গোলাঘাট জিলাৰ উপাযুক্তই গোলাঘাটৰ আৱৰ্ত্ত ভৱন সম্প্ৰসাৰণ আৰু নতুনকৈ আন ভৱন নিৰ্ম্মাণ কৰিবলৈ চৰকাৰক অনুৰোধ জনাই কিবা চিঠি প্ৰেৰণ কৰিছেনেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মূখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) নাই কৰা।

(খ) প্ৰশ্ন নুঠে।

(গ) হয়।

## বিষয় : গুৱাহাটীৰ মাটি পট্টন।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

২৫০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গুৱাহাটীৰ চৰকাৰী মাটিবোৰৰ উপযুক্ত নগৰবাসিন্দাক দিবৰ বাবে ১৯৬৩ চনতে এটা সিদ্ধান্ত হৈছিল আৰু তাৰ কাৰণে চৰকাৰে নিৰ্দ্দেশনা (চাৰকুলাৰ) জাৰি কৰা কথাটো সঁচানে ?

(খ) যদি সঁচা, গুৱাহাটীৰ মাটি পট্টনৰ সমস্যাটো সমাধান কৰিবলৈ বৰ্ত্তমান চৰকাৰে কি ব্যৱস্থা গ্ৰহন কৰিছে ?

শ্ৰীচন্দ্ৰ আৰানধৰা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সঁচা। ৰাজহ বিভাগৰ ১৯৬৩ চনৰ ৭ ছেপ্তেম্বৰ তাৰিখে আৰ এচ এচ ৭৩।৬৩।৬৪ নং নিৰ্দ্দেশনা মতে সেই সময়ৰ আগৰ পৰা দখল কৰি থকা চৰকাৰী মাটিত সীমিতভাবে পট্টনৰ হুকুম দিছিল, কিন্তু ১৯৭২ চনত অসমৰ ৰাজধানী চিলঙৰ পৰা দিশপুৰলৈ নামি অহাত দিশপুৰৰ আশে পাশে থকা চৰকাৰী আৰু পট্টা মাটিৰ ওপৰত অসংযত ভাবে ঘৰ-দুৱাৰ সাজিব ধৰাত চৰকাৰে পুনঃ ১১।১।৭৩ তাৰিখে বহা মন্ত্ৰী মন্দলীৰ সভাৰ সিদ্ধান্তমৰ্ম্মে বৃহত্তৰ গুৱাহাটীত পট্টন বন্ধ ৰখা হয়। পুনঃ চৰকাৰৰ ১৯৮৪ চনৰ ৩০ মাৰ্চ তাৰিখৰ আৰ এচ এচ-১৩০।৮০ ৪১ নং নিৰ্দ্দেশনামতে বৃহত্তৰ গুৱাহাটীৰ ভিতৰত ব্যক্তিগত দৰ্খাস্তকাৰীক সীমিতভাবে পট্টন দিয়াৰ হুকুম দিয়া হয়।

ইয়াৰ পিছত ১৯৮৬ চনৰ ৭ মাৰ্চ তাৰিখৰ আৰ এচ এচ-২৩৮৬।৩২ নং চিঠিৰ দ্বাৰা বৃহত্তৰ গুৱাহাটীত চৰকাৰী খাচ মাটি পট্টন দিয়া সাময়িক হিচাবে বন্ধ ৰখা হয়।

(খ) গুৱাহাটীৰ মাটিৰ পট্টনৰ সমস্যাটোৰ সমাধান কৰিবলৈ বৰ্ত্তমান চৰকাৰে ভূমি নীতি যুগুতাইছে আৰু মন্ত্ৰী মণ্ডলীৰ চূড়ান্ত সিদ্ধান্তৰ বাবে উত্থাপন কৰাৰ ব্যৱস্থালৈ থকা হৈছে।

## বিষয়ঃ গুৱাহাটিৰ গীতা নগৰৰ মাটি

শ্ৰীদেবেশ্বৰ বৰাই সুধিছেঃ

২৫১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) গুৱাহাটীৰ গীতা নগৰত ২৫ বিঘা অতি মূল্যবান মাটি দক্ষিণপাট সত্ৰৰ নামত সত্ৰ স্থাপনৰ বাবে দিয়া হৈছিল-এই কথাটো সচাঁনে?

(খ) এই মাটিখিনি সত্ৰাধিকাৰে নেলাগে বুলি মূল্য ঘূৰাই দিবলৈ চৰকাৰলৈ লিখিছিল আৰু পাচলৈ সত্ৰাধিকাৰে বেচাৰ ব্যৱস্থা কৰিছিল এই কথাটো সচাঁনে

(গ) বৰ্ত্তমান এই মাটিত বেদখল হোৱাৰ বিষয়ে চৰকাৰ অৱগত নে?

(ঘ) সত্ৰৰ নামত দিয়া মাটি অন্য উদ্দেশ্যত ব্যৱহাৰ কৰিবলৈ দিয়াৰ ব্যৱস্থা আছে নেকি?

(ঙ) যদি নোৱাৰি, এই মাটি ঘূৰাই লবলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীচন্দ্ৰ আৰনধৰা ৰাজহ (মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) দিচপুৰ চক্ৰৰ বেলতলা মৌজাৰ ২নং হেঙেৰাবাৰী গাওঁৰ ১৬১নং দাগৰ ২৫ বিঘা মাটি দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰৰ নামত ৪০ নং খেৰাজ ম্যাদী পট্টাভূক্ত হৈ আছে। এই মাটি সত্ৰ স্থাপনৰ বাবে চৰকাৰে ১৭।৭।৬৮ তাৰিখে আৰ এচ এচ-৩২২।৮৪ ১২৬ নং চিঠিৰ পট্টন দিয়াৰ বাবে হুকুম দিছিল।

(খ) জনা নাযায়।

(গ) উক্ত মাটি পট্টাভূক্ত। তাত যদি বেদখল হৈছে চৰকাৰ অৱগত নহয়। এনে ক্ষেত্ৰত পট্টাদাৰে বিধিমতে আৰু আৱশ্যকমতে ব্যৱস্থা লব পাৰিব।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) উক্ত ম্যাদী মাটিৰ সম্পৰ্কত কামৰূপৰ উপায়ুক্তই ১৯৭৬ চনৰ নগৰীয়া ভূমি চিলিং আইনমতে ২২।৮।৮।৫ তাৰিখে ৩৭।৮৫ নং নগৰীয়া ভূমি চিলিং গোচৰ (ইউ, এল, চি গোচৰ) আৰম্ভ কৰিছে, কিন্তু উক্ত গোচৰত ভূমি অধিগ্ৰহণ কৰা বা অধিগ্ৰহণ কৰিব নোৱাৰা সম্পৰ্কে চূৰান্ত সিদ্ধান্ত আৰু হুকুম হোৱা নাই। পট্টাদাৰ সত্ৰাধিকাৰে আনহাতে উক্ত চিলিং গোচৰৰ বিপৰীতে চৰকাৰৰ ওচৰত আপীল দৰ্খাস্ত কৰাত বৰ্ত্তমান বিষয়টো বিচাৰাধীন অৱস্থাত আছে।

## বিষয় ঃ অসম ভৱনৰ ভাড়া বৃদ্ধি

শ্ৰীবমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ

২৫২। মাননীয় মূখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) দিল্লী, কলিকতা আৰু শ্বিলংত থকা অসম ভৱনত দৈনিক কম আৰু বিচনাৰ ভাড়া বৃদ্ধি কৰা হৈছেনেকি ?

(খ) যদি হৈছে, ইয়াৰ কাৰণ কি ?

(গ) বৰ্দ্ধিত ভাড়া হ্ৰাস কৰি আকৌ আগৰ হাৰলৈ অনাৰ ব্যৱস্থা কৰা হবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মূখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) শ্বিলঙত থকা অসম হাউচৰ বাদে দিল্লী আৰু কলিকতাত থকা অসম ভৱন /হাউচৰ আসন ভাড়া বৃদ্ধি কৰা হৈছে ?

(খ) মূল্য বৃদ্ধিৰ পৰিপেক্ষিতত অসম ভৱন/হাউচৰ ভাড়া বৃদ্ধি কৰা হৈছে।

(গ) নহয় ।

## প্ৰশ্নৰ বিষয়ঃ- চৰ উন্নয়ন বোৰ্ডৰ আচঁনি ঃ

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে

২৫৩ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ চৰ অঞ্চলৰ উন্নতিকল্পে চৰ উন্নয়ন বোৰ্ডৰ কি কি আচঁনি আছে ?

(খ) ১৯৮৮-৮৯ চনৰ বাজেটত কিমান টকা ধাৰ্য্য কৰা হৈছিল ?

(গ) চৰ উন্নয়ন বোৰ্ডত কিমান জন কৰ্ম্মচাৰী আছে ?

(ঘ) উক্ত কৰ্ম্মচাৰী সকলক দৰমহা দিয়াত উক্ত বছৰত কিমান টকা খৰচ হৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে

(ক) কৃষি, পশুপালন, খোৱা পনীৰ যোগান, শিক্ষা, কুটীৰ শিল্প আৰু আৰ্থ সামাজিক জৰীপ ।

(খ) ৭৩ লাখ ।

(গ) ৪৮ জন কৰ্ম্মচাৰী আছে । ইয়াৰ উপৰিও সময়ে সময়ে দিন হাজিৰাত মানুহ লগোৱাৰ ব্যৱস্থা আছে ।

(ঘ) ৮,১২,২০০/- টকা ।

Unstarred Qu No 254 was disallowed.

## MISCELLANEOUS DISCUSSION DURING ZERO HOURS

Mr Speaker : Now Zero hour Question. Shri B.K. Basumatari.

Shri B.K. Basumatari : I wish to draw your kind attention and of this House through you and the Minister of Home and Revenue to the incident of driving out of 93 members of Bodo families of Majhigaon village under Kokrajhar District. It is reported that the tribal families were driven out by the AGP activists. So I want to know whether these people will be sent back to their villages and whether during their stay at Bodosha High School, they will be provided with relief and security.

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে প্ৰয়োজনীয় তথ্যপাতি বিচৰা হৈছে। তথ্যপাতি পালেই সদনত জনাম।

Shri B.K. Basumatari : I have raised this because this has already been kept pending.

Mr Speaker : The Minister will give reply tomorrow.

Shri B.K. Basumatari : Earlier also, it was pending.

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই নেক্সদে বুলি কোৱা নাই। সদনত জনাম বুলি কৈছো।

শ্ৰীবিৰাজ শৰ্ম্মাঃ–

মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২২ ফেব্ৰুৱাৰী তাৰিখৰ 'নতুন দৈনিক বাতৰি কাকতত প্ৰকাশিত বাতৰিৰ ওপৰত ভিত্তি কৰি ফাঁচি বজাৰৰ ব্যৱসায়ী সকলৰ পুনৰ সংস্থাপনৰ দাবীৰ প্ৰতি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ফাঁচি বজাৰখন এখন অতি পুৰণা বজাৰ। এই বজাৰখন যোৱা ২২ ফেব্ৰুৱাৰী তাৰিখে অগ্নি সংযোগ হৈ ভস্মীভূত হৈ গৈছে। এই বজাৰখন জলি যোৱাৰ পিচত প্ৰায় আজি ১ মাহ মান হল কিন্তু আজি পৰ্য্যন্ত তাত দোকান দি থকা প্ৰায় ৩ শ দোকানীক পুনৰ সংস্থাপন দিয়াৰ বাবে কোনো ব্যৱস্থা চৰকাৰৰ ফালৰ

পৰা লোৱা হোৱা নাই। ৩ শ দোকানৰ পৰা প্ৰায় ১০ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে। এই লোক সকলৰ পুনৰ সংস্থাপনৰ বাবে সদনত দাবী জনোৱা স্বত্বেও আজিলৈকে পুনৰ সংস্থাপনৰ কোনো ব্যৱস্থা গ্ৰহন কৰা নাই। এইটো অতি পৰিতাপৰ কথা। ফাঁচি বজাৰখন অতি পুৰনি বজাৰ আৰু ইয়াতে শাক পাচলিৰ পৰা আৰম্ভ কৰি মাছ মাংস আৰু অন্যান্য প্ৰয়োজনীয় সকলো সা-সামগ্ৰী অকল গুৱাহাটীৰ বাবেই নহয় উত্তৰ পূৰ্ব্বাঞ্চলতো সৰবৰাহ আৰু অন্যান্য ৰাজ্যলৈও সৰবৰাহ কৰা হয়। কিন্তু দুখৰ বিষয় এই যে, আজিলৈকে এই লোক সকলক পুনৰ সংস্থাপনৰ কোনো ব্যৱস্থা কৰা হোৱা নাই। গতিকে মই পৌৰ প্ৰশাসন বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰো যে, যাতে অনতিপলমে ক্ষতিগ্ৰস্ত ৰাইজৰ পুনৰ সংস্থাপনৰ বাবে ব্যৱস্থা গ্ৰহন কৰে। ইতিমধ্যে জানিব পাৰিছো যে, পুনৰ সংস্থাপনৰ বাবে অলপ ব্যৱস্থা লৈছিল কিন্তু মাছখোৱাৰ ৰাইজৰ আপত্তি হোৱাৰ কাৰণে এই ব্যৱস্থা সম্পূৰ্ণ হোৱা নাই। আজি প্ৰতক্ষ্য ভাবে হওঁক বা পৰোক্ষ ভাবে হওঁক প্ৰায় ১০ হাজাৰ মানুহ ক্ষতিগ্ৰস্থ হৈছে। গতিকে এই সদনৰ যোগে ব্যৱসায়ী সকলৰ পুনৰ সংস্থাপনৰ বাবে দৃষ্টি আকৰ্ষণ কৰিলো উক্ত ব্যৱসায়ী সকলৰ মাজত প্ৰায় ৭০ শতাংশই থলুৱা লোক। গতিকে পুনৰ সংস্থাপনৰ দিয়াৰ ক্ষেত্ৰৰ বিভাগীয় মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা গ্ৰহন কৰিছে সেই বিষয়ে জানিব বিচাৰিছো।

শ্ৰীহহিদুল আলম চৌধুৰী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, মাননীয় সদস্যই ইতিমধ্যে স্বীকাৰ কৰিছে যে, ক্ষতিগ্ৰস্ত লোক সকলক পুনৰ সংস্থাপনৰ বাবে ব্যৱস্থা লৈছে। কিন্তু মাছখোৱাৰ ৰাইজে আপত্তি কৰিছে আৰু তেওঁলোকৰ হাইকৰ্টত গোচৰ দাখিল কৰিছে। এই গোচৰ নিশ্চপত্তি নোহোৱালৈকে কোনো ব্যৱস্থা লব পৰা নহব।

* শ্ৰীদীনবন্ধু চৌধুৰী: মাননীয় অধ্যক্ষ্য মহোদয়, মই এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব বিচাৰিছো। বিষয়টো অতি গুৰুত্বপূৰ্ণ এই কাৰণেই যে, আমাৰ ৰাজ্যখনৰ ঐক্য সংহতি, শান্তি শৃংখলা, আৰু নিৰাপত্তাৰ ওপৰত বিষয়টো জৰিত আছে। যোৱা ১এপ্ৰিল তাৰিখৰ বাতৰি কাকত 'দৈনিক অসম 'বাতৰি কাকতত এটা বাতৰি পৰিবেশন কৰা হৈছে যে, উপেন ব্ৰহ্মা অসুস্থ শীৰ্ষক বাতৰিৰ সন্দৰ্ভত কোৱা হৈছে যে "কেন্দ্ৰীয় গৃহ দপ্তৰৰ ৰাজ্যমন্ত্ৰী শ্ৰীসন্তোষ মোহন দেবৰ নিৰ্দেশত

*Spech not corrected

হেনো দিল্লী আৰু বোম্বাইৰ কেইবাজনো বিশিষ্ট চিকিৎসকে শ্ৰীব্ৰহ্মৰ স্বাস্থ্যৰ চোৱাচিতা কৰি আছে। চিকিৎসাৰ বাবে তেওঁক কেন্দ্ৰীয় চৰকাৰৰ খৰচত দেশৰ বাহিৰলৈ নিয়াৰ সম্ভাৱনা আছে বুলি সূত্ৰটোৱে কয়।

ইয়াত দুটা কথা আছে যে, গৃহ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীসন্তোষ মোহন দেৱৰ নিৰ্দ্দেশত এই ব্যৱস্থাটো চলি আছে। এইকথাত আমাৰ কবলগীয়া একো নাছিল। কবলগীয়া এই কাৰণেই হৈছে যে, উপেন ব্ৰহ্ম আবছুৰ সভাপতি আৰু আবছুৰ যি আন্দোলন চলি আছে, এতিয়া যিবিলাক হিংসাত্মক ঘটনা ঘটি আছে আবছু ইয়াৰ লগন জৰিত আছে বুলি সন্দেহ কৰা হৈছে। এনেকুৱা পৰিস্থিত সেই সংগঠনৰ সভাপতিৰ লগত কেন্দ্ৰীয় চৰকাৰ আৰু কেন্দ্ৰীয় গৃহ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী জৰিত হোৱাতো স্বাভাবিকতে উদ্বিগ্নৰ বিষয় হৈছে। গতিকে আমাৰ ধাৰণা হৈছে যে, উক্ত আন্দোলনৰ গুৰি ধৰোতা সন্তোষ মোহন দেৱ আৰু কেন্দ্ৰীয় চৰকাৰ। সকলো বিলাক অস্ত্ৰ সস্ত্ৰ কেন্দ্ৰীয় চৰকাৰে যোগান ধৰিছে।

......গন্দগোল ...

এইটো কথা যদি সঁচা হয়, তেনেহলে এইটো কথা বিশেষভাবে তদন্ত কৰা প্ৰয়োজন হৈছে গতিকে মই মাননীয় গৃহ মন্ত্ৰী মহোদয়ৰ পৰা এই সম্পৰ্কত এটা বিবৃতি বিচাৰিছো।

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য দীনবন্ধু ডাঙৰীয়াই উত্থাপন কৰা বিষয়ৰ সম্পৰ্কত চৰকাৰৰ হাতত কোনো ধৰণৰ তথ্যপাতি নাই। তথ্যপাতি পালে সদনত জনাম।

Shri B.K. Basumatari: This is a case of false report spread out by some interested people. So, will the Govt. of Assam take measures, so that this kind of false rumours do not spread out.

Mr Speaker: Chief Minister will give statement before the House.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মূখ্যমন্ত্ৰী )

মাননীয় অধ্যক্ষ ডাঙৰীয়া,

সদনৰ কেইবাগৰাকী মাননীয় সদস্যই ৰাজ্যিক লটাৰীৰ শিতানত অতিমাত্রা ধনৰ মঞ্জুৰী দিব খোজা হৈছে বুলি সমালোচনা আগবঢ়াইছে।
তাৰ পৰিপ্রেক্ষিতত এই বিষটো স্পষ্টকৈ বুজাই দিয়াৰ আৱশ্যকতা অনুভৱ কৰিছোঁ।
১৯৮০.৯০ বছৰটোৰ বাজেটত "২৫-ৰাজ্যিক লটাৰী আৰু অন্যান্য"-এই মঞ্জুৰীটোত ১৮৮.৩৩ কোটি টকা ধাৰ্য্য কৰা হৈছে। এই মঞ্জুৰীৰ মূখ্য শিতান কেইটা হ'ল

২০৭০ অনান্য প্রশাসনীয় সেৱা—৯৬.৪১ লাখ টকা

২০৭৫ বিবিধ সাধাৰন সেৱাসমূহ—১৮৭.২৬ কোটি টকা

২২৩৫-সামাজিক নিৰাপত্তা আৰু কল্যান—১০ লাখ টকা

মুঠ-১৮৮.৩৩ কোটি টকা

(২) ২০৭০- অন্যান্য প্রশাসনীয় সেৱা-এই মূখ্য শিতানত ৯৬.৪১ লাখ টকা ৰাজ্যিক লটাৰী সঞ্চালকালয় আৰু সাহায্য মঞ্জুৰীৰ বাবদ ধৰা হৈছে। ২০৭৫-বিবিধ সাধাৰন সেৱাসমূহ মূখ্য শিতানটোত পুৰস্কাৰৰ ধন আৰু লটাৰী টিকট ছপোৱাৰ বাবদ ধৰা হৈছে ৭.১৭ কোটি টকা। এইটো শিতানতে ৰাজ্যিক চৰকাৰী কৰ্ম্মচাৰীসকলৰ দৰমহাৰ সংশোধনীৰ বাবদ হবলগীয়া ব্যয়ৰ বাবে ১৮০ কোটি টকাও ধৰা হৈছে। যিহেতু দৰমহা আয়োগে এই পৰ্য্যন্ত প্রতিবেদন দাখিল কৰা নাই, সেয়েহে এই ধন বিভিন্ন মঞ্জুৰী সমূহত ভগাই দিয়া সম্ভৱ নহয়। সেইকাৰনেই, ১৮০ কোটি টকা থুলমূলকৈ ( Lump sum ) ধৰি থোৱৰ প্রয়োজন হৈছে। বিত্ত বিভাগৰ দ্বাৰা চলোৱা এটা মঞ্জৰীৰ অধীনত এই ব্যৱস্থা কৰিবলগীয়া হৈছে।
(৩) বিত্ত বিভাগে চলোৱা মঞ্জুৰী কেইটা হৈছে

| মঞ্জুৰী নং | সেৱা |
|---|---|
| ৫- | ৰিক্রী কৰ আৰু অন্যান্য কৰ |
| ১০- | অন্যান্য ৰাজহ সেৱা |
| ১৩- | কোষাগাৰ আৰু হিচাপ প্রশাসন |
| ২৩- | পেঞ্চন আৰু অন্যান্য অৱসৰ-জনিত সা- সুবিধা |
| ২৫- | ৰাজ্যিক লটাৰী আৰু অন্যান্য |
| ৪৪- | উত্তৰ পূৱ পৰিষদ আঁচনিসমূহ |
| ৬৮ | চৰকাৰী কৰ্ম্মচাৰীসক লৈ ঋনআৰুআগধন। |

(৪) উক্ত ২৫ নংমঞ্জুৰীৰ অধীনত ১৮০ কোটি টকা থূলমূলকৈ ধৰি থোৱাৰ ব্যৱস্থা কৰা হৈছে। সম্পূৰ্ণ বিধিগত কাৰনত ( Technical reasons ) এই ব্যৱস্থা কৰা হৈছে। চৰকাৰে দৰমহা আয়োগৰ অনুমোদনাৱলী পোৱাৰ পিছত এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহন কৰাৰ লগে লগেই এই ধন অন্যান্য বিভিন্ন মঞ্জুৰীত ভগাই দিয়াৰ ব্যৱস্থা কৰিব।

(৫) ব্যয়ৰ লেখানুদানৰ ( vote-on-Account )বাবে আটাইবোৰ মঞ্জুৰীৰ খৰচৰ এক-চতুৰ্থাংশহে অনা হৈছে। সেইমতে ২৫ নং মঞ্জুৰীত ধৰা হৈছে। ৪৭.০৮ কোটি টকা। এইটো এটা সচৰাচৰ কৰি থকা ধৰনৰ কাম আৰু ইয়াত কোনো বিশেষত্ব নাই।

Mr. Speake–Now, item No. 2, Shri Kusumbar Tairai.

Shri Abdul Jabdar-Sir, I have an important question to raise in the Zero Hour.

Mr. Speaker-zero hour is over. please sit dowa.

Shri Abdul Jabbar : Sir, the question was very important. Students were mercilessly beaten by the police. But as the question was not allowed by the Speaker, in protest I am walking out along with my members.

## Call Attention Notice

মাননীয় অধ্যক্ষ : এতিয়া আইটেম নম্বৰ ২ ত বিধায়ক শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ) য়ে কব।

শ্ৰীকুসুম্বৰ টাইৰাই ( গগৈ ) : অসম বিধান সভাৰ প্ৰকিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ নং ৫৪ নং অধীনত ১৯৮৯ চনৰ ১০ মাৰ্চ তাৰিখৰ আজিৰ 'অসম' কাকতত প্ৰকাশিত "দ্ৰুত গতিৰে নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ দাম বৃদ্ধি' শীৰ্ষক বাতৰিটো মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয় নথকাৰ বাবে প্ৰশ্নটো উঠাই লৈছো।

## Matter Under Rule 301

মাননীয় অধ্যক্ষ : এতিয়া আইটেম নং ৩ ৰ মতে শ্ৰীশেখ আব্দুল হামিদে কব ।

শ্ৰীশেখ আব্দুল হামিদ : মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত "শৈক্ষিক বৰ্ষৰ চিত্ৰখন অতি ভয়াবহ : ৩৬৫ দিনত ৭৫ দিনহে ক্লাচ হয়" এই সম্পৰ্কে বিষয় এটি

উত্থাপনৰ জৰিয়তে শিক্ষা মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰা হল। সাম্প্ৰতিক অসমৰ শিক্ষাজগত অতি নিম্ন স্তৰলৈ ঢাল খাইছে। ইয়াত দেখা গৈছে তালিকামতে অৰ্থাৎ ১৯৮৮ চনত মুঠ বন্ধ গল ৮৭ দিন+৯৩ =১৮০ দিন এতেকে ৩৬৫ দিনত থাকিল ৩৬৫−১৮০ = ১৮৫ দিন। ইয়াৰ লগতে আৰু কিছুমান স্থানীয় বন্ধ,অৰ্দ্ধ ছুটি, আকস্মিক ছুটি, দেওবাৰ, প্ৰতিখোলা শনিবাৰে আধা বন্ধ, এই বিলাক আছে। ১৮৫ দিনৰ ভিতৰত প্ৰায় ভাগেই শিক্ষক সকল অনুপস্থিত। থাকে। সেই হিচাপে কোনো দিন ক্লাচ নহয়। বাৰিষা বানপানীটো থাকেই। সেইদৰে মেল, মিটিং, পৰীক্ষা, শিক্ষকৰ অনুপস্থিতি ধৰি মুঠতে ৩৬৫ দিনৰ ভিতৰত ৭৫ দিনহে ওৱৰকিং ডেইজ' হৈছে। ইয়াৰোপৰি ১৯৮৮ চনত চিলাৰায় দিৱস, গোপাল দেৱৰ তিথি, হৰিদেৱৰ তিথি শ্যাম পূজা, লাচিত দিৱস, ছুকাফা দিৱস ইত্যাদি বন্ধ বিলাক ডিকলাৰ কৰা হৈছে। এই বন্ধ বিলাকত লৰা-ছোৱালীকে বন্ধৰ তাতপৰ্য্য উপলব্ধি কৰিবৰ কাৰণে এই বন্ধ নিদি মহাপুৰুষ সকলৰ জীৱনী আলোচনা কৰাৰ ব্যৱস্থা কৰা হয় তেতিয়াহলে আমাৰ লৰা-ছোৱালী বিলাকৰ যথেষ্ট উপকাৰ হব, তথা শিক্ষা পাব। এইটো ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মহাত্মা গান্ধীৰ জন্ম বা মৃত্যু দিন, জৱাহাৰলাল নেহেৰুৰ জন্ম বা মৃত্যু দিন, হজৰত মহৰ্ম্মদ, যীশু খৃষ্ট ইত্যাদিৰ কাৰণে দিয়া বন্ধৰ দিনবোৰত এই মহাপুৰুষ সকলৰ জীৱনী বা কাৰ্য্যাৱলী স্কুলবোৰত আলোচনা কৰিলে বেছি ভাল হব বুলি ভাবো। এই দিনবোৰত স্কুলবোৰ বন্ধ নিদি এই মহান ব্যক্তি সকলৰ কৰ্ম্মৰ বিষয়ে ল'ৰা-ছোৱালীক অভিজ্ঞ লোকৰ দ্বাৰা ভাষণ দিয়াব লাগে। এনে কৰিলে ল'ৰা-ছোৱালীবো কামত আহিব আৰু শিক্ষাৰো উন্নতি হব। তেনেকৈয়ে চিলাৰায়, লাচিত বৰফুকন, চুকাফা আদিৰ বাবে স্কুল বন্ধ নিদি এই লোক সকলৰ জীৱনী আলোচনা পাতিব লাগে। বিশ্ব বিদ্যালয় আৰু কলেজৰ অধ্যাপক সকলৰ দ্বাৰা এনে আলোচনাৰ ব্যৱস্থা কৰা ভাল। এনে কৰিলে শিক্ষাৰ মানদণ্ড উন্নত হব। ল'ৰা-ছোৱালীৰ জ্ঞান বৃদ্ধি হব। আৰু এটা কথা মই এই খিনিতে উল্লেখ কৰিব খুজিছো সেইটো হৈছে স্কুলৰ গৰম বন্ধৰ কথা। জুন জুলাই মাহত গৰম বন্ধ হয়। আৰু বাৰিষা বানপানীৰ কাৰণেও বহুতো স্কুল বন্ধ কৰিব লগা হয়। এনে গৰমৰ বন্ধটো বানপানী হোৱাৰ আচল সময় খিনিত দিব পাৰিলে ভাল হয়। নাইবা অলপ ইফাল সিফালে এডজাষ্ট কৰিব পৰা যায় নেকি বিবেচনা কৰিব লাগে। আনহাতে বানপানী হোৱাৰ লগে লগে

গবমৰ বন্ধ দিব পাৰিনেকি সেইটোও চাব লাগে। এনে কিবা এডজাষ্টমেণ্ট কৰিব পাৰিলে আমাৰ শিক্ষাদানৰ দিন বৃদ্ধি পাব আৰু শিক্ষাৰ মানদণ্ডও উন্নত হ'ব। এই বিষয়টোৰ ওপৰত মই মাননীয় শিক্ষামন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো। আমাৰ ল'ৰা-ছোৱালীয়ে যাতে ভাল শিক্ষা পায়, শিক্ষাৰ মানদণ্ড উন্নত হয় তাৰ প্ৰতি আমি সকলোৱে চিন্তা কৰা উচিত। আমাৰ স্কুল বিভাগত স্কুল পৰিদৰ্শন কৰিবৰ কাৰণে এচ, আই, ডি, আই আছে যদিও তেখেত সকলে ঠিক মতে স্কুলবোৰ পৰিদৰ্শন নকৰে। কেতিয়াবা কৰিলেও কোনোবা স্কুলত কিবা বিসঙ্গতি পালেও টকা-পইচা ভেটি লৈ কোনো একচন নলয়। এনে অভিযোগ বহুত আছে। আমাৰ শিক্ষা বিভাগে ৰাজ্যখনত শৈক্ষিক পৰিবেশ গঠন কৰাৰ ব্যৱস্থা কৰিব লাগে। এই কথা কেইটাৰ প্ৰতি আমাৰ শিক্ষা বিভাগে গুৰুত্ব দিব বুলি মই আশা কৰিলো আৰু মাননীয় বিভাগীয় মন্ত্ৰীৰ বিষয় কেইটাৰ ওপৰত দৃষ্টি আকৰ্ষণ কৰিলো।

**মাননীয় অধ্যক্ষঃ-** এতিয়া ৰাজ্যিক শিক্ষা মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰীযতিন মালী (ৰাজ্যিক শিক্ষা মন্ত্ৰী)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ ১৯৮৯ চনৰ অধিবেশনত ইং ৩।৪।৮৯ তাৰিখে আলোচনা হব লগীয়া জাননীৰ সন্দৰ্ভত তলত দিয়া ধৰণে জনোৱা যায় —

"মুজাহিদ" নামৰ সাপ্তাহিক কাকতত ৬।১।৮৯ তাৰিখে প্ৰকাশ পোৱা শৈক্ষিক বৰ্ষৰ চিত্ৰখন অতি ভয়াবহ ঃ ৩৬৫ দিনত ৭৫ দিনহে ক্লাচ হয় শীৰ্ষক বাতৰিটো মোৰ দৃষ্টি গোচৰ হৈছে।

বিভিন্ন জিলাৰ পৰা পোৱা বিদ্যালয়ৰ বন্ধৰ তালিকা পৰীক্ষা কৰি দেখা যায় যে বিদ্যালয়সমূহৰ বন্ধৰ তালিকা নিম্নলিখিত ধৰণৰ —

(১) বিভিন্ন উৎসৱপাৰ্বন — ৮০ দিন

(২) উচ্চ মাধ্যামিক আৰু উচ্চতৰ
মাধ্যমিক আৰু শেহান্ত পৰীক্ষা বাবদ — ৩০ দিন

(৩) স্থানীয় সভা-সমিতি আদিত — ১০ দিন

---

মুঠ ১২০ দিন

ইয়াৰোপৰি বিদ্যালয়সমূহৰ কাৰ্য্যকৰী কালছোৱাত—

(ক) বাৰ্ষিক খেল-ধেমালি সাংস্কৃতিক প্ৰতিযোগিতা বাছনি, বছেৰেকীয়া আৰু ছমহীয়া পৰীক্ষাৰ বাবদ — ৫৪ দিন

(খ) কাৰ্য্যকালৰ ভিতৰত পৰা দেওবাৰ — ৩৪

---

মুঠ ৮৮ দিন

ওপৰোক্ত হিচাবমতে দেখা যে যায় সৰ্ব্বমুঠ ৮৮+১২০=২০৮ দিন বিদ্যালয়সমূহত পাঠদান কৰা সম্ভৱ নহয়। সেই হিচাবত বছৰি ৩৬৫-২০৮=১৫৭ দিনহে বিদ্যালয় সমূহত পাঠদান কাৰ্য্য চলে আৰু যিবিলাক বিদ্যালয়ত পৰীক্ষা কেন্দ্ৰ পতা নহয়, সেইবোৰ বিদ্যালয়ত মুঠ—১৮৭ দিন পাঠ দান কৰা হয়। গতিকে কেৱল ৭৫ দিনহে ক্লাচ হোৱা কথাটো সত্য নহয়।

## General Discussion on the Budget

*Mr. Speaker: Now item No.4. General Discussion on the Budget. Honourable shri Charan Narzary.

Shri Charan Narzari: Hon'ble Mr. Speaker Sir, I the budget means as we understand, is jugglery of figures. I do want to enter into these jugglery of figures. What I want to impress upon now is that whataver the nature of the budget the money should be utilised by the Gevernment properly. The money should go for the work for which the money is meant. Hon'bie Chief Minister has come forward with a deficit budget, so we have a deficit budget. It is not surprising, it is nothing now. All the years the State Government is runing with deficit budget. There is no exampls of surplus budget anywhere either in the State of Assam or in any other State of the country. States are for many things depandent upon the centre. Now sir, here in the State of Assam the law and order situation is such that the budget is likely to be irrelevant, meaningless. Bacause of the extremely disturbing law and order situation money could not be utilised by the Government in many parts of

*Speech not corrected

the State specially in the tribal areas like Kokrajhar district and Udalguri subdivision. Thers has been colossal loss of public and private properties. Unspacific number of valuable human lives have been lost; Academic atmosphers has totally gone.

Educational institution have been destroyed ; Pre-University Examination could not be held in the district of Kokrajhar and in Udalguri Subdivision ; Matriculation Examination which is now going on, could not be held in these two areas; there has been total disruption of communication ; almost all the road bridges on important roads in the district of Kokrajhar and in Udalguri Subdivision have been destroyed and so forth and so on.

Now in the context of this sort of a serious situation, what is the duty of the Government ? How the Government proposes to face the situation and protect the public and private properties as well as human lives ? In the context of this situation how much amount of money is needed to cope with the situation ? These are the questions before us. In the present day context, the state budget should be prepared by the Government in antitipation of what wauld be the requirement. If the budget is not prepared in anticipation of all these, next time-next year there will be more difficulty, and if the Government, because of want of sufficient funds, will not be able to meet the extra-ordinary situation, if the Government will fail to meet the requirement, that will result in the extreme sufferings of the people. Sir, Upen Brahma Faction of All Bodo Students Union have done all these, but on this account Government cannot shake off their responsibility ; Government have to

shoulder the responsibility. Hundreds of schools are to be constructed ; and hundred of bridges and buildings have to be constructed or repaired and so on and so forth. If there is no provision made in the Budget for all these, then the people will have to suffer more especially during the smer season. Monsoon is approaching. No doubt what has been done and what is being done by the militant ABSU activists is self-destrictive. I do not know whether they are well-aware of what they have been doing, but it seems they are getting thrilled because whatever incident is taking place is being high-lighted through the mass-media and the are believing that through this violant method they will only be able to achieve their end. we do not blame them for their agitation, but we do not approve of their commission of crime. We have every constitutional right to agitate for a good cause. They have also the right to agitate as long as possible, as long as they can provided the agitational method remains non-violent. Unfortunately it is not so. This is the story of the movement for a separate Bodo land. Now there is arson, houses are burning; school and other buildings are burning till now; bridges are being damaged and burnt ; there are other types of incidents also that are taking place in the district of Kokrajhar and Udalguri Subdivision. This is a problem which concerns us all. And the problem as has been described by the Hon. Chief Minister is a political problem. He invited a meeting of all Political Parties and all Tribal organisations the other day in the Janata Bhavan auditorium to discuss about the problem. As it seemed to us, Government is not in position to tackle the situation. Inspite of deployment of C.R.P.F. and Army as well as Assam Police forces, there is no im-

provement in the law and order situation in Kokrajhar District and Udalguri Subdivision. In the early state we were told that there would be sufficient number of forces to protect the lives and properties of the people More police forces have been deployed. Yet the Government have failed to effect any impovemment in the law and order situation. Rather the law and order sistuation has assumed more dangerous, more sirious diamension. Some companies of C.R.P.F. have been brought. Even then there is no marked imprnvement in the law and order situation. Army has been deployed to remain as a stand by-no improvement in the situation. If this is the position, my question is-whether it will at all be possible for this Government to control the situation. In the meantime, these tribal areas are burning every day,·· Not only that···Not only that there are arson casses, killings of innocent people and destruction of public and private properties. Sir their will be no end to it. They have become more and more ngrier and it is no use of to-lling about the grounds for which these people have become angry. Why these people have turned into frankenstine and indulging in all sorts of crimes in knowing what they have been doing for their own society. who is responsibie for that ? Sir Government cannot shake of its responsibility. State Government is there, Central Govern ent is there and they have share the responsibilities. No use of blaming each other of course, sir there are certain quarters of vested interests who are trying to take the advantage of the situation to meet their own narrow ends. Sir, how long this sort of unhappy situation will be allowed to continue ? Sir, it is a situation which is being allowed

to drift. Repression and suppression along cannot put this situation to an end. There must be a solution to the problem Government should enter into the problem. Without a solution of the problem how do the Governmen propose to bring about peace, amity and harmony. There fore, sir, a solution must be found out. Sir, the Chief Minister himself has declared that it is a political problem. That means Government have admitted that it is a political problem. So, sir, it should be solved politically. Therefore, sir, a concrete and positive formula must be evolved and the Government should continue to evolve a process of formula through a series of discussions and negotiations. Of course, sir, for that a congenial atmosphere is also necessary. All Tribal Organisations should also be involved including Shri Upen Brahma faction of ABSU. In order to create a congenial atmosphere, I would like to appeal through you, sir, to the Upen Brahma faction of ABSU to stop all sorts of agitations. They should lay down their arms and Govarnment should also take some sort of liberal steps so that there may not be indiscriminate harasament. In this way attempt should be made to create a congenial atmsphere for a solution of the problem. Sir, it has become a talk of the day as to how this problem can be solved. So, it is a matter which can never be ignored. State Government should be prepared mentally. ABSU activists a rethinking that they have made so much much of sacrifices for their movement and they should gain something. Therefore, sir what will be the solution that is to be evolved. It is to be decided. Sir, the solution of the Problem mainly depends on the State Gavernment as well as the Central Government. We do not want to blame

anybody because more we go on blaming one another it creates more confusion. Sir, personally I have been prined very mnch specially when the Honb'le Member Shri B.K. Basumatary made a remark while delivering his speech on vote on accounts on 30th March,88. He was telling that Hon'ble Chief Minister had a secret discussion between Ramcheria Group of ABSU anb P.TCA members. Sir, in the M.L.A. Hostel lot of Ramcheria Group of ABSU boys and PTCA members were seen and from that the Hon'ble Members presumed that Chief Minister has entered into some secret discussion with these people and the money earmarked in the Supplementary under the head State Lotteries is likely to be diverted in providing arms to these Ramcheria Group of ABSU boys suppress or destroy the Upen Brahma faction of ABSU's agitation. Sir this sort of statement creates confusion. I do not know what was his intention in making such a statement. Itwas unfortunate. I do not know, I am not aware at all whether there was any such secret discussion or a meeting. The Chief Minister alonge can tell us. But I am not personally aware of it at all. And, the Ramsiary Group of ABSU boys never told us and as far as we know it was not a fact, There was no basis. I do not know whether this remark of Mr. Basumatari was intended to make Upen Brahma activists more angrier against Ramsiary Group of ABSU so also the PTCA. This is dangerous. Anyway Sir, the State Government shonld take some positive steps to meet the demands of tribal people in consultation with the Tribal organisations including the Upen Brahma of Group ABSU. The State Goverment is always telling that door is open for discus-

son. But I should remind the Government that there should not be any pre-condition imposed for such discussion. From the Upen Brahma group also there should not be any pre-condition Unconditionally there should be discussion and for that congenial atmosphere has to be created and the responsibility for creation of this congenial atmosphere does not rest with one side only but on the both sides.

Anothar point, Sir, in the wake of ABSU agitation so many people have been rendered homeless and shelterless. They are still roaming here and there for shelter. But nothing has been dons to provide these affected people with shelter. Monsoon is approaching. Rains already started. The people who have lost their houses where will they stay? They do not have any roof under which they can take shelter. And the State Administiration in spite of our repeated approach they are doing nothing. This is very bad. Government should come forward to help them either materially or in cash. We feel disgusted as it is of no use approaching the district administration. Whom to talk to? To the Deputy Commissioner, to the S. P. or to whom? We talked to the Chief Minister, we talked to the Home Minister and others in the Government but all to our dispair. So, Sir, innocent people who have lst their lives in the wake of agitation, the people whose house have been burnt down should be given proper relief and rehabilitation assistance. If this is not done the situation in the tribal areas is not likely to improve. Recently I had been to Jonai. There was some social tension. We talked to the people and asked them to see that the social tension by all means is eased and any possibility of communal flare up should be

averted. It is the responsibility of the members of all political parties, organisations and the public in general, irrespective of caste or creed. We discussed the whole matter with the SDO, SDPO and others. Public leaders were also there. Some Mishing people complained there that few months back some mishing youths had been killed unprovocked by the Assam Police Battalion. PTCA demanded judicial inquiry on this. They reported to us that the magisterial enquiry was ordered. The Magistrate concerned enquired into the matter. What report was given to the Dy. Commissioner that was not known to us of course. Again yesterday we had been told that the Dy Commissioner was personally enquiring into the matter again. Govt. should take what actually is going on there into consideration and the families of the victims should be given adequate relief because these are the ways to ease the situation.

Lastly, I want that the budget presented by the Chief Minister should include provision, I mean, adequate provision to make good of the losses incurred in the wake of ABSU agitation. Destruction of wooden bridges in hundreds, destraction of school and college buildings and other institutions should be taken into consideration. While preparing the budget if no provision is kept in the budget then the Govt. will be again in difficulty when the question of reconstruction or repairing of all these destroyed institutions and the bridges will come up. Govt. will have to make appropriate provision for this. If this is not done then the situation is likely to be worsen still further, There will be more aggravation of situation. With these words, Sir, I resume my seat.

Shri Binal Khungur Basumatari : Mr. Speaker, Sir, this Budget is an indication of the State's finances. In the report placed before us, it indicates the receipt in a year callected by the State administration and after the receipt how the Government proposes to spend these receipt and on what heads. So if we look at the reccipt side and also scrutinise the expenditure side we will know the philospphy or the purpose or the pre-occupation of the Budget. Here we find that the Budget speech has started on an passimistic note. In the second para in the second sentence we find" It is natural for the honourable members to enquire about the causes of this crisis. The crisis is a manifestation of the accumulated problems." Then the other reason for the passimistic note in the Budget is another sentenee in the second para. I quote "The steep stop up in the Plan outlay during the sixth and seventh Plans beginning from 1980 81 has imposed a severe debt burden on the State." Sir, hon'ble Finance Minister on the Chief Minister has prepared his background of the budget and he squarely called a spade a spade and says it is a crisis and the budgeting procedure and the financial affairs of the State is in a crisis and this as accumulated for last so many years. Now, therefore, after the statement when we look at the expenditure side we find the Philosophy of the budget. I wish to call this budget an escapist budget. The present Government did not want to face the reality and tried to excape from the crisis by presenting such a budget. In the para under the heading "additional resources" it says squarely "The additional resource mobilisation of abour 185 crores for both 1987-88 and 1988-89 was anticipated to accrue largely from revision of oil royalty which

did not materialise.." Therefore, Sir, even the anticipaeted resource mobilisation did not materialise. Therefore, in this budget, the Finance Minister has started with receipt side, which is very poor. What about the expenditure? if we go to page 17- the non-plan expenditure, the Chief Minister has admitted, I quote "Thus 81% of the non-plan budget is consumed by salaries, pensions and debt servicing. Sectorwise, the highest expenditure is in Education (Rs. 274.6 crores) followed by Police (Rs. 133 crcres), Public Works Department (Rs. 63 crores) and Health (Rs. 56.6 crores) This is, in brief, the eseence of the budget. First this is an escapist budget. The Government said the crisis is accumulated one the second is resource mobilisation could not take place. It spends 81% on the maintenance of officials of the Goveramemt. This is the background of the budget Then at page 2, I quote "This practice has discontinued by the Government of India since 1986, not only in the case of Assam but all over India, with the result that the States have been forced to live within their budgetary resources. This is another major cause of the present crisis. "Sir, the Government of India has decided that the States should live within its own resources, but our Government says it is their constraint. What does it mean? Then in Assam we follow the Indian philosophy "Rinang kritwa ghreetang pibeth". That is, by borrowing let us have the butter and all enjoyments of life. If you really love India, if you really love Assam we have to make our living within the resources we have. Nobody wanted the Congress to continue. We wanted a new beginning. At page 2 again, it said that when this Government took over with deficit and that de-ficit

stood at Rs. 128 crores or March. 31, 1988, and during their AGP period the deficit rose to 117 crores ( minus the deficit of Rs. 11 crores as on 31.3.86 ). ( At this stage Mr. Speaker left the House and Mr. Deputy Speaker occupied the Chair) Then again, an amount of Rs. 334 crores was paid to the Government of India on account of servicing of Central loans. This amount could be kept in the bank for 9 months and earn interest and thereby we could have got some relief. (Bell rings). Sir, I will conclude since you have ring the bell. Mr. Charan Narzary has said so many things. I have a different point of view alltogether. Kindly allow me to elaborate. ABSU. and we have started a democratic and Constitutional movement. why ABSU took a violent turn ? I have to analyse. Sir, the first public demonstration at Guwahati took place on 12.6.87 and when boys were going back to Kokrajhar and at Tihu point one Sujit Narzary was killed by stoning by the Assamese chauvinists. Three bus loads of our boys and girls were kept in the Nalbari jail. I went to the Chief Minister. He could understand the situation and he immediately arranged for the realiase of the boys and girls. But unfortunately it was a holiday and I could not even got a lawyer. After a great deal of difficulty one lawyer from the minority community was found out but that day being a holiday the Assam Government Public Prosecutor protested. These are the things. It is a matter of justice. We are conducting a movement and the movement will continue to be peaveful. I agree with whatever Mr. Narzary has said. One thing he said about my speech on the Vote on Account Bill. I went to the Chief Minister where I found Shri Gangadhar Ramchiari there. I met

the Home Minister and the Chief Minister at the end of October last and told them that ABSU would postpone their movement to facilitate the holding of discussions and that I was given an assurance that ABSU will be inrited for discussion, but it did not take place. Now there is no use of n aking charges and counter charges that ABSU did not want to suspend the movement.

Sir, on 23rd Last month all the parties agreed that there should be a peaceful atmosphere for holding discussions, I have found, Sir, that some of the tribal groups later on met the Chief Minister and a section of the Press reported that the decissions made by all the political parties and the tribal people were rejected in this subsequent meeting. Sir, the Government have ingnored the decision taken in the meeting of all the political parties and the tribal people and there-after set pre-condition for the discussions. In this way, Sir, we will not be able to resolve the problem and bring normalcy in the State. Sir, we all want a peoceful solution of the vexed problem. Sir, I wanted to speak on financial matters. However, as I have limited time in my hand, I want to conclude by mentioning one point only. That, Sir, this Government have presented before us the pattern of Plan Assistance by the Centre which has brought about the alarming debt position in the State. Sir, the Chief Minister has stated that where as all the north-eastern States receive Plan assistance by way of 90% grant Assam is eligible for only 30% grants, exoepting the Hill Plan which is financed on 90% grant basis. Sir, This is a direct admission of the State Govt. that while the hill areas plan is substantiated by the plan assistance by the Centre only 30% asstaince is granted for plain areas.

Sir, what would have happened it the State Government carried out Census in 1980-81 ? Sir, if it was done so, then the real figure of the population would have come up and if it was shown that the tribal people were in majority then the Central Government under Article 275 would have given more assistance to Assam also. But, now, Sir, the State Government is trying to show that tribal people constitute only 9 or 10% of the population of the state and even it has been stated recently that Bodos constitute 4% only. Sir, this is a very sorry state of affairs to keep on reducing the tribal population and I am afraid it may be stated one day that tribal people constitute only 2% of the population. Sir, this practice should be immediately stopped. Sir, if I had time then I would have explained how the Assamese people do not even consititute even one fourth of the total population of the State.

Shri Prafulla Kumar Mahanta ( Chief Minister ) : Mr. Deputy Speaker, Sir, I want to clarify some of the points.

মূখ্য মন্ত্ৰী হিচাবে মই সকলো শ্ৰেণীৰ মানুহকে লগ পাও। বিধায়ক শ্ৰীবসুমতাৰী ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ ৰামচিয়া ৰীয়ে মোক লগ পোৱাতো কোনো ডাঙৰ কথা হব নোৱাৰে। পপুলেশ্যন ফিগাৰ যিটো সেইটো ১৯৭১ চনৰ চেনচাচ মতেই কৰা হৈছে। আমিতো তেতিয়া ক্ষমতাৰে অহা নাই।

শৰত চন্দ্ৰ সিংহ : এতিয়া বসুমতাৰী ডাঙৰীয়াই কওক, বেলেঞ্চ টাইম খিনিত মই কম।

Mr. Deputy Speaker : Shri Amritlal Basumatar

*শ্ৰীঅমৃত লাল বসুমতাৰী : এই বছৰৰ বাজেট খন কালিদাসৰ ভাষাত কবলৈ হলে শুষ্টম শুষ্টক তিষ্টতি অৰ্থাত শুকান কিতাপ এখন আমাক দিছে। তুলনা মূলক ভাবে এইটো শুকান। কাৰণ অন্যান্য বছৰৰ প্ৰথম বাজেট বক্তৃতাত আমি দেখিছিলো আৰু বহুতো প্ৰতিশ্ৰুতিৰে ভৰপুৰ এখন সুন্দৰ অসম গঢ়াৰ কথাও

*Speech not corrected

শুনিছিলোঁ। ১৯৮৬।৮৭ চনত এটা প্ৰভিজ্যন পঢ়িলেই আমি গম পাম যে আইট্যাম-৮ ইয়াত পেজ ফোৰত বৰ ধুনীয়া প্ৰতিশ্ৰুতি দাঙি ধৰিছিল আৰু অন্যান্য বছৰতো এনেকুৱা প্ৰতিশ্ৰুতি দিছিল, এইবাৰ কিন্তু তেনেকুৱা একো নাই। অকল বোজা আৰু বোজা। আমি বহুত ঋণৰ বোজা ইতিমধ্যে বহন কৰিব লগীয়া হৈছে তাৰোপৰি আমাৰ প্ৰত্যেকৰে গাত ঋণৰ বোজা আছেই। তাৰোপৰি নতুনকৈ টেক্স বঢ়াব খুজিছিল অৱশ্যে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই কেইটামান বস্তু ওপৰত আৰোপকৰা টেক্স উইদ্ড্ৰ কৰিম বুলি প্ৰতিশ্ৰুতি দিছে। গতিকে দেখা যায় এই বছৰৰ বাজেটত কোনো দেভোলপমেণ্ট স্কীমৰ কথা ডাঙি ধৰিব পৰা নাই। মই উদ্যোগৰ ক্ষেত্ৰত এটা কথা কব বিচাৰিছো যে উদ্যোগৰ ক্ষেত্ৰত আমাৰ নতুন চৰকাৰে বিভিন্ন সময়ত বিভিন্ন প্ৰতিশ্ৰুতি দিছিল।৮৬।৮৭ চনৰ বাজেট বক্তৃতাত তেওঁলোকে কৈছিল যে ১২শ মান স্মলস্কেল ইন্ড্ৰাষ্ট্ৰি কৰা হব আৰু তাত চাৰেসাত হাজাৰ যুৱক যুৱতিক নিযুক্তি দিয়া হব। তাৰ পাচত ১৯৮৭।৮৮ চনত ৩০।৩৫ হাজাৰ যুৱক-যুৱতীক কৰ্ম্মসংস্থাপন দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। তাৰ পাচত ১৯৮৮।৮৯ চনত বাজেটত সেউজ আচঁনীৰ যোগেদি নিযুক্তি দিব বুলি কৈছিল। তাৰোপৰি বিভিন্ন হেভী আৰু মিউজীয়াম ইন্ড্ৰাষ্ট্ৰিৰ জৰীয়তে বিভিন্ন যুৱক-যুৱতীক কৰ্ম্ম-সংস্থাপন দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু এই প্ৰতিশ্ৰুতি বিলাক কামত আহিছেনে নাই, এই বিষয়ে এটা বিৱৰণ এই বছৰৰ বাজেটত থাকিব লাগিছিল। ইমান বিলাক যদি নিযুক্তিৰ স্কোপ হৈছেয়েই তেতিয়া হলে নিবনুৱাৰ সংখ্যা বাঢ়ি গৈ এনেকুৱা এটা প্ৰোচেচত নাথাকিলেহেতেন। আমাৰ চৰকাৰে বিত্তীয় সংকট দূৰ কৰাৰ কাৰণে বিভিন্ন কথা চিন্তা কৰিছে। আছলতে আমাৰ চৰকাৰৰ যিটো অৰ্থনৈতিক শৃংখলতা লাগে সেইটো নাই। হৈছে বুলি মোৰ ধাৰণা। এতিয়া কব লগা হ'ল যে এগ্ৰিকালচাৰৰ ট্ৰেক্স কেনেকৈ ইমান কম হ'ল। চাহবাগানৰ ওপৰত টেক্স ৰেহাই দিয়া হৈছে। কিয় ৰেহাই দিব লগা হ'ল? ইয়াৰ পৰা আমাৰ এনেকুৱা এটা ধাৰণা হয় যে আমাৰ নেতা সকলৰ বেচি ইনফলুয়েন্স হৈছে নেকি? যদি হৈছে এই কথাটো বিবেচনা কৰি চাবৰ হ'ল। তাৰ পাচত মই টেক্স সংগ্ৰহৰ কথা কব বিচাৰিছো অৱশ্যে বিভাগৰ ট্ৰেক্সৰ কথা মই কব বিচৰা নাই। আমাৰ এটা গেট আছে সেই গেটত যি জন এচ, ডি, অ' আগতে আছিল তেখেতে তিনিমাহৰ ভিতৰতে ১৪ লাখ টকা চৰকাৰক জমা দিছিল, কিন্তু ইয়াৰ আগতে আৰু পিচতও ইমান টকা কৰ এতিয়ালৈকে সংগ্ৰহ হোৱা নাই। তেখেতে কৈছিল অসম চৰকাৰে এই গেটৰ পৰা ১ কোটি টকাৰ কৰ পাব পাৰে। কিন্তু দুখৰ বিষয় যে সেই জন এচ, ডি, অ'ক

কাম কৰাৰ সুবিধা নিদি তাৰ পৰা তিনিমাহৰ ভিতৰতে বদলি কৰা হ'ল। সেইবিলাক কেনেকৈ হবলৈ পালে? সেইকাৰণে এই বিলাক ক্ষেত্ৰত কিছুমান কনচপিৰেচি আছে বুলি মোৰ ধাৰণা হয়। তাৰোপৰি কিছুমান টেলিফোন বিষয়াৰ আছে, এটা টেলিফোন যাৰ নম্বৰ হৈছে ৮৭৯৪১, এই টেলিফোনটোৰ ৯ মাহৰ বিল হৈছে ১ লাখ ২০ হাজাৰ ২৭৬ টকা। ৯ মাহত যদি ইমান টকা এজন অফিচাৰৰ টেলিফোন বিল হয় তেতিয়াহলে বিভিন্ন বিভাগত এই সম্পৰ্কত কিমান খৰচ কৰিছে সেইটোয়ো চাব লাগে। মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ কৰিব বিচাৰিছো এই বিষয়ত এটা শৃংখলাবদ্ধ চিচটেম কৰিব লাগে। লগতে এইটোয়ো ধাৰণা হয় যে অফিচাৰে ৰাজ্যৰ বাহিৰলৈও প্ৰায়েই টেলিফোন কৰে কাৰণ একোটা কলত ২৬ হাজাৰ ২২ হাজাৰ এনেকৈ ধৰা আছে। মই অফিচাৰৰ নামতো কব খোজা নাই টেলিফোন নম্বৰটো যেতিয়া দিছো, নিশ্চয় পাব। এই-বিলাক যদি ৰোধ কৰা যায় তেতিয়াহলে ঋণৰ পৰিমান নিশ্চয় কমিব বুলি মই আশা কৰিছো। তাৰ পাচত বন-সম্পদৰ সম্পৰ্কত মই কব খুজিছো যে আমাৰ বন-সম্পদ বহুত আছে কিন্তু বৰ দুখৰ কথা যে যোৱা ডেৰ বছৰে আমাৰ কচু গাওঁ ডিভিজনত কাঠৰ চেল কৰা নহ'ল। মই যোৱা বাৰ বিধান সভাত কৈছিলো যে এই কাঠ বিলাক চেল কৰাৰ ব্যৱস্থা কৰিব লাগে। তাত প্ৰায় ১০।১৫ কোটি টকাৰ কাঠ পৰি আছে। কাঠবিলাক পচি যাব ধৰিছে, ননচাল বিলাক প্ৰায় পচি গ'ল। এটা যোৱা ১৮ তাৰিখে দিছিল কিন্তু কোনো ঠিকাদাৰে তাত পাৰ্টি চপেট নকৰিলে। কাৰণ বহুতে কৈছে যে চৰকাৰী মুল্য অসম্ভৱ বেচি হৈছে। কাঠবিলাক বৰ্ত্তমান মূল্যতেই স্থিৰ কৰি ৰখাৰ কাৰণে চেল কৰিব পৰা নগ'ল। সেই কাৰণে এইটো অকশ্যনত দিব লাগে আৰু তেতিয়া কাঠবিলাক সোনকালে চেল হব আৰু ৰাজহলৈ টকা আহিব। তাৰ পাচত মই চৰকাৰী গাড়ীৰ সম্পৰ্কত কব বিচাৰিছো। চৰকাৰী গাড়ী বিলাক ব্যৱহাৰ কৰোতে সাবধান হোৱাতো উচিত। আমাৰ কিছুমান নেতাৰ আত্মিয় স্বজনে চৰকাৰী গাড়ী ব্যৱহাৰ কৰি বা অন্যান্য ভাবে নষ্ট কৰিছে। এই যিবিলাক গাড়ী দুৰ্ঘটনা বা অন্য কাৰণত নষ্টয়ো হৈছে তাৰ কাৰণে কোন দায়ী? তাৰ পাচত এনে কিছুমান গাড়ী আছে বুলি জনা যায় যি বিলাক গাড়ী কাৰ্য্যালয়ত কনডেম দেখুওৱা হৈছে কিন্তু লিডাৰ বিলাকৰ আত্মীয় স্বজনে সেই গাড়ী বিলাক ব্যৱহাৰ কৰি আছে। গতিকে এই কথা বিলাকো চাব লাগে। ইয়াৰ পৰা বহুত টকা চেভ কৰিব পাৰে। আমাৰ চৰকাৰে বজাৰ আৰু মহলৰ টেনডাৰ এবাৰেই দিছিল।

বিভিন্ন মহল বিলাক পূৰণা ৰেটতেই এক্সটেনচন দিয়া হৈছে। ইয়াৰ ফলত বহুত টকা লোকচান হৈছে। এই বিলাক এক্সটেনচন নিদি পোনপোটীয়াকৈ টেনডাৰ দিয়া হলে আমি হায়াৰ ৰেট পাব পাৰিলোহেতেন। আমাৰ ডাঙৰ কথাটো হ'ল এতিয়া আমি ইকোনমিক সংকট দূৰ কৰিব লাগে। মই ভাবো আণ্ডাৰ আৰ্টিকুল ২৭৫ আমি আগতে পাইছিলো, মাননীয় সদস্য বসুমতাৰী ডাঙৰীয়াই কৈছে যে ট্ৰাইবেল প্ৰিডোমিনেন্ট হলেহে পায়। আগতে যিহেতু আমি পাইছিলো সেইটো এতিয়া আনিবলৈ চেষ্টা কৰিব লাগে। আমাৰ এচ, চি আৰু এচ, টি কমিটিৰ চেয়াৰমেন ডাঙৰীয়াই কৈছিল যে আমাৰ এষ্টিমেটটো চাবমিট কৰিব নোৱাৰাৰ কাৰণে টকাটো পোৱা নহ'ল। ট্ৰাইবেল ডেভেলপমেন্টৰ কাৰণে আমি যদি এইটো ফ্ৰিগ্ৰেন্ট কেন্দ্ৰৰ পৰা পাওয়েই তেতিয়াহলে সেইটো চেষ্টা কৰি চাব লাগে। তাৰোপৰি আন্দোলনৰ সময়ত বিভিন্ন অঞ্চলত যিবিলাক ব্ৰীজ, হস্পিতাল, স্কুল ইত্যাদি ভাঙি গৈছে সেই বিলাক এই ২৭৫ আৰ্টিকুলৰ পৰা যদি টকটো পাও তেতিয়াহলে আমি এই ক্ষেত্ৰত বহুতে ৰিলিফ দিব পাৰিম। মই এটা কথা কব বিচাৰিছো সেইটো হ'ল বাৰ্ণিং প্ৰব্লেম টু আবছু (উঃ) আন্দোলনৰ বিষয়ে বহুবাৰ আলোচনা কৰা হৈছে আৰু কৰিবও লাগিব। সেই কাৰণেই বাজেটৰ বেচি ভাগ টকা হোম ডিপাৰ্টমেন্টলৈ যাব, 'ল' এণ্ড অৰ্ডাৰ চিটুৱেচন যিমানেই দীঘলীয়া হব সিমানেই বেচিভাগ টকা হোম ডিপাৰ্টমেন্টত খৰচ হৈ থাকিব। মই আগতেও কৈছিলো আৰু মাননীয় সদস্য সকলেও কৈছে যে ৰাজনৈতিক দাবীৰ কথা বিলাক আলোচনা কৰোতে কোনো ধৰণৰ প্ৰি কণ্ডিচন থাকিব নালাগে। এইটো আনকণ্ডিচনেল হব লাগে। জনসংখ্যাৰ ক্ষেত্ৰত কোনো বাই কব ৪০ লাখ কোনোবাই কব ৫ লাখ এইটোলৈ আলোচনা কৰি লাভ নাই। গতিকে এই বিষয়টো সমাধা কৰিবলৈ আমি এটা চাৰ্ভে কৰিলেই হ'ল। তেতিয়া এই গোলমালটো শেষ হব। ১৯৭১ চনৰ পাচত আজি ১৯৮১ চনত যিটো চাৰ্ভে হব লাগিছিল সেইটো নহ'ল। ১৯৮৯ চনত চাৰ্ভে হব লাগে। কাৰণ জনসংখ্যাৰ যিটো হিচাব সেইটো ৰাজ্যৰ ইকোনমিক প্লেনত ৰিফেলক্ট নকৰিলে বাজেটখন সুন্দৰ বা উন্নয়নমুখী হব নোৱাৰে। আবছু (উঃ) গোটৰ লগত আনকণ্ডিচনেল আলোচনাৰ কাৰণে এটা ডেট ফিক্স কৰিব লাগে। মোৰ বিশ্বাস তেওঁলোক এই আলোচনালৈ আহিব। তেওঁলোকে যিহেতু কেন্দ্ৰীয় চৰকাৰৰ বিষয়া আলোচনাত থকাটো বিচাৰিছে আৰু কোনো দলৰ লগত একেলগে বহিবলৈ বিচৰা নাই গতিকে তেওঁলোকক সুকীয়াকৈ আলোচনাত বহাৰ ব্যৱস্থা

কৰিব লাগে। আমাৰ মাননীয় সদস্য দীন বন্ধু চৌধূৰী ডাঙৰীয়াই জিৰো আৱাৰত যিটো প্ৰশ্ন উত্থাপম কৰিছে সেইটো সঁচা নহয়। সেইটো ইমান চিৰিয়াচ নহয় যে উপেন ব্ৰহ্মই চিকিৎসাৰ কাৰণে বিদেশলৈ যাবলগীয়া হৈছে। আজি ভাৰতবৰ্ষৰ এটা পলিটিকেল পাৰ্টিয়ে তেওঁলোকৰ পিচত থকাটো সকলোৱে স্বীকাৰ কৰিছে। কিন্তু সেই ধাৰণা ব্ৰহ্মপুত্ৰ ভেলীৰ গানোচা নোপোৱাৰ কাৰণে এই ভেলীৰে মাফলাৰ গলত ল'ম এইটো ডাঙৰ মূৰ্খামী কৰা হব। গতিকে ইয়াৰ এটা চোলিউচনৰ ব্যৱস্থা কৰিব লাগে। মই অনুৰোধ কৰো আবচুৰ (উ:) গোটক আলোচনাত বহাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। তাৰ পাচতহে বিভিন্ন ট্ৰাইবেল সংগঠনৰ লগত আলোচনা কৰিব লাগে। কিয়নো তেওঁলোকে একেলগতে অৰাজনৈতিক দল বা সংগঠনৰ লগত আলোচনাত নবহে। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ): মাননীয় উপাধ্যক্ষ, ইতিমধ্যে ১৯৮৯-৯০ চনৰ বাবে আমাৰ মূখ্য মন্ত্ৰী ডাঙৰীয়াই যি খন বাজেট উৎথাপন কৰিছে, কৰৰ বোজা বৃদ্ধি হৈছে বুলি যদিও বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে আলোচনা কৰিছে, প্ৰকৃতাৰ্থত এই বাজেট খন আমি জনসাধাৰণৰ মঙ্গলৰ কাৰণে উপযুক্ত বাজেট বুলি মই কব বিচাৰিছো। আচলতে বিৰোধী পক্ষৰ সদস্য সকলে বাজেটখনৰ সমৰ্থনত বিতং ভাবে আলোচনা কৰা নাই। কোনোবাই ট্ৰেন্সফাৰ আদিৰ কথা কৈছে, কোনোবাই শাস্তি বিহাৰ কথা কৈছে ইত্যাদি ধৰণে আলোচনাটি কৰিছে। গতিকে ইয়াৰ পৰা দেখা যায় যে প্ৰকৃততে এই বাজেট খন সকলোৱে সমৰ্থন কৰিছে। ইয়াত কৰৰ কথা আলোচনা কৰা হৈছে। কিন্তু আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছেই যে আমাৰ ঘাটি বাজেট কৰ পৰা আহিছে। আমাৰ প্ৰথম স্বাধীনোত্তৰ কালত ১৯৪৮-৪৯ চনত যিখন বাজেট মাননীয় স্বনাম ধন্য বিষ্ণুৰাম মেধী ডাঙৰীয়াই উৎথাপন কৰিছিল, তাতো বিত্তীয় কথা আছে। বিষ্ণু ৰাম মেধী ডাঙৰীয়াৰ মুখ্য মন্ত্ৰীৰ কাল চোৱাত সেই সময়ৰ ফৰেষ্ট মিনিষ্টাৰ মতিৰাম বৰা ডাঙৰীয়াৰ কথাও উল্লেখ আছে। সেই সময়ৰ ৰাজ্য চৰকাৰেও কৰ লগাই সমস্যা সমাধানৰ বাবে বিবেচনা কৰিছিল। তেতিয়াও অধিক কৰৰ কথা উল্লেখ আছে। অসম চৰকাৰৰ বিত্তীয় সংকটৰ সমাধান কৰিব পৰা বাজেট উৎথাপিত হৈছে। আমি সমস্যা, ঘাটিৰ লগত তুলনা কৰি কিছুমান ক্ষেত্ৰত কিছুমান কথা বিবেচনা কৰিব লাগিব। যোৱা ত্ৰুবছৰে এই চৰকাৰৰ দিনত বাজেট উৎথাপিত হৈছিল। তাত কৰৰ কোনো উল্লেখ নাছিল। এতিয়া অনিচ্চিত বাজেট বুলি কলেও কৰ

নলগালে ঘাটি বাজেট কেনেকৈ পুৰণ হব ? কৰ লগাব লাগে বুলি আমাৰ বিৰোধী পক্ষই পৰামৰ্শ দিছে। সেয়ে এই বছৰ কৰ লগোৱাৰ ব্যৱস্থা কৰা হৈছে। যি বিলাক কৰ লগোৱা হৈছে সেইবিলাক অযুক্তিকৰ হোৱা নাই, বৰং যুক্তিযুক্ত হৈছে। কিন্তু এইটো বাহিৰত সমালোচনা হৈছে। কৰৰ বোজা যে অধিক হৈছে তালৈ বিচাৰ কৰি চাই আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেই কেইটা ঘোষনা কৰিছে। গতিকে এইখন অনিশ্চিত বাজেট হব নোৱাৰে, জনসাধাৰণৰ কাৰণে উপযুক্ত বাজেট হৈছে। অৱশ্যে আমি কৰৰ ওপৰত গুৰুত্ব দিয়াৰ উপৰিও কিকি বিষয়ত কৰ লগাব পাৰি আৰু তাৰ পৰা ৰাজহ সংগ্ৰহ হয় সেই বিষয় কেইটাত গুৰুত্ব দিব লাগে। এই ক্ষেত্ৰত আমাৰ বিৰোধী সদস্য সকলে বহুত পৰানৰ্শই আগবঢ়াইছে। অসমৰ অবৈধ কাঠবিলাক জব্দ কৰি নিৰ্দ্দিষ্ট ৰয়েল্টি পাব পাৰি। এই ক্ষেত্ৰত ৪০।৫০ হেজাৰ টকাৰ টেন্দাৰ দিয়াৰ ব্যৱস্থা কৰি নিবনুৱা যুৱক সকলক সুবিধা দিব লাগে আৰু লগতে চৰকাৰেও টকা সংগ্ৰহ কৰিব পাৰিব। আমাৰ মাননীয় সদস্য শ্ৰীদেৱেশ্বৰ বৰা ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে যে তেখেতে এ, এচ, টি, চি, ৰ সভাপতিৰ দায়িত্বত থাকিও কিছুমান অনিয়মিত টেক্স দিব লগা হৈছে বুলি কৈছে। তাত দুই নম্বৰ বহী আছে। এইটোৰ যোগে প্ৰকৃততে টকা আত্মস্যাৎ কৰা হৈছে। এই বিলাক অনুসন্ধান কৰি এই বিভাগটোৰ উন্নতি সাধন কৰিব লাগে। তেতিয়া হলে আমাৰ টেক্স ৰাহি হোৱাৰ উপাই আছে।

উপাধ্যক্ষ মহোদয়, আমাৰ বিদ্যুৎ বিভাগটোও কেলেংকাৰী। ডিব্ৰুগড় জিলাৰ বৰবৰুৱাত তিনি কিলো মিটাৰ টাৰ নাই। সেই টাৰ কলৈ গ'ল। চাৰি হেজাৰ টকাৰ টেন্সফৰমাৰ মেৰামতি নকৰি নতুন অনাৰ ব্যৱস্থা কৰিছে। এনেকুৱা কিছুমান অপচয় হৈ আছে। গতিকে লাখ লাখ টকা লোকচান ভাবিব লগীয়া হৈছে। কৰৰ কথাটো সমৰ্থন কৰিছে, সকলোৱে তাক স্বীকাৰ কৰিছে। এই চৰকাৰৰ দিনতে পাচটাকৈ বান পানী আহিছে। আমাৰ টকাৰ নাটনিৰ মাজতো এইটো কৰিব লগীয়া হৈছে। সেয়ে আমি এইটো কৃতকাৰ্য্য হৈছে বুলি দাবী কৰিব পাৰো। প্ৰাসঙ্গিক ভাবে ঘাটি বাজেট আহিছে স্বাধীনত্বৰ কালৰ পৰাই। বিষ্ণুৰাম মেধী ডাঙৰীয়াৰ ঘাটি বাজেট উল্লেখ আছে। কিন্তু আজিৰ বাজেটৰ কিছু পাৰ্থক্য আছে। কাৰণ সেই সময়ত ১৯৫০ চনৰ ভুমিকম্প, পুনৰ সংস্থাপনৰ কথা আছিল। তেতিয়া ভূমিকম্পত গুৰুত্ব দিছিল। কিন্তু এতিয়া ভূমিকম্প সমস্যা, বানপানী সমস্যা, ভগনীয়া সমস্যা, আদিত বিশেষ গুৰুত্ব দিব লগা হৈছে। এই

বিত্তীয় সংকটৰ সময়তো আমাৰ চৰকাৰে কাম বিলাক কৰি গৈছে বুলি কব পাৰো। গতিকে কোনেও সমালোচনা কৰা নাই। কেৱল বাজেট বক্তৃতা কৰিব লাগে কাৰণে কিছুমানে সমালোচন কৰিছে। ইয়াৰোপৰি কৰৰ কথা কব বিছাৰিছো। বন বিভাগৰ দায়িত্বত থকা মূখ্যমন্ত্ৰী ডাঙৰীয়াই কিমান কাঠ জব্দ হৈ আছে, বন বিভাগত কিমান টেক্স দিয়া হৈছে এই বিলাক এচেষ্ট কৰি এখন তালিকা উলিয়াব লাগে। তেতিয়া বুজা যাব কিমান টকা ৰাজহ হৈছে। এই বিলাকত গুৰুত্ব দিব লাগে। অফিচৰ ফাইলত নোট দিয়াৰ কাৰণেই বহুত সময়ত বহুত লাখ টকা এক্সটেনচন দিয়া হৈ আছে। এই বিলাক কি ধৰণে দিয়া হৈছে বন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই ফাইল কল কৰি চাব লাগে। আমাৰ ৰাজহৰ প্ৰতি লক্ষ্য ৰাখি বঢ়াই দিয়া কৰ যাতে দিয়ে তাৰ কাৰণে মই অনুৰোধ ৰাখিছো। কিছুমানক ৪০ হেজাৰ চি, এম, লবলৈ পাৰমিট দিয়া হৈছে, কিন্তু তেওঁ শিল, বালি বিক্ৰী কৰিয়ে আছে। ইতিমধ্যে ২০।৪০হেজাৰ চি, এম, শিল সংগ্ৰহ কৰি ৰাখিছিল, কিন্তু নিবিদা নোহোৱাকৈ শিল, বালি আদি বিক্ৰী কৰি আছে। আমাৰ বন বিভাগৰ জৰিয়ত বহু খিনি কৰ সংগ্ৰহ হৈ আছে। যদি আমি এই কৰ ঠিকমতে সংগ্ৰহ কৰো তেতিয়া হলে চৰকাৰৰ ৰাজহ সংগ্ৰহৰ ব্যৱস্থা হব। এইখিনি মই বিশেষ ধৰণে অনুৰোধ জনাই পৰামৰ্শ আগবঢ়াইছো।

উপাধক্ষ্য মহোদয়; এইখিনিতে মই এটা কথা কব খুজিছো যে অসম বৰ্ত্তমান আইন শৃংখলা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বড়ো সকলৰ একাংশ লোকে স্বকীয়া ৰাজ্যৰ দাবীত যি হিংসাত্মক আন্দোলনৰ পথ লৈছে সি অতি দূভাগ্যজনক। বাজেট আলোচনাত এই বিষয়বোৰ আলোচনা নকৰা হলেও ভাল আছিল যদিও ইতিমধ্যে মাননীয় সদস্য বিনয় খুংগুৰ বসুমতাৰী ডাঙৰীয়াকে ধৰি কেইবাজনো মাননীয় সদস্যাই এই বিষয়ত আলোচনা কৰা হেতুকে ময়ো উল্লেখ কৰিবলৈ বাধ্য হলো যে স্বকীয়া ৰাজ্যৰ দাবীত একাংশ বড়ো লোকে হিংসাৰ আশ্ৰয় লৈ যি আন্দোলন কৰিছে তাক আমি সকলোৱে গৰিহনা দিছো আৰু তেওঁলোকক হিংসাৰ পথ পৰিহাৰ কৰি আলোচনাৰ মেজলৈ অহাৰ বাবে আমন্ত্ৰন জনোৱা হৈছে। যি হেতু চৰকাৰৰ ফালৰ পৰা কোনো পূৰ্ব্ব চৰ্ত্ত নোহোৱাকৈ তেওঁলোকক আলোচনালৈ মতা হৈছে সেই কাৰণে তেওঁলোকেও কোনো পূৰ্ব্ব চৰ্ত্ত নোহোৱাকৈ আলোচনাত বহিব লাগে আৰু অসমত আজি যি তেজৰ নৈ বৈছে তাক ৰোধ কৰিব লাগে। তেওঁলোকে আজি যিটো আন্দোলন কৰিছে সি কেতিয়াও যুক্তি সঙ্গত আৰু সাংবিধানিক নহয়। আমাৰ অতিজৰ অসম খনৰ পৰা ইতিমধ্যে মেঘালয়,

নগালেণ্ড, মিজোৰাম আদি কেইবাখনো ৰাজ্য ফালৰি কাটি গৈ একোখন স্বকীয়া ৰাজ্য গঠন হল কিন্তু তেনে সময়তো আজিৰ এই অৱস্থা হোৱা নাছিল। সেই কাৰণে বড়ো উগ্ৰপন্থী সকলে চৰকাৰৰ লগত এটা বুজা পৰাৰ মাজেৰে তেওঁলোকৰ যিবোৰ মূল্য সমস্যা আছে সেইবোৰ সমাধা কৰি অসমৰ মূল সূতীৰ লগত মিলি গৈ অসমৰ সৰ্ব্বাঙ্গীন উন্নতিৰ হকে কাম কৰি যাব লাগে। বাজেট আলোচনাত এই বিষয়বোৰ লৈ মই আৰু বেচি কবলৈ খোজা নাই। সৰ্ব্ব শেষত এই বাজেট খন অসমৰ জন সাধাৰণৰ বাবে এখন মঙ্গল জনক বাজেট বুলি অভিহিত কৰিছো আৰু যি বোৰ ক্ষেত্ৰত সৰ্ব্ব সাধাৰণ ৰাইজক অতিমাত্ৰা কৰৰ হেচাৰ পৰা উপশম ঘটাই ৰাজ্যখনৰ অৰ্থনৈতিক দিশটো টনকিয়াল কৰিব পৰা যায় সেই বিষয়ে ভালদৰে চিন্তা চৰ্চা কৰিব বুলি এই বাজেট খনৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীকেশৱ চন্দ্ৰ গগৈ : মাননীয় উপাধ্যক্ষ মহোদয়, এই বাজেট খনৰ আজিৰ আলোচনাত অংশ গ্ৰহন কৰিবলৈ পাই মই সুখী হৈছো আৰু এই ক্ষেত্ৰত কব বিচাৰিছো যে এই ৰাজেটখন এখন' এন্টি পিপোল' বাজেট। এই বাজেট খনত যি বোৰ নতুন কৰৰ প্ৰস্তাৱ কৰা হৈছে সেই ক্ষেত্ৰত ইতিমধ্যে সৰ্ব্ব সাধাৰণ ৰাইজৰ মনত এক গভীৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে আৰু মুখ্য মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে কিছুমান ক্ষেত্ৰত কৰ ৰেহাই দিয়াৰ বাবে পূনৰ বিবেচনা কৰাৰ কাৰণে আমি সন্তোষ পাইছো। মই আশা ৰাখিছো যে আমি কিছুমান নতুন কৰ লগোৱাৰ পৰিবৰ্ত্তে আমাৰ যি বিলাক অনুষ্ঠান যেনে- পথ পৰিবহন নিগম, বিদ্যুৎ বিভাগ আৰু চাহ নিগমৰ নিচিনা অনুস্থান সমহে লোকচান নভৰি চৰকাৰক যথেষ্ট পৰিমাণে লাভ দিব পাৰে তাৰ কাৰণে যত্ন কৰিলে আমি নতুন কৰ কাটল লগাব লগীয়া নহব আৰু সৰ্ব্ব সাধাৰণ ৰাইজো ইয়াৰ হেচাৰ পৰা পৰিত্ৰাণ পাব। বাজেটৰ ওপৰত এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীপ্ৰদীপ হাজৰিকা : মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৮৯-৯০ চনৰ বাজেট খনত ইতিমধ্যে বিভিন্ন বক্তাই দিহা পৰামৰ্শ আগবঢ়াইছে আৰু এই ক্ষেত্ৰত ময়ো এই বাজেট খনৰ প্ৰতি আমাৰ দৃষ্টি ভঙ্গী দাঙি ধৰিব খুজিছো। এই বাজেটখন মই এখন ইউনিফৰম, বাজেট বুলি কব খোজো বিশেষকৈ এটা কাৰণতেই যে এই বাজেট খনে আজি অত বছৰে কৰিব নোৱাৰা কাম কেইটামান ইয়াত সন্নিবিষ্ট হোৱাত মই এই চৰকাৰক ধন্যবাদ জনাইছো। মোৰ প্ৰথম কথা হল যে আমি বহু

*Speech not corrected

দিনৰ পৰা এটা কথা লক্ষ্য কৰি আহিছো যে অ, এন, জি, চি, আৰু অইল ইণ্ডিয়া লিঃএ কোনো মানুহ বা চৰকাৰক সোধ পোচ নকৰাকৈ যধে মধে মাটি দখল কৰি তাত বোমা ফুটুৱাই বা অন্যান্য উপায়েৰে তেলৰ খনন কাৰ্য্য চলায়। তেওঁলোকৰ এনে খনন কাৰ্য্যৰ পৰিনতিত অসমৰ খেতিয়ক সকলে হাজাৰ হাজাৰ বিঘা মাটি হেৰুৱাব লগা হৈছে আৰু তাৰ লগে লগে অসমৰ জলবায়ু প্ৰতুষণ কৰি স্বাস্থ্যৰ ক্ষতিকাৰক হৈ পৰিছে। তেওঁলোকৰ এই কাৰ্য্যক আগৰ কোনো চৰকাৰে হকা বধা কৰিব পৰা নাছিল আৰু তাৰ সুবিধাকে লৈ তেওঁলোকেও নিজ ইচ্ছা মতে এই কাম কৰি যোৱাৰ ফলত অসমৰ ৰাইজে বহুতো ধন হেৰুৱাৰ লগে লগে অসমৰ খেতি বাতিত এক সমস্যাৰ সৃষ্টি হৈছিল। এই খেলি মেলি বোৰ দূৰ কৰি অসমৰ অৰ্থনৈতিক গাঠনি শক্তিশালী কৰাৰ উদ্দেশ্যেৰে এইবাৰ আমাৰ চৰকাৰে "ৰুৰেল ডেভেলপমেণ্ট চেচ বিল" এখন আনিছে আৰু সেইখনৰ প্ৰতি ৰাষ্ট্ৰপতিৰ অনুমোদন বিচাৰি আপেক্ষা কৰি থকা হৈছে। কিন্তু ইফালে তেল আৰু প্ৰাকৃতিক গেছ আয়োগে ইয়াৰ বিৰোধীতা কৰি উচ্চতম ন্যায়ালয়ত এখন ৰীট আবেদন জনায় সেইখন নাকচ কৰাৰ কাৰণে চেষ্টা চলাই আছে। কিন্তু মোৰ বোধেৰে তেওঁলোকে যিয়েই নকৰক লাগে এই চৰকাৰে তেল সংক্ৰান্তত জড়িত এনে মাটিবোৰৰ ক্ষেত্ৰত কৰ বহুউৱাটো যুক্তি সঙ্গত হব আৰু এই অনুস্থানবোৰে যাতে যধে মধে খনন কাৰ্য্য কৰিব নোৱাৰে তাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা হাতত লব লাগে। এই বিল খন উৎথাপন কৰাৰ কাৰণে মই ভাবো যে অন্ততঃ ভাৰত চৰকাৰৰ এইবাৰ এই ক্ষেত্ৰত চকু মুকলি হব আৰু ইমান দিনে কৰি অহা অন্যায়বোৰৰ অবসান ঘটিব। তেল উৎঘাটন কাৰ্য্যই অসমৰ জলবায়ু কেনেকৈ প্ৰতুষণ কৰিছে সেই কথা যদি কোনোবাই গেলেকী তেল পঠাৰলে গৈ চাই আহে তেনেহলে অনুমান কৰিব পাৰিব। সেই অঞ্চলত আপোনালোকে যদি এখন কলপাত চায় তেনেহলে তাৰ ওপৰত এটা তেলৰ চামনি দেখিবলৈ পাব। সেইদৰে খাল বিল আদিটো সেই একেই অৱস্থা। পুখুৰীৰ পানী মানুহে খোৱা দূৰৰ কথা গৰু মহেও খাব নোৱাৰা অৱস্থা হৈছে। গতিকে এই খনন কাৰ্য্যৰ পৰা যি বোৰ আনুসঙ্গিক ফলাফল ভোগ কৰিব লগা হৈছে সেইবোৰৰ প্ৰতি ৰাজ্য চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰেও মনোযোগ দিয়া উচিত আৰু এই ক্ষেত্ৰত এই বাৰৰ বাজেটত যি ব্যৱস্থা ৰখা হৈছে সি সময়োচিত হোৱা বাবে আমি ভাল পাইছো।

দিতীয়তে মই এটা কথা কব বিচাৰিছো এই বাজেটত মই এটা কথা দেখিছো এই বাজেটৰ দ্বাৰা আঞ্চলিক দলৰ চৰকাৰ এয়নে নিজৰ ভৰীত ঠিয় হব খোজা

এটা সাহসী পদক্ষেপ দাঙি ধৰিছে আৰু সমস্যা বিলাকৰ লগত যুজ কৰিবলৈ চেষ্টা কৰিছে। কিছু কৰকাটল লগাই হলেও নিজৰ ভৰীৰ ওপৰত ঠিয় হব খোজা সাহসী পদক্ষেপ। কিন্তু এই বাজেটখনকো বেয়া বাজেট বুলি ৰাইজক বাহিৰত ভুল ব্যাখ্যা দিছে। যিকোনো ষ্টেপচ্‌তে ৰিএকচন নোহোৱাকৈ নাথাকে, বাজেট-খনতো ৰিএকচন নোহোৱাকৈ নাথাকে। ভাৰত চৰকাৰে ৰিজাৰ্ভ বেংকৰ পৰা টকা আনে আৰু আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আনো। প্ৰাৰ্থক্য ইমানেই। কেন্দ্ৰীয় বাজেটো সমালোচনাৰ সন্মুখীন হৈছে। গণ-পৰিষদ চৰকাৰে এই বাজেটৰ দ্বাৰা এটা নতুন পদক্ষেপ লোৱাৰ বাবে বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰীক মই ধন্যবাদ জনাইছো।

আনৰ চকুত আজিও অসম চহকী দেশেই হৈ আছে। অৱশ্যে আন কিছুমান ৰাজ্যৰ তুলনাত আমাৰ দেশ চহকী বুলি কব নোৱাৰি। আমাৰ নিজা আয়ৰ দ্বাৰা নিজৰ ভৰিত ঠিয় হব বিচৰা যিটো পলিচি বা ফৰ্ম্মুলা এডপ্ত কৰিছে সেইটো ভাল হৈছে। আমাৰ দেশখনত পৰ্য্যাপ্ত পৰিমাণৰ ফৰেষ্ট ৰিচোৰ্চ আছে কিন্তু এই ফৰেষ্ট ৰিচোৰ্চ বিলাক ভালধৰণে ইউটিলাইজ হোৱা নাই। ফৰেষ্ট ৰিচোৰ্চ মবিলাইজ হোৱা নাই। ভাৰতবৰ্ষৰ ভিতৰত অসমতে বেছি আৰ্কিট আছে কিন্তু এই আৰ্কিটৰ আমি সতব্যৱহাৰ কৰা নাই বা তাক বিক্ৰীৰ কাৰণেও আমি ভাল ব্যৱস্থা কৰিব পৰা নাই। অসমত আজি ওৱাটাৰ ৰিচোৰ্চ আছে। অসমৰ ভিতৰত আকৌ শিৱসাগৰতে ওৱাটাৰ ৰিচোৰ্চ বেছি। আমাৰ এজন মাননীয় সদস্যই পৰামৰ্শ আগবঢ়াইছিল যে মাছৰ পোনা আমাৰ ইয়াত উৎপদান কৰিব লাগে। আজিকালি আমাৰ মানুহবিলাক কিছু এলেহুৱা হৈ গৈছে। কাৰণ ঘৰে ঘৰে মানুহে মাছৰ পোনা বিতৰণ কৰে, ঘৰে ঘৰে বাহিৰা মানুহে গৈ লেপতুলি চিলাই কৰি দিয়ে, ঘৰে ঘৰে মানুহে গৈ শাক পাচলি বিক্ৰী কৰে। আমাৰ এটা ফিছাৰী বিভাগ আছে। তেওঁলোকে মাছৰ পোনা ইয়াত বনোৱাৰ কিয় চেষ্টা কৰিব নোৱাৰে? আমাৰ তাত যিটো গৌৰী সাগৰ পুখুৰী আছে, আগতে তাত বহুত পিতনি পৰিছিল মই কেইজনমান লোকক লগাই ঠিক কৰাইছো। বহুত কেইটা পতিত ৰজাদিনীয়া পুখুৰী আছে, এইটো তেলিয়া দঙা পুখুৰী, ইয়াত ৰজাৰ দিনত তেল ওলাইছিল। এই পুখুৰী বিলাকৰ মেটেকা গুচাই এইবিলাকৰ ক'ৰবাত ক'ৰবাত মাছ পোহাৰ ব্যৱস্থা কৰিব পাৰে আৰু ক'ৰবাত ক'ৰবাত মাছৰ পোনা উৎপাদনৰ ব্যৱস্থা কৰিব পাৰে। আমাৰ দেশত কিছুমান মেডি-চিনেল প্লেণ্ট আছে, এতিয়া আমাৰ কাতিলে বা কিবা ঘা হলে এই প্লেণ্ট বিলাকৰ

পাত মছকি ঔষধৰ ব্যৱস্থা কৰা হয়। গতিকে এইবিলাক ৰিচোর্চৰ ওপৰত নতুন পলিচি এডপ্ত কৰি নিজৰ ভৰিৰ ওপৰত ঠিয় হোৱাৰ ব্যৱস্থা কৰিব পাৰিলে পৃথিবীৰ মানুহেও আমাক স্বীকৃতি দিব। সেই কাৰণে ৰিচোর্চ মোবিলাইজ কৰিবৰ কাৰণে চৰকাৰক টানি অনুৰোধ জনালো। আমাৰ দেশত বিভিন্ন ধৰণে ৰিচোর্চ মোবিলাইজৰ স্কোপ আছে সেইবিলাক উলিয়াই জনসাধাৰণৰ সেৱাত লগোৱাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ বাজেটখনে এই নতুন দিশৰ চিন্তাৰ খোৰাক যোগাইছে। জনসাধাৰণৰ মাজতো এই বাজেটখনৰ বিষয়ে ভাল পর্য্যালোচনা হৈছে সিদিনাখন টিভিত দেখিছো গোস্বামী নামৰ মানুহ এজনে পর্য্যালোচনা আগবঢ়াই সুন্দৰ কথা কৈছে, তেখেতে কৈছে যে এই বাজেটে নতুন দিশৰ আলোক-পাত কৰিছে কাৰণ অসমে নিজৰ ভৰিৰ ওপৰত ঠিয় হব বিচাৰিছে। কিছুমানে আকৌ এন্টি টেক্সৰ কথা কৈছে। কৰ্ম্মচাৰী সকলে টেক্স দিবলগীয়াটো নতুন কথা নহয়। চৰকাৰী কৰ্ম্মচাৰীয়ে প্ৰফেচনেল টেক্স দিয়াটো বাধ্যতামূলক। কেন্দ্ৰীয় চৰকাৰেও তেওঁলোকৰ কৰ্ম্মচাৰীৰ ওপৰত টেক্স লগাই ৰাজ্য চৰকাৰেও লগাই গতিকে বিষয়টো সংগতীবিহীন নহয়। চৰকাৰে নিজৰ ভৰিত ঠিয় হব খুজিলে কি হব ইফালে আকৌ বাজেটৰ বিৰুদ্ধে ৰাইজক উচতাই কোৱা হৈছে এই বাজেটত মাছ মাংস মাখনৰ ওপৰত কৰ লগাব বিছৰা হৈছে। দুখীয়া জনসাধাৰণৰ সকলোৱে বাজেটৰ ভিতৰৰ কথাবিলাক নাজানে আনে যি কয় তাকে শুনিব। শ্ৰীপ্ৰফুল্ল মহন্ত শ্ৰীভৃগু ফুকনে ৰাইজক মাৰি জনসাধাৰণৰ সেৱা কৰিব খোজা নাই। কথাবিলাক ভালকৈ বুজাই দিব লাগে আৰু ৰিচোর্চ মবিলাইজ কৰি নিজৰ ভৰিৰ ওপৰত ঠিয় হবলৈ কৈ বক্তব্যৰ সামৰণি মাৰিলো।

*কুমাৰ দীপক দাস: মাননীয় উপাধ্যক্ষ মহোদয়, মই বাজেট আলোচনাত অংশ গ্ৰহণ কৰি মাননীয় সদস্য শ্ৰীবিনায় খুঙ্গুৰ বসুমতাৰী ডাঙৰীয়াই দিয়া বক্তৃতাৰ ওপৰত দৃষ্টীপাত কৰিব বিছাৰিছো। তেখেতে তেখেতৰ বক্তৃতাত কৈছে যে আবচুয়ে যিটো আন্দোলন কৰিছে সেইটো অসমীয়া মানুহে তেওঁলোকৰ ওপৰত কৰা অত্যাচাৰ বা হত্যাৰ কাৰণে হৈছে। কিন্তু উপাধ্যক্ষ মহোদয়, আজিৰ দিনতো অন্ততঃ দুজনীকৈ বড়ো গাভৰু সন্ত্ৰাসবাদী সকলে ধৰ্ষণ কৰিছে, কোকৰা-ঝাৰৰ পিটিচিৰ যিজন সাধাৰণ সম্পাদক শ্ৰীব্ৰহ্ম তেওঁক কুকুৰ মেকুৰীক হত্যা কৰাৰ নিচিনা হত্যা কৰিছে এইবিলাক কি অসমীয়া মানুহৰ কাৰণে কৰা হৈছে নেকি? আজিৰ যিটো অৱস্থা এইটো তিনি বছৰত হোৱা অৱস্থা নহয়।

*Speech not corrected

মাননীয় উপাধ্যক্ষ মহোদয়, মই এতিয়া দুটামান বাক্যই জনজাতীয় সম্পৰ্কত বাক্য উল্লেখ কৰিব বিচাৰিছো আৰু তাৰ দ্বাৰাই প্ৰতিয়মান নিয়াৰ বিছাৰিছো যে আজিৰ যি সমস্যা সেই সমস্যা আজিয়েই সৃষ্টি হোৱা নাই ইয়াত কৈছে

"Above all, I hope there will be no attempt made to impose other ways of life on them in a hurry. Let the changes come gradually and be worked out by the tribals themselves"......Jawaharlal Nehru.. Foreword to Verrier to Elwin's "A Philosophy For NEFA." এইটো আজি মই কোৱা কথা নহয়, এই বিলাক কথা কিতাপত লিখা আছে। এইখিনি কথা ৪০ বছৰৰ আগতেই ৺জৱহৰলাল নেহেৰুৱে কৈ গৈছে। জনজাতীয় সকলক শোষন কৰা হৈছে বুলি কৈছে, কিন্তু কোনে শোষন কৰিছে ? এনে ধৰণৰ শোষণৰ আগজাননী পায়েই বোধহয় ৺বিষ্ণুৰাভা ডাঙৰীয়াই কৈ গৈছিল যে যি স্বাধীনতা পোৱা হৈছে সেই স্বাধীনতা মিছা স্বাধীনতা। ৺জৱহালাল নেহেৰুৱে যি বিলাক যুক্তি দিছিল সেই বিলাক যুক্তিয়েই আজিৰ যি সমস্যা সেই সমস্যাৰ সৃষ্টি কৰিছে। আজিৰ জনজাতীয় সকলৰ যিটো সমস্যা সেইটো অকল জনজাতীয়ৰ সমস্যা নহয়-সেইটো অসমীয়া মানুহৰ সমস্যা।

যিখন বাজেট মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসম বিধান সভাত দাঙি ধৰিছে সেই খন বাজেট পঢ়ি চালে এটা কথা প্ৰতিয়মান হয় যে কেন্দ্ৰীয় চৰকাৰৰ শোষণৰ ফলতেই আজি আমাৰ ৰাজ্য চৰকাৰে একো কৰিব পৰা নাই। অসম গণপৰিষদ চৰকাৰে অসমৰ পৰা জনজাতিৰ লোক সকলক খেদিব পাৰেনেকি ? গণপৰিষদ চৰকাৰে জনজাতি সকলক শোষণ কৰিছেনেকি ? শোষণ যদি কৰিছে তেনেহলে কোনে কৰিছে ? আজি মাননীয় সদস্য সকলে বাজেট খনৰ সমালোচনা কৰিছে। মাননীয় সদস্য শ্ৰীবিনাই খুঙুৰ বসুমতাৰী ডাঙৰীয়াই এই কথা উপলব্ধি কৰিব যে আজিৰ যি খন বাজেট মুখ্য মন্ত্ৰী ডাঙৰীয়াই উত্থাপন কৰিছে, তাত যি খিনি কথা তেখেতে দাঙি ধৰিছে তাৰ পৰাই প্ৰতিয়মান হয় যে কেন্দ্ৰীয় চৰকাৰৰ যিটো সাহায্য নীতি সেই নীতিত বৈশম্য আছে। সেই নীতি সলনি নহলে অসমৰ কাৰণে অসুবিধাৰ সৃষ্টি হৈ থাকিব। আজি যিটো ৩ হাজাৰ ৪০০ কোটিৰ যিটো ঋণ তাৰ বোজা বাঢ়িহে যাব। কেন্দ্ৰীয় চৰকাৰৰ ৯ম বিত্ত আয়োগৰ অসমৰ প্ৰতি যি বৈসম্যমুলক নীতিৰ বাবেই আজি অসম ইমান বিত্তীয় সংকটৰ সন্মুখীন হৈছে। বিত্তীয় সংকট কেৱল যে অসমতেই হৈছে ভাৰতৰ কোনো ৰাজ্যতে হোৱা নাই

সেইটো কথা নহয়। অলপতে মিজোৰামত যি বিত্তীয় সংকট হৈছিল সেই সংকটৰ পৰা মুক্ত হবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ২০ কোটি টকা আগবঢ়াইছিল। কিন্তু ইমান এটা বিত্তীয় সংকটৰ সময়তো অসম চৰকাৰক কেন্দ্ৰীয় চৰকাৰে একো দিয়া নাই। অসমৰ জনসাধাৰণে প্ৰতি বছৰেই ৩।৪ টাকৈ বানপানীত ভোগী আহিছে। এই দৰে বছৰি হোৱা বানপানীৰ কাৰণেও অসমত বিত্তীয় সংকটে দেখা দিছে। আজি যি খন বাজেট মুখ্যমন্ত্ৰী মহোদয়ে আনিছে এইটো এটা তেখেতৰ সাহসিক পদক্ষেপ বুলি কব লাগিব। আমি জানো যে অসমৰ বহুত লোকে এই খন বাজেট সমালোচনা কৰিছে, কাৰণ কৰ লগোৱা হৈছে। কৰ নলগোৱাকৈ এখন দেশ চলিব কেনেকৈ? কৰ নলগালে যি বোৰ সমস্যা সেইবোৰ সমাধান কৰিব পৰা নহয়। বৰ্ত্তমান কেন্দ্ৰীয় চৰকাৰৰ যি বৈষম্যমূলক সাহাৰ্য্য নীতি এই নীতিৰ পৰিবৰ্ত্তণ নহলে আমি অসুবিধা পাই থাকিম এই অসুবিধাবোৰ যাতে দূৰ কৰিব পৰা হয় সেই কাৰণেই এইখন বাজেট অনা হৈছে, এইখন মই কওযে এখন ভাল বাজেট আৰু এটা সাহসিক পদক্ষেপ। কৰৰ বোজা পাতলাবৰ বাবেও তেখেতে ঘোষণা কৰিছে। আজি এনেকুৱা অৱস্থা হৈছে যে কৰ লগাবই লাগিব, নলগালে কোনো উপাই নাই। ৰাজ্য চৰকাৰে তেলৰ ৰয়েলিটিৰ নামত যিখিনি টকা পাব লাগে সেইখিনি টকা পোৱা নাই। কিছুমান আইন এই বিধান সভাতে পাচ কৰি দিয়া হল যদিও সেই বিলাক এতিয়াও পাচ হোৱা নাই, ৰাষ্ট্ৰপতিৰ চহী হোৱা নাই। চহীৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰপতিলৈ পঠিওৱা নাই। অসম চৰকাৰে আয় বঢ়াবৰ কাৰণে যি ষ্টক একচেঞ্জ কৰিলে তাৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে যি ব্যৱস্থা লব লাগে সেই বিলাক লোৱা হোৱা নাই। ৰাজ্য চৰকাৰৰ আয় বঢ়াবৰ বাবে ৪০ টা সেৱা আছে। কিন্তু সেই বিলাকৰ পৰা কোনো দিনেই লাভ হোৱা নাই। এতিয়া যি টাণ অভাৰ কৰ লগোৱা হৈছে সেইটো অসমত পোনপ্ৰথম বাৰৰ কাৰণে লগোৱা হৈছে। চুপাৰিৰ ওপৰত কৰ লগোৱা হৈছে। এই কৰ লগোৱা হৈছে কাৰণ অসমৰ পৰা বহুত চুপাৰি অসমৰ বাহিৰলৈ যায়। এইটোত আপত্তি কৰিবলগীয়া একো নাই। মুঠতে কেন্দ্ৰীয় চৰকাৰৰ সাহাৰ্য্য নীতিৰ কাৰণেই আমাৰ বাজেটত কৰ লগাবলগীয়া হৈছে। সেই কাৰণেই কেন্দ্ৰীয় চৰকাৰৰ যি সাহাৰ্য্য নীতি সেই নীতিৰ আমি তীব্ৰ বিৰোধীতা কৰো। আজি বিৰোধী পক্ষৰ সদস্য সকলে যি বিলাক সমালোচনা কৰিছে তাৰ পৰা জনসাধাৰণৰ কোনো লাভ বা লোকচান হোৱা নাই। তেওঁলোকে ৰাজনৈতিক মুনাফা আদায় কৰিবৰ কাৰণেই বাজেটখনক সমালোচনা কৰিছে। অসমৰ জনসাধাৰণৰ লাভৰ কাৰণে তেওঁলোকে সমালোচনা কৰা নাই। মই এই

সম্পৰ্কত কেইটামান পৰামৰ্শ চৰকাৰক দাঙি ধৰিব বিচাৰিছো। আমাৰ বাজেটত যিটো ঘাটি হৈছে সেইটো নাইকীয়া কৰিবৰ কাৰণে যি ব্যৱস্থা কৰিছে সেই ক্ষেত্ৰত অসম বিদ্যুত পৰিষদ আৰু পৰিবহন নিগম আদিৰ পৰা কোনো সাহাৰ্য পোৱা নাই। অসমত যি বিলাক উদ্যোগ আছে সেই বিলাকৰ শতকৰা ৮০ ভাগেই লোকচানৰ সন্মুখীন হৈ আছে।

ইয়াৰ কিছুমান কাৰণ আছে। এই কাৰণ বিলাকৰ ভিতৰত ইয়াত যিটো বাজেটৰ চিষ্টেম, সেইটো বদলি কৰিব লাগে। বাজেটৰ চিষ্টেমৰ কাৰণে আমাৰ যিবিলাক ৰাজহ উদ্যোগ আছে সেইবিলাকে বিভিন্ন সময়ত লোকচানৰ সন্মুখীন হৈছে। মই বিধায়ক হিচাবে অসমৰ মুখ্য সচিবৰ জৰিয়তে এটা পৰামৰ্শ দিছিলো যে, বাজেটৰ যিটো প্ৰভিজন আছে সেইমতে কৰিব লাগে তেতিয়া হলে লোকচান দিয়া উদ্যোগ সমূহক লাভমুখী কৰিব পৰা হব। ফৰেইন দেশ বিলাকত এই-বিলাক ব্যৱস্থাৰে সমস্যা সমূহ মকাবিলা কৰা হৈছে। আমাৰ ইয়াত যিবিলাক প্ৰজেক্ট কৰা হৈছে তাৰ কমিচন ৩১ মাৰ্চৰ ভিতৰত হব লাগে। কিন্তু ৩১ মাৰ্চৰ ভিতৰত এটাৰো কমিচন হোৱা নাই। অহা ৪ বছৰৰ পিচত ৩১ মাৰ্চত হব। গতিকে ৰাজহ উদ্যোগ কৰি যাতে লোকচানৰ সন্মুখীন হব নালাগে তাৰ প্ৰতি বিশেষভাবে লক্ষ্য কৰিব লাগে। তাৰোপৰি কিছুমানপ্ৰজেক্টৰ আঁচনিৰ দিজাইন ইঞ্জিনিয়াৰ সকলক দিয়া নহয়, ঠিকাদাৰ সকলে কৰে। গড় কাপ্তানী বিভাগত এনে নজিৰ বহুতো আছে। ঠিকাদাৰে নিজে দিজাইন কৰি নিজে দলং সাজিছে। গতিকে এই বিষয় বিলাকৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিব লাগে। আজি আমাৰ বহুতো অফিচ ভাৰা ঘৰত থাকিবলগা হৈছে। ১০/১৫/১৬ বছৰ ধৰি একোটা ঘৰত ঘৰ ভাৰা ভৰি অফিচ চলি আছে। অফিচ ঘৰ কৰিবলৈ আমাৰ যথেষ্ট মাটি আছে। এইবিলাক কথাৰ প্ৰতি ৰাজ্যচৰকাৰে নজৰ দিব লাগে। মোৰ আন এটা পৰামৰ্শ এই যে, মই কেৰেলাত দেখিছিলো যে, এক্সপেনদিচাৰ কমিচন পাতি বেয়া হোৱা ব্যৱস্থা নাশ কৰি পেলোৱাৰ ব্যৱস্থা তেওঁলোকে ১৯৬৭ চনতে কৰিছিল। তেনেধৰণৰ কমিচন আমাৰ ৰাজ্যচৰকাৰেও লব পাৰে। বিক্ৰি কৰ আদায়ৰ ক্ষেত্ৰত মোৰ পৰামৰ্শ এই যে, ৰাজ্য চৰকাৰে বিশেষ মনোনিবেশ কৰিব লাগে। ১৯৮৭ চনত কম্পলাৰ আৰু অদিটৰ জেনেৰেল ৰিপোৰ্ট দিছে তাত ৬৭ কোটি টকাৰ ৰাজহ অনাদায় হৈ পৰি আছে। এই বিষয়ৰ প্ৰতি বিশেষভাবে মনোনিবেশ কৰিব লাগে। যথেষ্ট টকা অনাদায় হৈ পৰি আছে। ইন্সপেক্টৰ সকলে কৰ আদায় ঠিক মতে কৰিব পৰা নাই। গতিকে কৰ আদায়

কৰাৰ বাবে নিযুক্তি দিয়া ইন্সপেক্টৰ সকলৰ ওপৰতো আন এজন বিশেষ ইক্সপেক্টৰ নিয়োগ কৰিব লাগে। চেল টেক্স, ইনকাম টেক্স, এই সকলো বিলাক বিভাগতে বিশেষ ইন্সপেক্টৰ নিয়োগ কৰিব লাগে। যি বিলাক কৰ আনাদায় হৈ পৰি আছে সেইবিলাক আদায় কৰাৰ কাৰণে টাৰগেট বান্ধি দিব লাগে। আৰু এই লক্ষ্যৰ ওপৰত প্ৰমোচন দিয়াৰ ব্যৱস্থা কৰিব লাগে। যি বাকিজায় কৰ আদায় নকৰাৰ ফলত ৰাজহ আদায় কৰিব নোৱাৰি কেঞ্চেল কৰিব লগীয়া হ'ল। কম্পানচন আৰু অডিটৰ জেনেৰেল ৰিপৰ্টত উল্লেখ আছে যে এই ৰিষয়টো তদন্ত কৰিব লাগে। ৰাজহ আদায়ৰ আৰু এটা উদাহৰণ মই দিব বিচাৰিছো। সেইটো হৈছে মাটি পট্টন দিয়াৰ ব্যৱস্থা অতি সোনকালে হব লাগে। মানুহে মাটি বে-দখল কৰি আছে তাৰ পৰা ৰাজহ চৰকাৰে যিমান পাব লাগে সিমান পোৱা নাই। যদি পট্টন দিয়াব ব্যৱস্থা কৰা হয় তেতিয়াহলে ৰাজহ সংগ্ৰহ আদায় কৰিব পাৰিব, গতিকে এই ক্ষেত্ৰত বিভাগৰ পৰাও সহযোগিতা পাব লাগিব।

উপাধ্যক্ষ মহোদয় মই আৰু এটা কথা কবলৈ বিচাৰিছো সেইটো হৈছে অসমৰ যিটো বিত্তীয় পৰিস্থিতি এই বিত্তীয় পৰিস্থিতিত কৃষি, উদ্যোগ আদি বিভাগৰ সহযোগিতাৰ অবিহনে মকা মিলা কৰা অসুবিধা হব। মই ইয়াত কথা কনফাৰম কৰিব বিচাৰিছো।

NE problems and prospects of Development........."industrialisation is dependent upon agricultural improvement; it is not profitable to produce a growing volume of manufactures unless agricultural production is growing simultaneously. This is also why Industrial and agrarian revolutions go together, and why economics in which agriculture is stagnant do not show industrial development."

আজি সাধাৰণ খেতিয়কৰ উৎপাদন বৃদ্ধি সম্পৰ্কত এটা কথা সদনত উত্থাপন কৰিব বিচাৰিছো সেইটো হৈছে অসমত এতিয়া ৩৪'৫ লাখ হেক্টৰ মাটি আছে। তাৰ ঠাইত ২৩'৫ লাখ হেক্টৰতহে খেতি কৰা হয়। ইয়াৰে ৭০ লাখ হেক্টৰ মাটিত শালি খেতি কৰা হয়। কিন্তু ইয়াত যিখিনি আয়ৰ যিটো গড় হয় সেইটো অতি দুখ লগা। পঞ্জাৱত ইয়াৰ যিটো গড়ৰ আয় সেইটো তাত ৩ হেজাৰ কেজি, তাৰ বিপৰীতে ইয়াত হয় ১১৩৫ কেজি। এই তফাতটো আজি বিয় হবলৈ পাইছে। শীত কালীত আমাৰ পথাৰত পানী যোগানৰ ব্যৱস্থা

যদি আমি দিব নোৱাৰো আমি বহু টকা কম পাম। মই এটা বিশেষ ধাৰাৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বৰগেটাত বড়ো আৰু আগতীয়া আহু ধানৰ জৰিয়তে যথেষ্ট খিনি আয় খেতিয়কে কৰিব পাৰিছে। পুচা ২ আৰাৰ (এ) ৰ বীজৰ দ্বাৰা খেতি কৰি প্ৰতি বিঘাত ৩০ মোনকৈ ধান উৎপাদন কৰা হৈছে। ৩০ মোন ধান পঞ্জাৰত ৩ হেজাৰ কেজি গড়তকৈ বহুত বেছি। গতিকে নতুন পদ্ধতিৰে খেতিয়কে খেতি কৰিবলৈ বিচাৰিছে আৰু ৰাজ্য চৰকাৰে এই খেতি কৰাৰ বাবে ব্যৱস্থা কৰিবনে? শীত কালত পানী যোগানৰ ব্যৱস্থা কৰিব পাৰিলে উৎপন্ন বৃদ্ধি পাব, গতিকে তাৰ প্ৰতি লক্ষ্য ৰাখিবৰ বাবে মই অনুৰোধ জনালো। উদ্যোগৰ বিভাগৰ এটা বিষয়ৰ প্ৰতি মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। উদ্যোগৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখন আগ বঢ়া নাই। কাৰণ সময় উপযোগী কোনো ব্যৱস্থা লোৱা নাই বাবে আগ বাঢ়িব পৰা নাই আৰু কিমান পৰিমাণে উপকৃত হৈছে সন্দেহ আছে। এই সম্পৰ্কত বাজেটত যথেষ্ট আলোচনা বিলোচনা কৰা হৈছে আৰু যদি আলোচনা কৰিবলৈ বিচাৰে আমি প্ৰস্তুত আছো কিয়নো উদ্যোগ আৰু কৃষি বিভাগটো সক্ৰিয় কৰিব নোৱাৰিলে বাজেট ঘাটি নাশ কৰাৰ বাবে বহুখিনি অসুবিধাৰ সৃষ্টি হব। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে বিশেষ মনোনিবেশ কৰিবলৈ অনুৰোধ জনায় মোৰ বক্তব্য সামৰণি মাৰিলো।

*শ্ৰীসুৰেন স্বৰ্গীয়াৰী : মাননীয় উপাধাক্ষ্য মহোদয়, মাননীয় বিত্ত মন্ত্ৰী তথা আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখন বাজেট এই সদনত দাঙি ধৰিছে এই বাজেটখন সঁচাকৈয়ে মনোগ্ৰাহী হৈছে। আমাৰ অসমৰ যি বিত্তীয় সংকট এই বিত্তীয় সংকটটো পুৰনিকলীয়া সংকট। এই সংকট দূৰ কৰিবৰ কাৰণে মাননীয় মখ্যমন্ত্ৰী মহোদয়ে হয়তো কিছুমান বস্তুৰ কৰ-কাটল লগোৱাৰ ব্যৱস্থা কৰিছে। আমাৰ জনসাধাৰণে হয়তো উপলব্ধি কৰিব পাৰিছে যে আমাৰ ৰাজ্যখনে আনৰ ওপৰত নিৰ্ভৰ নকৰি নিজৰ ওপৰত নিজে ঠিয় দিব কাৰণে এই কৰ-কাটল লগোৱা হৈছে আৰু তাক হাড়ে হিমজুৰে গ্ৰহণ কৰিব পাৰিছে।

উপাধ্যক্ষ মহোদয় আমাৰ বিত্তীয় সংকট তিনি প্ৰকাৰৰ পৰা আহিছে। প্ৰথমতে হৈছে বছৰে বছৰে হৈ থকা প্ৰাকৃতিক দুৰ্য্যোগ, দ্বিতীয়তে হৈছে কেন্দ্ৰীয় চৰকাৰৰ মাঙী আইৰ মৰম আৰু তৃতীয়তে হৈছে উপযুক্ত সময়ত আমাৰ চৰকাৰী কৰ্মচাৰী সকলে বিভিন্ন বিভাগৰ কৰ-কাটল আদায় কৰিব নোৱৰাৰ কাৰণে। কেন্দ্ৰীয় চৰকাৰে যদি আমাক অলপ সহানুভূতিৰে চালেহেঁতেন। তেতিয়া

*Speech not corrected

হলে আমাৰ বিত্তীয় সংকট কিছু আতৰ হ'লহেঁতেন। অন্যহাতে আমাৰ যিবিলাক স্থানীয় কৰ-কাটল আছে সেইবিলাক যথা সময়ত কৰ্মচাৰী সকলে সংগ্ৰহ কৰা হলে বিত্তীয় সংকট ইমানখিনি নাবাঢ়িলহেঁতেন। গতিকে এই বিত্তীয় সংকট দূৰ কৰিবৰ কাৰণে আমাৰ বাজেট ঘাটি পূৰণ কৰিবৰ কাৰণে কেইটামান পৰামৰ্শ দিব বিচাৰিছো। এই বিত্তীয় সংকট দূৰ কৰিবৰ কাৰণে আম আমাৰ খেতিৰ ওপৰত বেচি গুৰুত্ব দিব লাগিব। আমাৰ যিবিলাক শিক্ষিত নিবনুৱা আছে তেওঁলোকক খেতি মুখী কৰিব লাগিব। তেওঁলোকে হাঁহ-কুকুৰা, অন্যান্য উন্নতি ধৰণৰ খেতিৰ দ্বাৰা ফাৰ্ম খোলাৰ ব্যৱস্থা কৰিব লাগে, যিয়েনেকি নিবনুৱা যুৱক সকলক সংস্থাপন দিয়াৰ লগতে চৰকাৰৰও আয় বাঢ়িব। সকলো কৰ-কাটল উপযুক্ত সময়ত আদায় লোৱাৰ বাবে চৰকাৰে চোকা দৃষ্টি দিব লাগে। আমাৰ পৰিবহন বিভাগৰ যিবিলাক কনদাক্টৰ দিয়া হৈছে তেওঁলোকে টেক্স সংগ্ৰহ কৰি দিব নোৱাৰে। কাৰণ নেচনেল হাইওৱেৰ ওপৰত গাড়ী চলিলে য'ত নেকি টিকেট দিয়া হয় আৰু পইচা সংগ্ৰহ কৰা হয়। কিন্তু নেচনেল হাইওৱেৰ পৰা গ্ৰাম্যাঞ্চললৈ সোমায় যোৱাৰ পথ চোৱাত তেওঁলোকে টিকেট ইচ্ছ নকৰে যাৰ ফলত আয়ৰ পথ কমি যাব ধৰিছে।

উপাধ্যক্ষ মহোদয়, আৰু বিভাগৰ কথা কব বিচাৰিছো সেইটো হৈছে ইলেকটিচিটি বিভাগ। এই বিভাগটোৱে সময় মতে কৰ আদায় নকৰে। একোখন বিল তিনি বছৰৰ পিচত দিয়াৰ উদাহৰণ আছে। এবছৰ দুবছৰ, তিনি বছৰৰ মুৰত বিলখন গিৰিহঁতকে দিলে তেওঁলোকৰ অধিক পৰিমাণৰ টকাৰ বিল উঠে। ফলত গিৰিহঁতে সেই বিলৰ টকা পৰিশোধ কৰা কঠিন হৈ পৰে। এই ইলেকটিচিটি বিল বিলাক সময় মতে সংগ্ৰহ কৰাৰ ব্যৱস্থা লব লাগে যাৰ ফলত চৰকাৰৰ বিত্তীয় সংকট দূৰ কৰাৰ কিছু সুবিধা হব। (থুল নাই) আনফালেদি পঞ্চায়ত জৰিয়তে যি বিলাক খাজানা আদায় কৰা হয় সেইবিলাক কৰ্মচাৰী সকলে উপযুক্ত সময়ত আদায় নকৰাৰ ফলতো এনে বিত্তীয় অৱস্থাৰ সন্মুখীন হবলগীয়া হৈছে। গতিকে ৰাজ্য চৰকাৰে সকলো বিলক কৰ যাতে উপযুক্ত সময়ত আদায় কৰিব পাৰে তাৰ কাৰণে অনুৰোধ জনায় আমাৰ মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে যি বাজেট উৎথাপন কৰিছে তাক সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষৰ মাননীয় সদস্য সকলক আহ্বান জনাইছো তেওঁলোকে যাতে এই বিলখন সমৰ্থন কৰে তাকে আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলো।

*শ্ৰীভবেন নাৰ্জী: মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে ১৯৮৯-৯০ চনৰ বাবে এই সদনত যিখন বাজেট উত্থাপণ কৰিছে তাক মই সমৰ্থন জনাইছো আৰু মুখ্য মন্ত্ৰীক তাৰ কাৰণে ধন্যবাদ জনাইছো আৰু বাজেটৰ ওপৰত দুআষাৰ মান কবলৈ ওলাইছো। বাজেটত দুই এটা কৰ লগোৱাৰ কাৰণে বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে বাজেটখন বেয়া বুলি কৈছে আৰু আপত্তি তুলিছে। কিন্তু এই বাজেটখনৰ দ্বাৰা প্ৰকৃতপক্ষে আমাৰ দুখীয়া মানুহখিনিৰ ওপৰত হেচা নপৰে। যাৰ দুখন এম্বাচেদৰ আছে, যাৰ ল'ৰা-ছোৱালী ইংৰাজী মাধ্যমত পঢ়ে· গাড়ীৰে অহা যোৱা কৰে, যাৰ দুই তিনিটা দালান ঘৰ আছে, যি ৫০-৬০ টকা কিলোত ৰৌ মাছ কিনি খায়-তেওঁলোকৰ ওপৰতহে এই কৰৰ হেচা পৰিব। আৰু তেওঁলোকেই হৈ চৈ লগাইছে। আমাৰ গাৱলীয়া জনসাধাৰণে যি ১ টকাত পানী লাও কিনে, যি এক কিলো কৰি ১ টকাত কিনে, নদী, পুখুৰীৰ পৰা মাছ মাৰি খায়, হাবি জংঘলৰ পৰা খৰি বিচাৰি খায় তেওঁলোকৰ ওপৰত এই টেক্স পৰা নাই। এই মানুহখিনিক লাগে খেতি কৰিবলৈ সময় মতে পানী, বীজ আৰু সাৰ-চৰকাৰে তেওঁলোকক সময় মতে এইখিনি যোগান দিয়াৰ ব্যৱস্থা কৰিব লাগে। ডাকৰ এবাৰ কথা আছে 'দিন হলে শেষে, কি হবে মন স্বাসে'-সেয়ে খেতিয়ক সকলে কৃষিৰ বস্তুবোৰ সময় মতে পাব লাগে। লগতে তেওঁলোকক মাছ পুহিবলৈ, গৰু, গাহৰী আৰু কুকুৰা-হাহ পুহিবলৈ কিছু কিছু চৰকাৰে সাহাৰ্য্য দিব লাগে। তেওঁলোকে এইটোৱেই বিচাৰে। কৰৰ বোজা কি হৈছে নহৈছে তেওঁলোকে বুজি নেপায়। তেওঁলোকৰ কাৰণে ৰোড কমিউনিকেচন ভাল হব লাগে। গাড়ীৰ ভাৰা বৃদ্ধি হব নেলাগে। গাড়ীৰ ভাৰা বৃদ্ধি হলে তেওঁলোকে অধিক ভাৰা দিব লগীয়া হব, অনান্য বয় বস্তুৰ দামো বৃদ্ধি হব পাৰে। মাননীয় উপাধ্যক্ষ মহোদয়, এই বাজেটত যি কৰ লগোৱা হৈছে সেইয়া জন কল্যাণ মূলক সেৱাৰ কাৰণে লগোৱা হৈছে। আমাৰ কথা হৈছে খোৱা তেল, বিভিন্ন ডাইল, চেনী, চাহ পাত, চাউল, ইত্যাদি বস্তুবোৰত কৰ লগাব নেলাগে। যি সকল ধনী লোক আৰু সদায় ধনী হৈ গৈ আছে তেওঁলোকৰ ওপৰত কৰ থাকিব লাগে। ধনীক সদায় ধনী হৈ থাকিবলৈ দিব নেলাগে। মই আৰু এটা কথা এই খিনিতে কব খুজিছো আমাৰ থলুৱা গীত-পদ, সংস্কৃতিৰ উন্নতি সাধনত চৰকাৰে মন দিব লাগে। কমিউনিটি হ'ল অঞ্চলে অঞ্চলে বান্ধিব লাগে। খেলা-ধূলাৰ উন্নতিৰ কাৰণে মিনি ষ্টেডিয়াম সমূহ নিৰ্ম্মাণত মনোযোগ দিব লাগে। মই

*Speech not corrected

মাননীয় মুখ্যমন্ত্ৰীক এই খিনিতে দুটামান পৰামৰ্শ আগবঢ়াব খুজিছো। আমাৰ জনজাতীয় সকলৰ শিক্ষাৰ উন্নতিৰ কাৰণে ডি, পি, আইৰ অধীনত এটা সঞ্চালকালয় খুলিব লাগে। জনজাতীয় এলেকাৰ প্ৰাথমিক স্কুলবোৰৰ নিৰ্ম্মাণৰ কাৰণে অনুদান দিব লাগে, জনজাতীয় এলেকাৰ যিবোৰ প্ৰাথমিক স্কুলত শিক্ষকৰ পদ খালী আছে সেইবোৰ সোনকালে পূৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। যি সকল জনজাতীয় লোক চৰকাৰী মাটিৰ ভি, জি, আৰত বহু যুগ ধৰি বসবাস কৰি আছে তেওঁলোকক মাটিৰ পট্টা দিব লাগে। জনজাতীয় আবেষ্টনীবোৰ ভালদৰে সংৰক্ষণ কৰিব লাগে। জনজাতীয় অঞ্চলবোৰত জলসিঞ্চনৰ অধিক সুবিধা প্ৰদান কৰিব লাগে। এই অঞ্চলবোৰত জনসাধাৰণৰ স্বাস্থ্য ৰক্ষাৰ কাৰণে অধিক চিকিৎসালয় পাতিব লাগে কাৰিকৰী শিক্ষানুষ্ঠান পাতিব লাগে। জনজাতীয়ৰ কাৰণে চাকৰিৰ সংৰক্ষণ ব্যৱস্থা বৃদ্ধি কৰিব লাগে, সংৰক্ষণ আইন সংশোধন কৰিব লাগে। জনজাতীয় নিবন্নৱা সকলক সোনকালে সংস্থাপন কৰাৰ স্পষ্ট নীতি লব লাগে। জিলা আৰু মহকুমাত এই বিষয়ে চাবলৈ উপদেষ্টা বোৰ্ড গঠন কৰিব লাগে। (ভয়চ-সাধু এটা কব লাগে, সাধু কব লাগে।)

মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা ৰাজকীয় সাধুকথা কব খুজিছো। সাধুটো হৈছে এই পানী জমা হৈ থকা সৰু গাত এটাত এবাৰ এটা চুকুনী চৰাইয়ে গা ধোলে। তাৰ পিছত যেতিয়া চৰাইটোৱে গা ধোৱা সেই গাতটোত অলপ বেছিকৈ পানী জমা হল তেতিয়া তাত এটা শালিকাও গা ধুবলৈ আহিল। শালিকা চৰাইটোৱে গাতটো ঘুলি দিয়াৰ কাৰণে তাত আৰু অলপ বেছি পানী জমা হল। তাৰ পিছত সেই ঠাইলৈ আহিল এটা কাউৰী। কাউৰীয়ে গা পা ধুই ঘুলি দিয়াৰ পিছত যেতিয়া আৰু বেছি পানী জমা হ'ল তেতিয়া এটা গাহৰীয়ে গা ধুবলৈ আহিল। গাহৰিৰ পিছত আহিল এটা মহ আৰু মহৰ পিছত আহিল এটা গড়। এই দৰে ক্ৰমান্বয়ে বহল হৈ পৰা সেই ঠাই ডোখৰত জমা হোৱা পানীত গা ধুবলৈ এইবাৰ আহিল এটা হাতী। হাতীয়ে গা ধুই সেই ঠাইডোখৰৰ এটা ডোবাত পৰিণত কৰিলে। কালক্ৰমত তাত পৰিস্কাৰ পানী জমা হল। এসময়ত ৰজাই আজলী চিকাৰ কৰিবলৈ আহি পানীৰ সন্ধানত সেই ঠাই পাই তাতেই পৰিস্কাৰ পানী জমা হৈ থকা পাই তাতেই পিয়াহ পলুৱাই পানী খালে আৰু পৰিষদ বৰ্গ লৈ সেই ঠাইৰ ওচৰতে চাউনী পাতিলে আৰু তাৰ ওচৰতে এটা মন্দিৰো নিৰ্ম্মাণ কৰিলে। এই দৰে ৰাজ অনুগ্ৰহত সেই ঠাই ডোখৰ এখন উল্লেখনীয় ঠাইত পৰিণত হল। গতিকে ইয়াৰ পৰা মই ইয়াকে কব খুজিছো

যে, আমাৰ কথা বিলাক হৈছে তেনেকুৱাই। আৰম্ভণি বিলাক সৰু সৰু মানুহেহে কৰে। তাৰ পিছতহে সি পূৰ্ণতা লাভ কৰে। মঘাই ওজাকে আদি কৰি লোক সকল বৰ বেছি শিক্ষা দীক্ষা নথকা লোক আছিল। স্কুল কলেজ তেনেকৈ নেদেখিলেই। আৰম্ভনি বিলাক সাধাৰণ লোকৰ পৰাই আহে। আমাৰ চৰকাৰেও এই কথা বিলাক অনুধাৱন কৰিব লাগিব।

Mr. Deputy Speaker : Shri Abdul Rob Laskar.

Shri Abdul Rob Laskar : Mr. Deputy Speaker, Sir, First of all, I congratulate you for giving me the opportunity to participate in the budget discussion. Sir, by this time, many hon. members of this August house have put forward their submissions on the budget. Sir, some of the opposition members have termed this budget as anti-people budget and dull budget and, even, one of hon: members termed this budget as throat-cutting budget. Sir, ultimately the hon. Finance Minister has admitted that this is an anti-people budget and has agreed to withdraw some of the taxation measures which are supposed to be imposed on the poorest people of the State. Sir, this budget is undobtedly an anti-people budget. Sir, in para 4 of the Budget presented by the hon. Finance Minister it has been stated that the deficit which stood at Rs. 11 crores on March 31, 1986, rost to Rs. 80 crores on March 31, 1987 and stood at Rs. 128 crores on march, 31 1988. Sir, since last three years we have been passing the budget in this August house and this year also the budget will be passed. But, Sir, what is the purpose of laying down the budget in this August House and passing the same ? It is definitely not intended just to meet the expenses which will be incurred for running the administration. The sole purpose of passing the budget is to allow the State Governmente to go ahead taking up developmental works in the State. But, Sir, during thes

period of last three year what we have withnessed is that because of the inefficiency of this Government because of indulgence in corrupt practices, there is no developmental work in the State. what we have seen, Sir, during this period every officer, every Minister and every MLA is speaking that there is no money and, therefore, there is no developmental work in the State. Sir,the question is that where the money has gone, how the money has been spent ? In every para of the budget the blame has been squarely put on the Central Government by this Governmen and that Central Governmente has not given the money But, Sir, there are instances that many of the departments of State have surrendeered the money because they are not in a position to spend the money for the developmental works. But, Sir, whenever there is a session or whenever there is a discussion, they are trying to put the blame on the shoulder of the Central Government. Now, Sir, where is the record ? why the State Government is not speaking on the Assam Accord ? probaly Government want to by-pass the issue. They know that people have not forgotten the commitment made by them to the people of Assam that they will implement the Assam Accord. Sir, I had given a question in this House as to how many foreigners have been deported during this period of three years. Sir, the answer was 299. Sir, the position is that during the period of three years this Government was in a position to deport only 299 people. Sir, during the period of agitation it was stated that several lakhs of foreigners are there in the State. That being so, then how many years will be required by this Governmente to fullfil the commitment made to the people.

Now, Sir, probably this Government is thinking to put the blame on the Central Government either this way or that way. Sir, they are trying to make the people understand that they cannot undertake the work because of the restic-tions imposed on them by the Central Government. Sir, this will not hold water. Sir, how many people died during the period of last six years ? How many people have been departed by this Government ? where is the developmental work ? Sir, each and every time this Government puts the blame on the Central Government Even today, Sir, the Union Minister Shri Sontosh Mohan Deb has been blamed for giving relief to a patient. Sir, if this is the attitude then how this Government will give benefit to the people Mr. Deputy Speaker, Sir, we do not want that this Government should not work. Sir, we have been elected by the people and were the part and parcel of this Government. It should be the attitude of the Government that benefit is given to the people because we are of the people, for the people and by the people. Sir, so far the work done by this Government is almost zero. Sir, there are lakhs of educated unemployed youth in our State, nay throughout the country. But Sir, there is no appointment. Sir, recruitments have been stopped by this Government. The educated unemployed youths are now roaming in the street. No advertisement is there although there are some vacant posts. The reasons for all these is that there is no money. Even in many offices machines are out of order which could not be repaired because of derth of money. Officers are not going on tour to see the work in the field because they are not getting their T.A. bills.

